# শৰৎকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

### তাৰিখ ঃ ০১/০৯/২০২০ মঙলবাৰ

ইংৰাজী ০১-০৯-২০২০ তাৰিখে অসম বিধান সভাৰ শৰৎকালীন অধিবেশন পূৰ্ব্বনিৰ্ধাৰিত কাৰ্য্যসূচীৰে ৰাতিপুৱা ৯-৩০ বজাৰ পৰা অনুষ্ঠিত হয়।

**মাননীয় অধ্যক্ষ ঃ** Question hour. Question No. 21, শ্ৰী ঋতুপৰ্ণ বৰুৱাৰ হৈ শ্ৰী চক্ৰধৰ গগৈয়ে উত্থাপন কৰিব।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দাখিল কৰা হৈছে।

**শ্ৰী চক্ৰধৰ গগৈ (মৰাণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সতীৰ্থ বিধায়ক ঋতুপৰ্ণ বৰুৱা ডাঙৰীয়াই সদনৰ মজিয়াত দাখিল কৰিছিল। প্ৰশ্নটো আছিল যে বিশেষভাৱে আমাৰ দেশৰ বা ৰাজ্যখনৰ ইমান সংকটৰ সময়তো মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াই বহু কল্যাণকামী আচঁনি দাঙি ধৰিছে আৰু ইতিমধ্যে বহু আঁচনিৰ সফল ৰূপায়ণ হৈছে। শেহতীয়াকৈ অৰুণোদয় আচনিখন তেখেতে নতুনকৈ ৰাইজৰ মাজলৈ বিতৰণ কৰাৰ এটা প্ৰয়াস ৰাখিছে আৰু ইতিমধ্যে ইয়াৰ প্ৰচাৰো চলিছে। গতিকে এই অৰুণোদয় আঁচনিখন বিতৰণ কৰিবলৈ যাওঁতে আমি দুটামান কথা মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব খুজিছো। এই অৰুণোদয় আঁচনিখন যিহেতুকে প্ৰত্যেকটো সমষ্টিত ১৫ হাজাৰকৈ হিতাধিকাৰীক দিয়াৰ কথা কৈছে আৰু ২ লাখতকৈ ওপৰত হলে ১৬ বা ১৭ হাজাৰকৈ দিয়াৰ কথা কৈছে। কিন্তু আমাৰ সমষ্টিবিলাকত যিহেতুকে দুখীয়া মানুহৰ পৰিয়াল মোৰ সমষ্টিটোত যদি ৪৫ হাজাৰ বুলিও ধৰি লওঁ তেতিয়াহলে যদি তাত ১৫ হাজাৰ পৰিয়ালকহে দিয়া যায় তেতিয়া প্ৰায় ৩০ হাজাৰমান পৰিয়াল বাদ পৰি যায়। এই ক্ষেত্ৰত ভৱিষ্যতে কিবা বৃদ্ধি কৰাৰ ব্যৱস্থা আছে নেকি সেইটো আমি জানিব খুজিছো। লগতে ৮৩০ টকাকৈ প্ৰতিটো পৰিয়ালক প্ৰতিমাহে দিয়াৰ যিটো কথা কৈছে এই পৰিমাণটো ভৱিষ্যতে বৃদ্ধি হ'ব নেকি সেইটো জানিব খুজিছো। তাৰোপৰি আৰু এটা কথা আজি মন্ত্ৰী মহোদয়ে স্পষ্ট কৰি দিলে ভাল হ'ব। ইয়াৰ যিটো হিতাধিকাৰী নিৰ্বাচনী প্ৰক্ৰিয়া, এই প্ৰক্ৰিয়াটোত বিশেষভাৱে এটা কথা হৈছে যে income certificate. Below 2 lakh হ'লেহে পাব। পৰিয়ালটোৰ income below 2 lakh বুলি কোনে certify কৰিব? যদি এইটো SDC Office ৰ ফালৰ পৰা কৰা যায় তেতিয়াহলে ই এটা জটিল প্ৰক্ৰিয়া হ'ব আৰু বহু দুখীয়া মানুহে এইখিনি কাম কৰিব নোৱাৰিব। গতিকে ইয়াৰ কিবা বিকল্প ব্যৱস্থা কৰিব নেকি, এই কথাটো মই জানিব বিচাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথম এই অৰুণোদয় আঁচনিখন অসম চৰকাৰৰ যি ২০২০-২১ চনৰ বাজেট আছিল সেই বাজেটত আমি ঘোষণা কৰাৰ সৌভাগ্য হৈছিল আৰু বৰ্তমান আমি Covid-19 ৰ ফলত সৃষ্টি হোৱা অৰ্থনৈতিক অস্থিৰতাৰ মাজতো এই আঁচনিখন ৰূপায়ণৰ দিশত আমি অগ্ৰসৰ হৈছো। এই আঁচনিখনত যিধৰণে সন্মানীয় বিধায়ক চক্ৰধৰ গগৈ ডাঙৰীয়াই উল্লেখ কৰিছে যে মোৰ সমষ্টিত ইমান দৰিদ্ৰ মানুহ আছে গতিকে ইয়াত আৰু বঢ়োৱা হ'ব নেকি? প্ৰথমতে আমি বুজিব লাগিব যে এই আঁচনিখনত হিতাধিকাৰী সকল আচলতে ইতিমধ্যেই ঠিক হৈ আছে। ইয়াত বহুত বেছি নিৰ্ব্বচনৰ প্ৰক্ৰিয়া নাই যদিহে আমি আঁচনিখন বুজিবলৈ চেষ্টা

কৰো। এই আঁচনিখনত প্ৰথম অধিকাৰ থাকিব যাৰ ঘৰত কোনো এগৰাকী সদস্য বিধৱা মহিলা। এক প্ৰকাৰ ক'বলৈ গ'লে বিধৱা পেঞ্চন পোৱা প্ৰতিটো ঘৰেই এই আঁচনিৰ স্বয়ংক্ৰিয় হিতাধিকাৰী। তাৰমানে এই আঁচনিখনত প্ৰথম অধিকাৰ আছে যিসকল পৰিয়ালে দুখ আৰু কষ্টৰ মাজতো বিধৱা মহিলা গৰাকীক ৰক্ষণাবেক্ষণ দিছে, তেখেতৰ শ্ৰীবৃদ্ধিত সহায় কৰিছে। গতিকে আমি সমষ্টিত গলে জানোৰে যে কেইঘৰ মানুহৰ ঘৰত বিধৱা মহিলা আছে। এতিয়া প্ৰথম selection সম্পূৰ্ণ হৈ গ'ল। দ্বিতীয়তে, হৈছে যিখন ঘৰত এগৰাকী অবিবাহিতা ছোৱালী আছে। যিখন ঘৰত তেওঁৰ ককায়েক ভায়েক আছে যাৰ নিজৰ পৰিয়াল আছে, লৰা ছোৱালী আছে আৰু তাৰ মাজতো সেই পৰিয়ালটোৱে এগৰাকী অবিবাহিতা মহিলাক সংস্থাপন দিছে, লগত ৰাখিছে আৰু পৰিয়ালৰ সদস্য হিচাপে তেওঁৰ সমৃদ্ধিত সহায় কৰিছে। সেই পৰিয়ালটো কৃতজ্ঞতাৰ যোগ্য। গতিকে সেই পৰিয়ালটোৱে সমাজৰ কৃতজ্ঞতা হিচাপে অৰুণোদয় আঁচনিৰ সুবিধা লাভ কৰিব। তৃতীয়তে, যদি কোনো এটা পৰিয়ালত এজন দিব্যাংগ ব্যক্তি থাকে তেতিয়া মাক দেউতাকৰ কিমান কষ্ট হয় সেইটো আমি উপলদ্ধি কৰিব পাৰো। গতিকে তৃতীয়তে যেতিয়া এটা পৰিয়ালত এজন দিব্যাংগ ব্যক্তি থাকিলে তেওঁলোকে এই আঁচনিৰ অন্তৰ্ভুক্ত হ'ব।

চতুৰ্থ অধিকাৰ হ'ল সেই সকল পৰিয়ালৰ, ইয়াত ৰাহুল গান্ধী ডাঙৰীয়াৰ লগত কিন্তু কোনো সম্পৰ্ক নাই, মাননীয় বিৰোধী দলৰ দলপতি ডাঙৰীয়াই কেতিয়াবা আমাক confused কৰে। এইটো আমাৰ অসমৰ নিজস্ব চিন্তা যে চতুৰ্থ অধিকাৰ হৈছে যে যিসকলৰ ঘৰত এনে এগৰাকী মহি লা আছে যাক বিয়া দি উলিয়ায় দিয়া হৈছিল কিন্তু তেওঁ শহুৰেকৰ ঘৰত থাকিব নোৱাৰিলে বা বিবাহ বিচ্ছেদ হ'ল বা নিজে ঘৰলৈ গুচি আহিলে যিটো গাঁৱলীয়া ভাষাত কয় গিৰিয়েকে তেওঁক খেদি দিলে বুলি যদিও শব্দটো সমৰ্থন যোগ্য নহয়। গতিকে এই ৫ টা criteria fulfill কৰোতেই ১৫ হাজাৰ হিতাধিকাৰী হৈয়ে গল। ইয়াত বিতৰ্কৰ কোনো অৱকাশ নাথাকিলেই। ইয়াৰ পিছতো যদি কোনোবা সমষ্টিত হিতাধিকাৰী বাদ পৰি যায় তেতিয়াহলে আমাৰ next target টো হ'ল যে এনে দুখীয়া মানুহ যাৰ তিনি টকীয়া চাউল নাই বা আজি কালিৰ বিনামূলীয়া চাউলৰ কাৰ্ড নাই। অৰ্থ্যাৎ এই ৰখি যোৱা খিনিৰ last charge টো হ'ল যে যাৰ ঘৰত বিনামূলীয়া চাউলৰ কাৰ্ড নাই। শেষৰ category ত হে আহিলে যাক আমি কলো যে দুখীয়া মানুহ বুলি। দুখীয়া মানুহ সকলক এই আঁচনিৰ অধীনত লোৱাৰ প্ৰয়োজন এই কাৰণেই নাই কাৰণ তেওঁলোকে বিনামূলীয়া চাউল, দাইল এই গোটেইবোৰ অৰুণোদয়ৰ সম পৰ্য্যায়ৰ আঁচনিৰ সুবিধা পাইয়ে আছে। সেইকাৰণে দুখীয়া মানুহ with NFSS Card সেইটো হ'ল একেবাৰে শেষ priority.

গতিকে প্ৰথম বিধৱা, দ্বিতীয়তে, অবিবাহিতা ছোৱালী, দিব্যাংগ লোক, বিবাহিতা মহিলা যিয়ে কোনো পৰিস্থিতিত পৰি স্বামী গৃহ ত্যাগ কৰিছে তেনে লোক কাৰ কাৰ পৰিয়ালত আছে। এনে পৰিয়াল চিনাক্ত কৰাৰ লগে লগে আমাৰ ইয়াত selection প্ৰক্ৰিয়াটো সম্পূৰ্ণ হৈ গ'ল। কিন্তু যদি মোৰ পৰিয়ালত এগৰাকী বিধৱা মহিলা আছে আৰু মোৰ ঘৰত যদি কোনো ধৰণৰ চৰকাৰী পেঞ্চন লাভ কৰা লোক আছে যি ধৰণৰ আশা কৰ্মী হওক বা অঙ্গনবাড়ী কৰ্মী হওক বা PSUত কাম কৰা হওক বা ষ্টেড ফেডত কাম কৰাই হওক তেনে পৰিয়াল হলে বিধৱা মহিলা থাকিলেও তেওঁলোকৰ পৰিয়ালে এই আঁচনিৰ সুবিধা নাপায়। নতুবা কোনোবা এটা পৰিয়ালত এগৰাকী বিধবা আৰু এজন দিব্যাংগ লোক আছে, তেনে পৰিয়ালেও মাত্ৰ এজনৰ নামতহে আঁচনিৰ সুবিধাটো পাব, দুজনে নাপায়। যিকোনো চৰকাৰী পেঞ্চন লাভ কৰা লোকৰ পৰিয়ালে এই আঁচনিৰ সুবিধা নাপায়। কিন্তু মই কুশল কোৱৰ বা ইন্দিৰা মিৰি তেনেধৰণৰ কোনো আঁচনিৰ কথা কোৱা নাই। চৰকাৰী

চাকৰিৰ পেঞ্চনটোহে ইয়াত যোগ হ'ব। কুশল কোৰৰ বা ইন্দিৰা মিৰি তেনেধৰণৰ কোনো আঁচনি পোৱা লোকসকলে কিন্তু এই আঁচনিৰ সুবিধাও লাভ কৰিব। যিসকলৰ ১৫ বিঘা মাটি আছে তেওঁ নাপায় বা যাৰ ঘৰত চাৰিচকীয়া বাহন আছে তেওঁ নাপায়। কিন্তু দুই বা তিনি চকীয়া বাহন থাকিলে তেওঁ পাব। যিসকলৰ ফ্ৰিজ আছে তেওঁলোকে এই আঁচনিৰ সুবিধা নাপায়, যিসকলৰ বছৰি আয় ২ লাখ টকাতকৈ বেছি তেওঁলোকেও নাপায়। নাইবা কোনোবা যদি এখন টেক্টৰৰ মালিক, Self Help Group ৰ জৰিয়তে পোৱা টেক্টৰ হলে কথা নাই তেন্তে তেনে পৰিয়ালেও এই আঁচনিৰ সুবিধা নাপায়। গতিকে inclusion আৰু exclusion criteria খিনি চালে আমি হিতাদিকাৰী নিৰ্ব্বাচন কৰোতে কতো খেলি মেলি হোৱাৰ সম্ভাৱনা নাই। এই আঁচনিটোৰ লগত মৌজাদাৰ বা গাওঁবুঢ়াৰ কোনো সম্পৰ্ক নাই। এই আঁচনিটো Self Certification ৰ ওপৰত base কৰি হ'ব। কেতিয়াৱা DC য়ে কয় যে SDC ৰ পৰা কিবা কাগজ লাগে কিন্তু ইয়াত ST/SC ৰ Certificate খনো নালাগে বা দিব্যাংগৰ Certificate খনো নালাগে। কোনো ধৰণৰ Certificate ৰ প্ৰয়োজন নাই। আমি যিখন Form সমষ্টিলৈ পঠাই দিছো সেইখনত আমি কৈছো যে Check list ৰ লগত আমি কোনো document য়েই নাচাও। Check list হোৱাৰ পিছত হিতাধিকাৰী District Board এ select কৰিব আৰু তাৰ পাছত অৰুণোদয়ৰ সহায়ক সকল ঘৰে ঘৰে যাব। ঘৰত গলে তেওঁলোকে যেতিয়া ক'ব যে দিব্যাংগ ব্যক্তিজনক মাতক বা বিধবা মহিলা গৰাকীক মাতক কিন্তু এই পৰ্য্যায়ত সেই ঘৰত যদি তেওঁলোকে হিতাধিকাৰী দেখা নাপায় তেতিয়া তেওঁলোকে উপায়ুক্তক আহি ক'ব যে হিতাধিকাৰী ভুল। ভৱিষ্যতেও যদি কোনোবাই RTI মাৰে আৰু RTI ত ওলায় যদি সেই ঘৰত কোনো বিধবা বা দিব্যাংগ লোক নাই, লগে লগে তেওঁলোকৰ বাবে এই আঁচনিখন বন্ধ কৰি দিয়াৰ ব্যৱস্থা ৰখা হৈছে। যদি কোনোবাই ভুল তথ্য দি এই আঁচনিৰ সুবিধা লয় আৰু RTI ত যদি এই কথা ধৰা পৰে লগে লগে তেওঁৰ benifit discontinue হৈ যাব আৰু তেওঁৰ ওপৰত আইনী প্ৰক্ৰিয়াৰ ব্যৱস্থা ৰখা হৈছে। Form খন যেতিয়া fillup কৰিব তাত দেখিব যে তাত তেওঁ এখন affidavit sign কৰিব লাগিব যে মই ওপৰত দিয়া তথ্য সমূহ সত্য। যদি অসত্য হয় আঁচনি বন্ধ হোৱাৰ লগতে তেওঁৰ ওপৰত আইনী প্ৰক্ৰিয়া এটা আৰম্ভ হ'ব। অহাকালিৰ পৰা টেলিভিচন বা অন্যান্য জন মাধ্যমৰ জৰিয়তে এই কথা সমূহ প্ৰচাৰ হ'ব আৰু ৰাইজে নিজে এই কথা সমূহ বুজি পাব যে এচাম নিৰ্দ্দিষ্ট লোকৰ বাবেহে এই আঁচনিখন প্ৰস্তুত কৰা হৈছে।

শেষত important কথাটো হ'ল যে সকলো হৈ যোৱাৰ পাছতো কিন্তু পুৰুষ জনৰ Account ত এই টকাটো নাহে বা বিধবা মহিলা গৰাকীৰ Account ত যাব তেনেকুৱাও নহয়। পৰিয়াল সকলক লৈ এখন মিটিং পাতিব আৰু তেওঁলোকে এগৰাকী মহিলা ঠিক কৰি দিব যে এইগৰাকী মোৰ সৰু বা ডাঙৰ বোৱাৰী বা মাক। পৰিয়ালটোৱে ঠিক কৰি দিয়া মহিলা গৰাকীৰ Account ত হে এই টকাটো যাব। ১৫ চেপ্তেম্বৰৰ ভিতৰত আমি হিতাধিকাৰী নিৰ্ব্বাচন শেষ কৰিব লাগিব। ১৫ ৰ পৰা ৩০ চেপ্তেম্বৰৰ ভিতৰত মনোনীত সহায়ক সকলে প্ৰ-পত্ৰ বিতৰণৰ কামত লাগিব যাৰ বাবে জিলা উপায়ুক্ত সকলক মনোনীত সহায়ক দিবলৈ কোৱা হৈছে আৰু ২ অক্টোবৰৰ পৰা হিতাধিকাৰী সকলে টকা পোৱা আৰম্ভ হ'ব অৰ্থ্যাৎ ২ অক্টোবৰৰ পৰা এই আঁচনিখন কাৰ্য্যকৰী হ'ব। ২ নবেম্বৰৰ পৰা প্ৰথম কিস্তিৰ টকা Account ত সোমাব। কোনোবা সমষ্টি যদি পিছপৰি আছে তেনেহলে আগবাঢ়ি থকা সমষ্টিখিনিৰ Account ত গুছি যাব। কাৰো বাবে এই আঁচনিখন থিয় হৈ নাথাকে।

শ্ৰদ্ধাৰ গগৈ ডাঙৰীয়াই এটা প্ৰশ্ন শুধিছে যে ৮৩০ টকা প্ৰথম অৱস্থাত পৰিয়ালটোৰ মেডিচিনৰ খৰছৰ বাবে ৪০০ টকা দিছো, ৪ কেজি দাইল যাতে ৫০ শতাংশ ৰেহাই মূল্যত পায় তাৰবাবে ২০০ টকা, ৪ কেজি চেনিৰ বাবে ৮০ টকা আৰু ফল মূল কিনাৰ বাবদ ১৫০ টকা দিছো। এই আঁচনিখন অহা বছৰ এপ্ৰিল মাহত, এতিয়ালৈ যদিও বাজেট তাৰবাবে দিয়া নাই বিহুৰ বতৰত হয়তো এই পৰিয়াল কেইটায় ১০০০ টকা বেচিকৈ পাব। আকৌ বানপানী বা পূজা বা লৰা ছোৱালীৰ Admission ৰ সময়ত এই পৰিয়াল বিলাকে ১০০০ টকা বেচিকৈ পাব আৰু আঁচনিখনৰ coverage বাঢ়ি বাঢ়ি গৈ থাকিব। আজি মই অকণমান সংশোধন কৰি দিছো যে যিবোৰ সমষ্টিত ১.৫ লাখৰ পৰা ২ লাখ লোক আছে তেওঁলোকে ১৬০০০ হিতাধিকাৰী পাব। যদিও আমি আগতে ১৫ হাজাৰ কৈছিলো এতিয়া আমি অলপ বঢ়াই দিছো। কিন্তু যিসকলৰ ১.৫ লাখতকৈ কম ভোট আছে তেওঁলোকে ১৫ হাজাৰ হিতাধিকাৰী পাব, যিসকলৰ ২ লাখৰ পৰা ২.৫ লাখ ভোট আছে তেওঁলোকে ১৭ হাজাৰ হিতাধিকাৰী পাব, ২.৫ লাখৰ পৰা তিনি লাখ ভোট থকা সমষ্টি বিলাকে ১৮ হাজাৰ পাব আৰু ৩ লাখতকৈ বেচি ভোট থকা সমষ্টি য়েই ১৯ হাজাৰ পাব।

আঁচনিখন আৰম্ভ নহওতেই আমি হিতাধিকাৰীৰ সংখ্যা বঢ়াই দিলো। ৰাজ্য চৰকাৰৰ আৰ্থিক অৱস্থা উন্নত হোৱাৰ লগে লগে এই অৰুণোদয় আঁচনিখন বাঢ়ি বাঢ়ি গৈ থাকিব আৰু ঠিক সেইদৰে পুঁজিৰ পৰিমাণো বৃদ্ধি হৈ গৈ থাকিব। ভৱিষ্যতে চৰকাৰে বেলেগ আঁচনি ল'ব নালাগে। যদি চৰকাৰৰ হাতত অলপ অতিৰিক্ত টকা আছে তেতিয়া অৰুণোদয় বঢ়াই দিলো, হিতাধিকাৰীও বঢ়াই দিলো আৰু পুঁজিও বঢ়াই দিলো। গতিকে এই অৰুণোদয় আঁচনিখনে অনাগত দিনত এখন ধ্বজাবাহী আঁচনি হৈ চলি থাকিব। সৰু সৰু আঁচনি সমূহ আমি আৰু ঘোষণা কৰি থাকিব নালাগে। বাজেটখন চালে দেখা পাব যে সৰু সৰু আঁচনি implement কৰোতে বহুত কষ্ট হয় আৰু beaurocratic delay হয়। গতিকে আমি মানুহক সেৱা কৰিব লাগে আৰু তাৰ মাধ্যম হিচাপে অৰুণোদয় আঁচনিখন এটা Vehicle for social support, vehicle for cutting beaurocratic red tape. এই গোটেইখিনি কৰি দিয়া হৈছে। আজি যদি কোনোবা মন্ত্ৰীৰ মন গৈছে বা কোনোবা মুখ্যমন্ত্ৰীৰ মন গৈছে যে তেওঁৰ যদি ৫০০ টকা saving হ'ল ৩১ মাৰ্চত, মই সেই টকাটো অৰুণোদয় আঁচনিত পঠাই দিওঁ। তাৰমানে অৰুণোদয় আঁচনিখনৰ জৰিয়তে আমাৰ চৰকাৰখন পৰিচালিত হৈ থাকিব। কেতিয়াবা এনেকুৱা ও হ'ব যে মাহত ৩০০০ ও দিছো, ৫০০০ ও দিছো। গতিকে চৰকাৰৰ এনে ধৰণৰ আৰ্থিক অৱস্থা থাকে। আজি যদি মই অৰুণোদয় পালো, মোৰ ঘৰত চাকৰি এটা হৈ গ'ল, লগে লগে হিতাধিকাৰীৰ পৰা মোৰ নামটো কাট খাইগ'ল, কাইলৈ মই এখন গাড়ী ল'লো হিতাধিকাৰীৰ পৰা মোৰ নামটো কাট খাই যাব। প্ৰত্যেক বছৰে অৰুণোদয়ৰ ডাটা বেচটো পৰিৱৰ্তন হৈ গৈ থাকিব। গতিকে সংক্ষেপতে এইটোৱেই। আপোনালোকে যদি ভালদৰে ক্ৰাইটেৰিয়া মতে যায় নগ'লেও পিছত অৰুণোদয়ৰ সহায়ক এইটো এটা ক্ৰাইটেৰিয়াত পেলাই দিব লাগিব। গতিকে ক্ৰাইটেৰিয়া মতে গ'লে মই নাভাৱো যে এনেকুৱা ধৰণৰ পৰিয়াল আমি প্ৰথম অৱস্থাত ১৫-১৬ হাজাৰতকৈ এটা সমষ্টিত বেছিকৈ পাম।

**শ্ৰী চক্ৰধৰ গগৈ (মৰাণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চাৰে বহুখিনি কথা ক'লে কিন্তু মই এটা কথা স্পষ্টভাৱে বুজি নাপালো যে স্পেচিয়েল প্ৰাইয়ৰিটী বিশেষ ভাৱে দিয়া হৈছে দিব্যাংগ, বিধৱা, অবিবাহিতা আৰু এন এফ এচ চিৰ যি সকলৰ কাৰ্ড নাই। এই সকলৰ ঘৰত যদি কেনেবাকৈ চাকৰিয়াল মানুহ আছে গতিকে এই চাকৰিয়াল মানুহ থাকিলে আমি তেওঁলোকক অগ্ৰাধিকাৰ দিম নে নিদিম।

**ডº হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** যদি এই চাৰি প্ৰকাৰৰ কাৰোবাৰ ঘৰত চৰকাৰী চাকৰিয়াল, অংগনবাড়ী কৰ্মী, আশা কৰ্মী, চেণ্ট্ৰেল গৰ্ভমেণ্টত চাকৰি কৰা কৰ্মচাৰী আছে এই পৰিয়াল সকল হিতাধিকাৰীৰ তালিকাত নাহিব।

**শ্ৰী দূৰ্গা ভূমিজ (ডুমডুমা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে জিলা পৰ্য্যায়ত বা ডি চি অফিচত ফৰমেট বা কিবা ফৰ্ম এভেইলএবল হৈছেনে ? কিছুমান ঠাইত আমি এনেক্সাৰ এ আৰু কিছুমান ঠাইত এনেক্সাৰ বি দেখিছো। গতিকে ইয়াৰ কোনটো কাৰেক্ট হ'ব ?

**ডº হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** এই আঁচনিখনৰ কোনো ফৰ্ম নাই। চেক লিষ্ট এখন যাব। এই চেক লিষ্টখন ডি চি সকলে প্ৰিণ্ট কৰি দিছে। ফৰ্ম অকল ১৫ হাজাৰেই প্ৰিণ্ট হ'ব। সমষ্টিটোৰ কাৰণে। ফৰ্ম অকল নিৰ্ব্বাচিত হিতাধিকাৰী সকলৰ হৈ প্ৰিণ্ট হ'ব। এতিয়া আমি চেক লিষ্ট দিছো। ইয়াত কোনো এনেক্সাৰৰ ব্যৱস্থা নাই। এইখন চেল্ফ চাৰ্টিফিকেশ্যন আঁচনি যে মই চহী কৰি দিলো মোৰ কথাখিনি সত্য। ইয়াত কোনো কাগজৰ কথা নাই। ফৰ্ম এখন আমি দিম কিন্তু ফৰ্মখন জিলা পৰ্য্যায়ৰ চিলেকশ্যন কমিটিয়ে চিলেক্ট কৰি দিয়াৰ পিছতহে সেই ফৰ্মখন ডি চি ক দিয়া হ'ব। জালুকবাৰী চিৰিয়েল নাম্বাৰ ওৱানৰ পৰা আৰম্ভ হ'ব আৰু ১৬ ত শেষ হ'ব। তাৰমানে যিমান হিতাধিকাৰী সিমানেই ফৰ্ম যাব কাৰণ নোপোৱা সকলে বেংকত একাউণ্ট খোলাৰ পিছত কষ্ট পাই কয় যে ফৰ্ম ও ফিলাপ কৰিলো টকাও নাপালো। সেইকাৰণে অকল নিৰ্ব্বাচিত হিতাধিকাৰী সকলৰ বাবেহে এই ফৰ্ম উপলব্ধ হ'ব। বৰ্তমান মাত্ৰ এখন চেক লিষ্ট হে গৈছে যে বিধৱা আছে নে নাই, যদি আছে টিক মাৰ্ক দিয়া হ'ব। গতিকে তাত মাত্ৰ এখন চেক লিষ্ট হে দিয়া হৈছে কোনো ধৰণৰ ফৰ্ম বা এনাক্সাৰ দিয়া হোৱা নাই। বিধায়ক সকলে ডি চি সকলক ফোন কৰি সুধিলেই হ'ল যে এইখন অৰিজিনেল নে ডুপ্লিকেট। গতিকে মই ভাৱো তাত কোনো ধৰণৰ কনফিউজনৰ স্থান নাই।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী মহেশ্বৰ বড়ো।

**শ্ৰী মহেশ্বৰ বড়ো ঃ** মাননীয় অধ্যক্ষ মহোদয়, বি টি এ ডি এৰিয়াত নিৰ্ব্বাচনী আচৰণ বিধি লাগু হৈ আছে। ইয়াত নিৰ্বাচনী আয়োগৰ পৰা কিবা ৰিলেক্সচেশ্যন লৈ এই আঁচনিখন কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত কিবা ব্যৱস্থা থাকিব নেকি ?

**ডº হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যিক নিৰ্বাচনী আয়োগক জিলা উপায়ুক্ত সকলে অনুমোদন বিচাৰিছিলে যে আঁচনিখন বি টি এ ডি এৰিয়াত ৰূপায়ণ কৰিব লাগে। কিন্তু নিৰ্বাচনী আয়োগে এইটো ৰিজেক্ট কৰিছে। নিৰ্বাচনী আয়োগে কৈছে যে বি টি ডি এৰিয়াত মডেল ক'ড অফ কনডাক্ট চলি থকাৰ কাৰণে এই আঁচনিখন এতিয়া ৰূপায়ণ কৰিব পৰা নাযাব। কিন্তু যিহেতু আঁচনিখনৰ বিষয়ে আমি সকলোৱে জানো গতিকে মানসিক ভাৱে অকনমান প্ৰিপেয়াৰ হৈ থাকিলে ইলেকশ্যন উইড্ৰ হোৱাৰ এমাহৰ ভিতৰতে আমি এই আঁচনিখন বি টি এ ডি এৰিয়াত লাগু কৰি দিব পাৰিম। কিন্তু বৰ্তমান বি টি এ ডি এৰিয়াত নিৰ্বাচনী আয়োগে এই আঁচনিখনৰ কাৰণে অনুমতি নিদিলে।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ২২। শ্ৰী নুৰুল হুদা। মন্ত্ৰী মহোদয়।

**ডº হিমন্ত বিশ্ব শৰ্মা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী নুৰুল হুদা ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ পাইছো। ২০২০-২১ বিত্তীয় বৰ্ষৰ এচ ও পি ডি ৰাস্তাৰ অনুমোদনৰ প্ৰক্ৰিয়া চলি আছে। গতিকে এই অনুমোদন প্ৰক্ৰিয়া যাতে সোনকালে হয় আৰু অক্টোবৰ-নবেম্বৰত ৰাস্তাৰ কামটো কৰিব পৰা যায় নহ'লে বাৰিষা ৰাস্তাৰ কাম আৰম্ভ হয় আৰু

কামবিলাক সম্পূৰ্ণ নহয়। গতিকে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো আমাৰ এই এচ ও পি ডি ৰ ৰাস্তা সমূহৰ কাম যাতে অক্টোবৰ-নবেম্বৰত আৰম্ভ কৰিব পৰা যায় তাৰ ব্যৱস্থা কৰিব লাগে। মোৰ সমষ্টি আৰু সদৰ সমষ্টিৰ সোনাই চাইডৰিয়াত এটা ৰাজ্যিক পথ আছে। এই ৰাজ্যিক পথটোৰ দৈৰ্ঘ্য ২১ কিলোমিটাৰ। সদৰ সমষ্টিত ৫ কিলোমিটাৰ আৰু ৰূপহীহাট সমষ্টিত ১৬ কিলোমিটাৰ। এই ৰাস্তাটো ইমান বেয়া হৈছে যে তাত পুখুৰী সদৃশ গাত হৈছে। মই নিজৰ পকেটৰ পইচাৰে ভাটাৰ পৰা ইটাৰ টুকুৰা আনি গাত বিলাক ফিলাপ কৰিছিলো কিন্তু আকৌ গাতৰ সৃষ্টি হৈছে। আগতে ও মই মন্ত্ৰী মহোদয়ক এই ৰাস্তাটোৰ কাৰণে আবেদন দিছিলো আৰু আজিও মই এখন আবেদন লিখি আনিছো, ফটো বিলাক ও গাঠি দিছো। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যাতে সোনাই চাৰিডৰিয়া ৰাজ্যিক পথটোৰ অতি সোনকালে যাতে মেৰামতিৰ ব্যৱস্থা কৰি দিয়ে।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰূপহী বিধান সভা সমষ্টিৰ অনুমোদন হ'বলগীয়া আনুমানিক ১৭ কোটি টকাৰ আঁচনি মই ইয়াত সংলগ্ন কৰি দিছো আৰু মই ভাৱো যে আঁচনিকেইখন আমি চেপ্তেম্বৰ মাহৰ ভিতৰতে অনুমোদন কৰিব পাৰিম। তাৰপিছত নিবিদাৰ কাৰণে যিখিনি সময় হয় সেইখিনি হ'ব। ইতিমধ্যে আমি ডিভিজন সমূহত এটা নিৰ্দ্দেশ দিছিলো যে ৮ কিলোমিটাৰ বেয়া ৰাস্তা আকৌ আমাক দিব লাগে যাতে আমি অক্টোবৰ মাহৰ ভিতৰত অনুমোদন কৰিব পাৰো। তাৰবাবে আমি প্ৰত্যেক সমষ্টিত ৮ কোটি টকাকৈ অনুমোদন কৰি দিছো। এই সোনাই চাইৰডৰিয়াৰ ৰাস্তাটো সেই ৮ কিলোমিটাৰৰ ভিতৰত যদি দি দিয়ে তেতিয়াহ'লে আমি লগে লগে কৰি দিব পাৰিম। আজি মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মই আপোনাক অনুৰোধ জনাইছো যে আপুনি অভিযন্তাক ক'ব যে যি ৮ কোটি টকা মোৰ সমষ্টিৰ কাৰণে আহিছে এই ৰাস্তাটোত দি দিয়ক। তাতকৈ অধিক কৰিবৰ কাৰণে এই বছৰ আমাৰ লগত পুঁজি নাথাকিব।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী মামুন ইমদাদুল হক চৌধুৰী।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী (নাওবৈছা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত ২০১৯-২০ বিত্তীয় বৰ্ষৰ কথা কোৱা হৈছে। মাননীয় মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে মই এটা কথা অবগত কৰিব বিচাৰিছো যে ২০১৮-১৯ বৰ্ষত আপোনালোকে যি এচ অ পি ডি দিছিলে এটা ৰাস্তা ও সম্পূৰ্ণ হোৱা নাই। মই বিভাগৰ বিষয়ালৈকে কেইবাবাৰো লিখিলো, চাইড ভিজিট কৰাৰ পিছতো ৰাস্তা কেইটাৰ কাম সম্পূৰ্ণ নহ'ল। মই মন্ত্ৰী মহোদয়ক তালিকাখন দি দিম সেইমতে একশ্যন ললে ভাল হ'ব আৰু ২০১৯-২০ ৰ চেংচন আমাক এতিয়ালৈকে দিয়া হোৱা নাই। এই দুটা কথা মন্ত্ৰী মহোদয়ে ক্লিয়াৰ কৰিলে ভাল হ'ব। ধন্যবাদ।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, কৰ'ণা মহামাৰীৰ কাৰণে আমি এটা austerity measures ৰাখিছিলো যে আমি নতুন আঁচনি অনুমোদন নকৰো। বিত্তীয় অৱস্থা অলপ ভালৰ কাৰণে অহাৰ পৰিপ্ৰেক্ষিতত অহা ৪-৫ দিনৰ ভিতৰত austerity measures ৰ বহুবিলাক কথা আমি উইদ্ৰ কৰিম। তাৰ পৰিপ্ৰেক্ষিতত মই আপোনালোকক প্ৰত্যয় দিয়াব খুজিছো যে ২০১৯-২০ ৰ আঁচনি সমূহ আমি ৩০ চেপ্তেম্বৰৰ ভিতৰত অনুমোদন শেষ কৰি দিম। মই ভাৱো যে অক্টোবৰত যদি আমি নিবিদা কৰিব পাৰো নৱেম্বৰৰ পৰা মাৰ্চ লৈকে আমাৰ মেক্সিমাম ৰাস্তা হৈ যাব। ৩০ চেপ্তেম্বৰৰ ভিতৰত যদি কাৰোবাৰ ৰাস্তা নহয় মোক অনুগ্ৰহ কৰি ব্যক্তিগত ভাৱে জনালে ভাল পাম কিয়নো প্ৰায় ৮০ টা সমষ্টিৰ ইতিমধ্যে অনুমোদন হৈ গৈছে মাত্ৰ ৪০ টা সমষ্টিৰ অনুমোদন হ'বলৈ বাকী আছে। ২০১৮-১৯ বিত্তীয় বৰ্ষৰ ৰাস্তাখিনি কিয় হোৱা নাই মই মোৰ পৰৱৰ্ত্তী ৰিভিউ

মিটিঙত ডেফিনেটলী ৰিভিউ কৰি ল'ম।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী জাকিৰ হুছেইন শিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন শিকদাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে এচ ও পি ডিৰ সম্পৰ্কে কথাখিনি কৈছে। মোৰ সমষ্টিয়ে অনুমোদন পোৱা নাই নিশ্চিত ভাৱে পাম। মাননীয় অধ্যক্ষ মহোদয়, এইবাৰ নামনি অসমত বিশেষকৈ ভূটানৰ কুৰিশ্ব নদীৰ বান্ধ তিনি-চাৰিবাৰকৈ এৰি দিয়াৰ ফলত ৫-৬ বাৰলৈকে বানপানী হৈ যথেষ্টখিনি ৰাস্তা ক্ষতিগ্ৰস্ত হৈছে। আজি মোৰ তৰাবিহীন প্ৰশ্ন নং ৬৩ ৰ উত্তৰত বিভাগে কৈছে যে ১১১ টা ৰাস্তা, ৩ খন দলং আৰু ৫ টা কালভাৰ্টৰ ক্ষতিগ্ৰস্ত হৈছে। এই ক্ষতিগ্ৰস্ত ৰাস্তা-ঘাট খিনি যদি আমি মেৰামতি কৰিব নোৱাৰো যাতায়াতৰ ক্ষেত্ৰত যথেষ্ট অসুবিধা হ'ব। অধ্যক্ষ ডাঙৰীয়া আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ ও জনাম যে যোৱা বছৰ বানপানীৰ কৱলত পৰি সৰুক্ষেত্ৰী সমষ্টিৰ বহু ৰাস্তা-ঘাট ক্ষতি সাধন হৈছিল মন্ত্ৰী ডাঙৰীয়াই প্ৰায় ১৫ কোটিৰ ওপৰত টকা তাত বিভিন্ন আঁচনিৰ নামত আবণ্টন দিছিল। আমি গোটেই ৰাস্তা বিলাক মেৰামতি কৰিছিলো। কিন্তু আকৌ একে অৱস্থা এইবাৰৰ বানপানীয়ে কৰিছে। গতিকে আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো সৰুক্ষেত্ৰী সমষ্টিত যিখিনি ৰাস্তা-ঘাট বানপানীৰ কাৰণে ক্ষতিগ্ৰস্ত হৈছে এই ৰাস্তাখিনিৰ মেৰামতিৰ ক্ষেত্ৰত যিখিনি বিভাগীয় অনুমোদন লাগে অতি সোনকালে দিব। যোৱাবাৰ আমি দেখিছিলো চীফ ইঞ্জিনিয়াৰৰ অফিচৰ পৰা এটা উচ্চ পৰ্য্যায়ৰ গড়কাপ্তানী বিভাগৰ প্ৰতিনিধিৰ দল প্ৰেৰণ কৰিছিল, তেওঁলোকে নিজে চৰজমিন তদন্ত কৰিছিল। তাৰপিছত কোনটো ৰাস্তাত কি ধৰণে এচ্টিমেট বনাব লাগে, কিমান টকা দিব লাগে সেই ব্যৱস্থা লৈছিল। গতিকে যোৱাবাৰৰ দৰে এইবাৰো মন্ত্ৰী মহোদয়ে সেই ব্যৱস্থা কৰাৰ কাৰণে আপোনাৰ জৰিয়তে আহ্বান জনাইছো।

**ড. হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাবাৰ আমাৰ মথাউৰি, ৰাস্তা যি সমূহ বানপানীত বিধ্বস্ত হৈছিল তাক মেৰামতি কৰিবৰ কাৰণে ৰাজ্য চৰকাৰে এটা বিশেষ পুঁজিৰ ব্যৱস্থা কৰিছিলে। এইবাৰ আমাৰ ক'ভিড ১৯ ৰ পৰিবেশৰ পৰিপ্ৰেক্ষিতত আমি তেনেকে সুকীয়া পুঁজি কৰিব পৰা নাছিলো। আমি তাক বিবেচনা কৰিম কিন্তু প্ৰাৰম্ভিক ভাৱে জিলা উপায়ুক্তৰ জৰিয়তে দূৰ্যোগ ব্যৱস্থাপনা বিভাগলৈকে আমি আঁচনি সমূহ প্ৰেৰণ কৰিম। ইতিমধ্যে মই অভিযন্তা সকলক খুব সোনকালে আঁচনি সমূহ দিবৰ বাবে কৈছো যাতে ৰাজহ বিভাগে আৰজেণ্টলী এপ্ৰোভ কৰিব পাৰে। আপোনালোকে অভিযন্তা সকলৰ লগত যোগাযোগ কৰিব মই ও পাৰচিউ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ২৩। ডাঃ নোমল মমিন।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**ডাঃ নোমল মমিন ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সমূহ পালো। কইনাধৰাৰ পৰা গোপীনাথ বৰদলৈ বিমান বন্দৰলৈকে ৰাস্তা বহলী কৰণৰ কাৰণে যিটো ভূমি অধিগ্ৰহণৰ গোটেইখিনি উত্তৰ পাইছো গতিকে ইয়াত বেছি প্ৰশ্ন সুধিব লগীয়া নাই। কিন্তু এটাই অনুৰোধ থাকিল যি সমূহ জনজাতীয় লোকসকল বসবাস কৰা অঞ্চলত ভূমি অধিগ্ৰহণ কৰিব তেনে অঞ্চলত গোপীনাথ বৰদলৈৰ জনজাতীয় লোক সকলৰ প্ৰতি থকা আদৰৰ কথা আমি সকলোৱে অনুভৱ কৰো সেয়ে যেতিয়া ক্ষতিপূৰণ দিয়ে যাতে কোনোধৰণৰ খুত নোহোৱাকৈ তেওঁলোকক ক্ষতিপূৰণ দিয়ে তাৰে মোৰ অনুৰোধ থাকিল।

**ড. হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি যাতে কোনো লোক ক্ষতিপূৰণৰ পৰা বঞ্চিত নহয় আৰু উপযুক্ত ক্ষতিপূৰণ লাভ কৰে সেইটো নিশ্চিত কৰিম।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ২৪। শ্ৰী প্ৰদীপ হাজৰিকা।

**ড. হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী প্ৰদীপ হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰখিনি পাইছো। এটা কথা জানিব বিচাৰিছো যে কিছুমান কলেজত কিছুমান বিষয় ইউনিভাৰ্চিটিৰ পাৰমিশ্যন লৈ খোলা হয়। যেনে ধৰক জিঅগ্ৰাফি বিষয়টো খুলিলে। এই বিষয়টোৰ পাঠদান ছাত্ৰ-ছাত্ৰী লৈ এই ক্লাচটো হৈ আছে। তেনেকুৱা ক্ষেত্ৰত এইটো কি হ'ব? এই কথাটো জানিব বিচাৰিছো। এনেকুৱা বহুত চাবজেক্ট পাৰমিশ্যন লৈ খুলিছে। সেই বিলাক খুব ভালকৈ চলি আছে। এতিয়া সেইটো ক্ষেত্ৰত কি ব্যৱস্থা কৰা হ'ব?

**ড. হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ ২০১১ চনত প্ৰাদেশিকীকৰণৰ আইন অনুমোদন হৈছিল। প্ৰাদেশিকৰণৰ আইনৰ প্ৰথম অৱস্থাত এইখিনি কোৱা হৈছিল যে ২০০৬ চনৰ ভিতৰত চূড়ান্ত অনুমোদন, কনকাৰেঞ্চ আদি সম্পূৰ্ণ কৰা মহাবিদ্যালয় সমূহক হে প্ৰাদেশিকীকৰণ কৰা হ'ব। ২০১৭ চনত আমাৰ চৰকাৰ অহাৰ পিছত এই আইনখন আমি নতুনকৈ প্ৰনয়ণ কৰিলো আৰু বহুত ডাঙৰ ৰিলাক্সচেশ্যন এটা আমি দিলো যে ২০০৬ চনৰ আগতে নথিপত্ৰ সম্পূৰ্ণ নহ'লেও যিকোনো এটা যদি কনকাৰেঞ্চ পাইছে পাৰ্ট ওৱান, পাৰ্ট টু, পাৰ্ট থ্ৰি যি কনকাৰেঞ্চেই নাপাওঁক কিয় তেওঁলোককে আমি প্ৰাদেশিকীকৰণ কৰিম। তাৰ পৰিপ্ৰেক্ষিতত এইবছৰ আমি ৩০ খন নতুনকৈ মহাবিদ্যালয় প্ৰাদেশিকীকৰণৰ দিশত আগবাঢ়িছো। ইয়াৰ পিছত ২০০৬ চনৰ পৰৱৰ্ত্তী সময়ত কলেজ কোনে কিয় প্ৰতিষ্ঠা কৰিলে এই বিষয়ে অলপ জানিব লগীয়া আছে যে কিহৰ কাৰণে স্থাপন কৰিলে। ২০০৬ চনৰ আইনতে কোৱা হৈছিল যে ইয়াৰ পিছত কোনোবাই যদি কলেজ প্ৰাদেশিকীকৰণৰ বাবে প্ৰতিষ্ঠা কৰে সেইটো আইনমতে দণ্ডনীয় হ'ব। তাৰ লগতে দ্বিতীয় ব্যৱস্থা লোৱা হৈছিল যে চৰকাৰে কলেজ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত আগবাঢ়িছে, ৰাইজে কোনো কষ্ট কৰিব নালাগে। ৰাজ্য চৰকাৰে যেনেকৈ হস্পিতাল, বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰে ঠিক তেনেদৰে কলেজ ও ৰাজ্য চৰকাৰে প্ৰতিষ্ঠা কৰিব। পৰৱৰ্ত্তী সময়ত প্ৰায় ১০ খন কলেজ ৰাজ্য চৰকাৰে প্ৰতিষ্ঠা ও কৰিলে আৰু যোৱা কালি আৰু ১৫ খন নতুন কলেজ প্ৰতিষ্ঠাৰ কাৰণে আমি ৰাজ্য চৰকাৰে অনুমোদন দিয়াৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিছো। গতিকে এই বিষয়ে অহা নিৰ্বাচনৰ পিছত নতুন চৰকাৰে নতুন ধৰণে চাব লাগিব যে আইনে বাৰণ কৰা কাম এটা তেওঁলোকে কিয় কৰি আছে। আমি প্ৰাদেশিকীকৰণৰ এই ব্যৱস্থাটোৰ পৰা ওলাই আহিব বিচাৰিছো যাতে ৰাজ্যৰ শিক্ষা বিভাগলৈ স্থবিৰতা নাহে। অৱশ্যে ২০০৬ চনৰ এই সীমা থকাৰ পিছতো সদ্য স্বাক্ষৰিত বড়ো চুক্তিৰ অধীনত বি টি চি এৰিয়াত আমি চনলৈকে নগৈ নীড বেচ কিছু প্ৰাদেশিকীকৰণৰ ধাৰণা এটা আহিছে। খুব সম্ভৱ কালি ৰাজ্য চৰকাৰে এখন সমিতি ও কৰি দিছে যে নীড বেচ মানে আইনৰ জৰিয়তে কি বুজোৱা যাব। অৱশ্যে এইটো বি টি চি বা আন চিক্স চিডুল এৰিয়াৰ ক্ষেত্ৰত হ'ব যিটো বিগত স্বাক্ষৰিত বড়ো চুক্তিত কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু বড়ো সংগঠন সমূহে সিদ্ধান্ত লৈছিলে। পৰৱৰ্ত্তী পৰ্য্যায়ত এই নীড বেচৰ ধাৰণাটো কেনেকৈ ইভ'লভ হয় তাৰ ওপৰত যদি কিবা নতুন কলেজ আহে যায় সেইটো দেখা যাব কিন্তু বৰ্তমান আইনৰ প্ৰেক্ষাপটত ২০০৬ চনৰ পিছত স্থাপিত হোৱা কলেজ বা কনকাৰেঞ্চ লোৱা কলেজৰ ক্ষেত্ৰত তেওঁলোকে এটা প্ৰহিবিটেড এক্টিভিটি এটা কৰিছে আৰু সেই ধৰণে অসম বিধান সভাই আইন এখন পাচ কৰি থৈছে।

**মাননীয় অধ্যক্ষ ঃ** নেক্সত চাপ্লিমেণ্টৰী শ্ৰী আমিনুল ইছলাম।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদ্যহতে ৰাজ্য চৰকাৰে কলেজ, জুনিয়ৰ কলেজ, উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ যি তালিকা ৱেব চাইটত প্ৰকাশ কৰিছে তাত দেখা গ'ল যে

২০১৭ চনৰ যিখন আমি আইন পাচ কৰিছিলো সেই আইন কিছু ক্ষেত্ৰত উলংঘন হৈছে। এই ক্ষেত্ৰত আমি দেখিছো যে যথেষ্ট প্ৰতিক্ৰিয়া হৈ আছে। দেখা গৈছে যে যিসকল কোৱালিফাইড টিছাৰ, যি সকলে ২০১০ চনৰ আগৰ পৰা কাম কৰি আছে, তেওঁলোকৰ সকলো প্ৰয়োজনীয় কোৱালিফিকেশ্যন আছে তাৰ পিছতো সেই সকল বাদ পৰিল। দেখা যায় যে ৰাজ্যৰ বাহিৰৰ বিশ্ববিদ্যালয়, কাণপুৰ, পুণে, কলিকতাৰ পৰা পাচ আউট সকলক লোৱা নাই, সেই সমূহ ভেৰিফাই কৰিব লাগিব বুলি কৈছে কিন্তু আকৌ কিছুমানত তাৰ পৰা পাচ আউট কিছু শিক্ষকৰ নাম ও আহিছে। বহুতক এইটো কোৱা হৈছে কিন্তু তেওঁলোকে বুজি পোৱা নাই যে সকলোখিনি কোৱালিফিকেশ্যন থকাৰ পিছতো ২০১৭ চনৰ এক্ট মতে আমাক কিয় লোৱা নহ'ল। তাৰ লগে লগে দেখা গ'ল যে ২০১০ চনতেই নিযুক্তি পোৱা সকলে ও পোৱা নাই। আকৌ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা পাচ কৰা কিছুমানক ও ড্ৰপ কৰিলে। ২০১৭ চনৰ পৰাই এই স্কুটিনি বিলাক চলি থকাৰ পিছতো এই যে খেলি মেলি বিলাক হ'ল এইটো সংশোধন কেনেদৰে কৰিব মই স্পষ্টভাৱে জানিব বিচাৰিছো।

**ড° হিমন্ত বিশ্ব শৰ্মা (শিক্ষা বিভাগৰ মন্ত্ৰী) ঃ** চাওতে আমি ভুল কৰিব পাৰো আৰু কোনোৱাই ভুল তথ্যও দিব পাৰে সেই কাৰণে আমি এটা প্ৰক্ৰিয়া ৰাখিছো যে আপোনালোকে অভিযোগ দিয়ক। কোনোবা ব্যাক্তিৰ হ'ব লাগিছিল হোৱা নাই। হ'ব নলগা ব্যাক্তিৰ হৈছে, আমি ২০ দিন সময় দিছিলো অভিযোগ দিয়াৰ বাবে । আৰু লাগিলে আমি ১০ দিন বঢ়াই দিম। প্ৰতিটো অভিযোগ পুংখানুপুংখভাবে বিবেচনা কৰাৰ পিচতহে এই প্ৰদেশিকীকৰণৰ তালিকা ১৫ ডিচেম্বৰত নোটিফাই কৰিম। ১ তাৰিখৰ পৰা তেওঁলোকে দৰমহা পাবলৈ আৰম্ভ হ'ব। খেলিমেলি লৈ কিছুমান মোৰ ওচৰলৈ আহিছে- মই কৈছো যে আহিব নালাগে ।অলপতে চৰকাৰে এল পি স্কুলত এপইন্টমেন্ট দিছো ৪ বাৰ প্ৰভিজনেল লিষ্ট উলিয়াইছে। গতিকে কাৰো আপত্তি নাই। ফাৰ্ষ্ট লিষ্টত ভুল থকাটো স্বাভাবিক। গতিকে তেখেতসকলে আমাৰ যিটো ৰেব চাইট দিয়া হৈছে বা তেওঁলোকে Director of Higher Educationৰ কাৰ্য্যালয়ত কম্পপ্লেইন দিয়ক ।প্ৰতিটো অভিযোগ আমি পাৰদৰ্শিতাৰে নিষ্পত্তি কৰাৰ পিছতহে ১৫ ডিচেম্বৰত প্ৰাদেশিকীকৰণৰ অধিসূচনা জাৰি কৰিম। গতিকে বিধায়ক ডাঙৰীয়াইও অভিযোগ দিব পাৰে বা আপোনাৰ ওচৰলৈ অহা কাগজ- পত্ৰখিনি ফৰৱাৰ্ড কৰি ডি পি আই লৈ পঠিয়াব পাৰে। এটা এটাকৈ অভিযোগ নিষ্পত্তি কৰাৰ পিছতহে ১৫ ডিচেম্বৰত আমি Notify কৰিম আৰু ফেব্ৰুৱাৰীত প্ৰথম দৰমহাটো পাব কিন্তু ১ জানুৱাৰীত দৰমহা আৰম্ভ হ'ব। শিক্ষা মন্ত্ৰী হিচাপে মই নকওঁ মোৰ তালিকাখন ১০০ শতাংশ শুদ্ধ - ৰাইজৰ মাজত কথা বতৰা পাতি তালিকাখন শুধৰণি কৰিব লাগিব গতিকে অভিযোগ দিয়াৰ কাৰণে তেওঁলোকক encourge কৰক। অভিযোগ দিলে আমি সংশোধন কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ- এতিয়া কমলেখ্য দে পুৰকায়স্থ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ স্নাতক মহাবিদ্যালয় আৰু কনিষ্ঠ মহাবিদ্যালয়ৰ কথা কোৱা হৈছে। অধ্যক্ষ মহোদয়, ইতিমধ্যে কিছুমান কলেজ provincialised হৈছে বা কিছুমান হ'ব আৰু মন্ত্ৰী মহোদয়ৰ জ্ঞাত যে- মোৰ সমষ্টিটো টাউন বেচ এটা সমষ্টি। সেই কাৰণে যিবিলাক জুনিয়ৰ কলেজ বা কলেজ প্ৰভিনচিয়েলাইজড হ'ল - মানে আমাৰ টাউনৰ কৰিমগঞ্জ কলেজখন ১৯৪৭ চনত Establish হৈছে। তাৰ পিছত অধ্যক্ষ মহোদয় টাউনত বা তাৰ আশে পাশে আমি আৰু কলেজ কৰিব নোৱাৰিলো। এতিয়াও কৰিব নোৱাৰিম , এইটো কাৰণে আমি কৰিব নোৱাৰিম- আমাৰ লেণ্ড নাই বা কিবা আন প্ৰব্লেম আছে।-

প্ৰতিবাৰে মহোদয় ছাত্ৰ- ছাত্ৰী ৰ সংখ্যা বাঢ়ি গৈ আছে- গতিকে মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো ইয়াত চৰকাৰী কলেজ এখন দিব পাৰিনেকি? দ্বিতীয়তে, যিবিলাক জুনিয়ৰ কলেজ বা কলেজ আটাইতকৈ ভাল ৰিজাল্ট কৰিলে তেওঁলোকৰ কাৰনে যদি কিবা ব্যৱস্থা বা ভিজন ডকুমেন্ট নাৰাখো তেনেহ'লে আমাৰ কিবা উপায় আছে নেকি মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বিচাৰছো।

মাননীয় অধ্যক্ষ ঃ ধন্যবাদ--- মিনিষ্টাৰ প্লিছ।

**ড° হিমন্ত বিশ্ব শৰ্মা (শিক্ষা বিভাগৰ মন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয়, এটা সময়ত বিশেষকৈ কংগ্ৰেছ চৰকাৰৰ দিনতে এটা প্ৰশ্ন আহি আছে যে আমি এডুকেশ্যন নীড বেচৰ ওপৰত দিব পাৰো নেকি? তেতিয়া উচ্চ ন্যায়ালয়ে ক'লে দিব নোৱাৰে চিনিয়ৰিটিৰ ওপৰত দিব লাগিব। তেতিয়া বিটিচি বা বি টি আৰ নতুকৈ স্বাক্ষৰিত চুক্তিৰ অধীনত নীডবেচ কনচেপ্টটো প্ৰথমবাৰ উল্লেখিত হৈছে। তাক আমি কেনেকৈ ডেভল'প কৰিব পাৰো এই বিষয়ে আমি ষ্টাডি কৰিম। তেনেকুৱা দুই এখন কলেজ- ধেমাজিতো আছে, ভাল কেম্পাচ, ভাল ৰিজাল্ট- কিন্তু আমি প্ৰাদেশিকীকৰণ কৰিব নোৱাৰো কাৰণ ক্ৰাইটেৰীয়াত নপৰে। এই বিষয়ে আমি চিন্তা চৰ্চা কৰিছো। কৰিমগঞ্জৰ মেডিকেল কলেজ খনো খুলিবৰ বাবে আমি ভূমিৰ বাবে ৰৈ আছো। মই ভাবো যে কৰিমগঞ্জত আমি এটা সিদ্ধান্ত ল'ব লাগে - যিমান চৰকাৰী কাৰ্য্যালয় আছে যেনেকৈ আমি কামৰূপত এটা ইন্টিগ্ৰেটেড অফিছ কৰিছো তেনেদৰে এটা ইন্ট্ৰিগ্ৰেটেড অফিছ কৰি চৰকাৰী কাৰ্য্যালয়ে দখল কৰা ভূমিবিলাক ফ্ৰি কৰিব লাগে নহ'লে কৰিম গঞ্জত একো কামে হ'ব পৰা অৱস্থাত নাই। যদি বিধায়ক ডাঙৰীয়াই মাটি দেখুৱাই দিয়ে তেন্তে মই ভাবো যে আমি নতুন কলেজ এখন কৰাটো একো ডাঙৰ সমস্যা নহ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ- এতিয়া দেবানন্দ হাজৰিকা।

**শ্ৰীদেবানন্দ হাজৰিকা (বিহপুৰীয়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সন্মানীয় মন্ত্ৰীৰ পৰা দুটামান কথা জানিব বিচাৰিছো। কিছুমান কলেজ টিচাৰ এনৰোলমেন্ট প্ৰব্লেমৰ কাৰণে প্ৰাদেশিকীকৰণৰ আওতালৈ অহা নাই । সেয়ে কথাটো এনেকুৱা হৈছে- তেওঁলোকৰ অপশ্যনেল চাবজেক্টত আমি এনৰোলমেন্টটো সদায় ফ্লাকচুৱেশ্যন যিহেতু কৰি থাকে গতিকে এই বিষয়ত আৰু অধিক চিন্তা কৰি তেওলোকক প্ৰভিন্সিয়েলাইজেশ্বনৰ আণ্ডাৰলৈ আনিবলৈ মই অনুৰোধ জনাইছো। দ্বিতীয়তে, নিড্চ বেচৰ ক্ষেত্ৰত যিহেতু ইউ জি চি নৰ্মচ আছে সেই ইউ জি চি নৰ্মচটোহে ফলো কৰিবলৈ মই অনুৰোধ জনাইছো। আমাৰ ষ্টেটৰ যিটো নৰ্মচ- গাইড লাইন সেইটো ফলো নকৰিলে অসুবিধা হয়। তৃতীয়তে মোৰ সমষ্টিত শংকৰদেব কলেজখনত বিজ্ঞান শাখাটো খোলাৰ বাবে ৫০ খন কলেজৰ ভিতৰত নামটো আছিল, এতিয়া এই বছৰৰ পৰা সেইটোত আৰম্ভ কৰিব নেকি এই বিষয়ে মই জানিব বিচাৰিছো। আৰু এখন সৰ্ব্বেশ্বৰ বৰুৱা কনিষ্ঠ মহাবিদ্যালয়- তাত enrollment Norms সকলো পূৰ্ণ হোৱাৰ পিচতো Provincialisation ৰ আওতালৈ অহা নাই। এই বিষয়েও মই অলপ জানিব বিচাৰিছো। ধন্যবাদ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** মিনিষ্টাৰ প্লিছ।

**ড° হিমন্ত বিশ্ব শৰ্মা (শিক্ষা বিভাগৰ মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, এনৰোলমেন্ট নাথাকিলে বিচাৰ কৰিব নেকি, এনৰোলমেন্ট শব্দটো ইংৰাজীত কোৱা কাৰণে খেলিমেলি হৈ যায়। আপুনি পোনপোটীয়াকৈ কৈছে যে ছাত্ৰ নাই শিক্ষকক প্ৰাদেশিকীকৰণ কৰিব লাগে। ছাত্ৰ নোহোৱা কলেজখনত শিক্ষকক প্ৰাদেশীকিকৰণ কৰাতকৈ সেই শিক্ষক গৰাকীক Inspector of Tax বা আন পোষ্টলৈ লৈ যোৱাটো ভাল। কাৰণ ছাত্ৰ যেতিয়া নাপাব তেতিয়া দিনৰ দিনটো ফেচ বুক বা চোচিয়েল মিডিয়াত

ব্যস্ত হৈ থাকিব। মই ভাবো যে যদি আমি মানবীয়তাৰ কথা কওঁ বেলেগ কথা চিন্তা কৰিব লাগে। যেনে কৃষি বিভাগৰ খালি পোষ্টত দিব পৰা যায় নেকি অথবা ডি চি অফিচৰ খালি থকা পোষ্টত। কিন্তু ছাত্ৰৰ এনৰোলমেন্ট নথকা স্কুলত বা ছাত্ৰ জন নাহে বুলিও তেওলোকে কৈ দিছে যে, এইটো অপশ্যনেল চাবজেক্ট- ভৱিষ্যতেও ছাত্ৰ অহাৰ সম্ভাৱনা নাই। তাতে আমি শিক্ষক নিযুক্তি কৰাটো যুক্তপূৰ্ণ নহয়- We are Trusty. we are not King. ৰাইজে আমাক বিধান সভালৈ পঠিয়াইছে যে চৰকাৰৰ প্ৰতিটো টকা আমি জনকল্যাণত খৰছ কৰিম। এই কথাটো আমাক অৰ্পণ কৰা দায়িত্বৰ বিপৰীতে হ'ব। গতিকে এনেধৰণৰ কথাবিলাকৰ ক্ষেত্ৰত আমি চাব লাগিব যে তেখেতক আন চাকৰিত অগ্ৰাধিকাৰ দিব পাৰি নেকি ? কিন্তু এনৰোলমেন্ট নোহোৱা স্কুলত শিক্ষক প্ৰাদেশিকীকৰণ কৰিলে এন ৰোলমেন্ট থকা স্কুলৰ শিক্ষকক demoralise কৰে। দ্বিতীয় প্ৰশ্নটোৰ ক্ষেত্ৰত- আমি ৫০ খন স্কুলত বিজ্ঞান শাখা কৰিব বিচাৰিছিলো কিন্তু চৰকাৰৰ আৰ্থিক অৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি এইবাৰ আমি ১৬ খনতহে কৰিব পাৰিলো। ৫০ খন তালিকাভূক্ত হৈ আছে অনাগত দিনত বিত্তীয় পৰিস্থিতি সাপেক্ষে আমি এখন -দুখনকৈ আগবাঢ়ি গৈ থাকিম। মই ভাবো আমি ইউ জি চি নৰ্মচটোৱে মানি থাকিব লাগে - কিবা যদি ষ্টেট নৰ্মচ কৰিছে তেওলোকে এই বিষয়টো মই চাই দিম।

**মাননীয় অধ্যক্ষ ঃ** কোৱেশ্বন নং- ২৫- নন্দিতা দাস

**ড° হিমন্ত বিশ্ব শৰ্মা (শিক্ষা বিভাগৰ মন্ত্ৰী)** অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰীমতী নন্দিতা দাস (বকো) ঃ** মাননীয় অধ্যক্ষ মহোদয় মই যিটো প্ৰশ্ন কৰিলো স্কুলৰ ক্ষেত্ৰত। লাম্পিত স্কুলৰ সংখ্যাৰ ক্ষেত্ৰত। উত্তৰ পাইছো কিন্তু মোৰ হাতত যিখিনি তথ্য আছে , শুদ্ধ উত্তৰ মই পোৱা নাই। মই সুধিছিলো যে কেইখন স্কুল আছে- কিন্তু তথ্যত এখন স্কুল বুলি উল্লেখ আছে কিন্তু মোৰ তথ্য মতে ইয়াত ৪ খন স্কুল আছে। চৰকাৰী তথ্য উল্লেখিত লাম্পি এম ই আঞ্চলিক হাইস্কুলখনৰ বাহিৰেও তাত ৩ খন স্কুল আছে। লোৱাৰ লাম্পি ভানু ভক্ত এল পি স্কুল, আপাৰ লাম্পি হৰ্ষ নগৰ এল পি স্কুল, আৰু মকেবাৰী বৃন্দাবন এল পি স্কুল। তথ্যত কি কাৰণে নাহিল মই নাজানো। এই বিষয়ে উত্তৰ মই মন্ত্ৰী মহোদয়ৰ পৰা বিচাৰিম। অধ্যক্ষ মহোদয় সকলোৱে জানে লাম্পি মেঘালয়- অসম সীমান্ত অঞ্চল। অতি বিবাদমান অঞ্চল। পূৰ্ব্বৰে পৰা অসমৰ মাটি মেঘালয়ে আগ্ৰাসন কৰি আহিছে- অসমৰ মাটিত তেওঁলোকে চৰকাৰী প্ৰতিষ্ঠান, গীৰ্জা, ক্লাব ঘৰ,ৰাস্তা, বজাৰ ইত্যাদি বহুখিনি নিৰ্মাণ কৰিছে। কিন্তু অসম চৰকাৰে লাম্পিৰ উন্নয়ণৰ বাবে যিখিনি অনুদান দিছে কামবোৰ কৰিব পৰা নাই কাৰণ তেওলোকে বাধা প্ৰদান কৰে। এইক্ষেত্ৰত মই বিচাৰো যিকোনো অসম চৰকাৰৰ আঁচনি তাত ৰূপায়ণ কৰিব লাগে কিন্তু মই দেখিছো বহু আঁচনি তাত ৰূপায়ণ কৰিব পৰা নাই। অলপতে এটা আউটপোষ্ট তাত এলোটমেন্ট হৈছিল -সেইটো নিৰ্মাণ কৰিব নিদিলে। কেইবাটাও পি এম জি এচ ৱাই ৰাস্তা ৰ আঁচনি নিৰ্মাণ কৰিব নিদিলে। এটা ঘগুৱালৈ যোৱা ৰাস্তা মই এচ এ পি ডিত দিছিলো কিন্তু কৰিব নিদিলে। মই প্ৰশ্ন সুধিছিলো যে তাত হাই স্কুল আছেনে ? কিন্তু তাত হাই স্কুল নাই। মই বিচাৰো যে লাম্পি অঞ্চলটোত শিক্ষাৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগে। যিহেতু সেইটো বিবাদমান অঞ্চল। এতিয়া তাত হাইস্কুল স্থাপন কৰিব পৰা ব্যৱস্থা কৰিবনে নাই ? আৰু এটা কথা কওঁ মহোদয় ভানুভক্ত স্কুল খন ১৯৬৬ চনতে স্থাপন কৰা হৈছিল কিন্তু স্কুলখনত এটা মাত্ৰ শ্ৰেণী কোঠা। তাত ৰান্ধনী ঘৰ নাই- স্কুলখনৰ অৱস্থা নাই। স্কুলৰ নামটো কিন্তু আজি ৰিপ্লাইত নাহিল। গতিকে এই কথাটো মন্ত্ৰী মহোদয় পৰা জানিব বিচাৰিছো আৰু শিক্ষাৰ ক্ষেত্ৰত যাতে লাম্পি অঞ্চলত প্ৰযোজনীয় গুৰুত্ব দিয়ে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অৱগত কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মিনিষ্টাৰ প্লিজ।

**ড° হিমন্ত বিশ্ব শৰ্মা (শিক্ষা বিভাগৰ মন্ত্ৰী)** অধ্যক্ষ মহোদয়, আমি সদনত কৰা প্ৰশ্নসমূহৰ উত্তৰ এটা নিৰ্দ্দিষ্ট প্ৰক্ৰিয়াৰ জৰিয়তে আমালৈ আহে। বিধায়িকা মহোদয়াই কৈছে যে, ৬উত্তৰটো সম্পূৰ্ণ শুদ্ধ নহয়। এই কথাটো চাবৰ বাবে মই Director Elementary Education ক দায়িত্ব দিম। যদি বিসংগতিপূৰ্ণ উত্তৰ আহিছে তাক শুদ্ধ কৰি আমি তাক সদনৰ অধ্যক্ষ মহোদয়ক অৱগত কৰিম।

**মাননীয় অধ্যক্ষ ঃ** আপুনি লিষ্টখন দিব।

**শ্ৰীমতী নন্দিতা দাস (বকো) ঃ** অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উদ্দেশ্য আছিল যে, হাই স্কুল নাই। স্কুলৰ শ্ৰেণীকোঠা নাই, ৰান্ধনী ঘৰ নাই। ৰাস্তা ঘাট নাই। এইবিলাক হ'ব লাগে। মেঘালয়ে কৰিব নিদিয়া আঁচনিবিলাক হ'ব লাগে।

**ড° হিমন্ত বিশ্ব শৰ্মা (শিক্ষা বিভাগৰ মন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয়, বিধায়িকা গৰাকীৰ পৰামৰ্শখিনি চৰকাৰে গুৰুত্বসহকাৰে বিবেচনা কৰিব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ- এতিয়া কোৱেশ্চন নং- ২৬ অশোক শৰ্মা ।

**ড° হিমন্ত বিশ্ব শৰ্মা (শিক্ষা বিভাগৰ মন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰীঅশোক শৰ্মা (নলবাৰী) ঃ** অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী সৰ্ব্বা নন্দ সোনোৱাল ডাঙৰীয়াৰ নেতৃত্বত গঠিত হোৱা মিত্ৰ জোঁটৰ চৰকাৰ খনৰ গড়কাপ্তানী বিভাগক ধন্যবাদ জ্ঞাপন কৰিছো উত্তৰখিনি সুন্দৰভাবে দিয়া বাবে। বিগত এই চৰকাৰখনৰ কাৰ্য্যকালত নলবাৰী জিলাৰ সমষ্টিকে ধৰি বাট পথৰ উন্নয়নৰ বাবে যিখিনি ধনৰ আবন্টন দিছে সেইখিনিৰে আমি যিমানখিনি কাম কৰিব পাৰিছো পূৰ্ব্বৰ চৰকাৰৰ দিনত সেইখিনি হোৱা নাছিল। সেই কাৰণে মই বিশেষভাবে গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। নলবাৰী সমষ্টিটোত কৃত্ৰিম বানপানীৰ সমস্যা আছে। সেইটোৰ কাৰণে কিছু ব্যৱস্থা আমি লৈছো। মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাব বিচাৰিছো যে, এই কৃত্ৰিম বানপানীৰ সমস্যা সমাধান কৰাৰ কাৰণে তেখেতে যাতে আমাক গুৰুত্ব দিয়ে। দ্বিতীয়তে আনটো সমস্যা হ'ল নলবাৰী আৰু বৰমা সমষ্টিটোৰ মাজত এটা ঐতিহাসিক ৰাস্তা আছে। নামটো " গোসাই কমল আলি" সেইটো সম্পূৰ্ণ কৰাৰ বাবে এই বাৰ আকৌ আমি এচ ও পি ডিত ধৰি দিছো। এই ৰাস্তাটো কৰিব দি জনসাধাৰণৰ যাতায়ত ব্যৱস্থাটো যাতে উন্নত কৰে। এই ঐতিহাসিক ৰাস্তাটো নিৰ্মান কৰি চৰকাৰখনে যাতে এটা ভাল নিদৰ্শন দাঙি ধৰে। তাৰ বাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**অধ্যক্ষ মহোদয় ঃ** মন্ত্ৰী ডাঙৰীয়াৰ উত্তৰ

**ড° হিমন্ত বিশ্ব শৰ্মা (শিক্ষা বিভাগৰ মন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয়, নলবাৰী জিলাৰ বানপানীৰ সমস্যাটো সমাধানৰ বাবে আমাৰ পি ডব্লিউ ডি ডিভিজনৰ ফালৰ পৰা এটা আঁচনি প্ৰস্তুত কৰিছে। এই আঁচনি আমাৰ ওচৰলৈ অহাৰ পিচত- কিমান টকা -পইচা লাগিব চৰকাৰে এটা ভিউ ল'ব পাৰিব। এই বিষয়টোৰ ক্ষেত্ৰত ইতিমধ্যে প্ৰাক্কলন প্ৰস্তুতৰ কাম চলি আছে। গোঁসাই কমল আলি পথটোৰ ক্ষেত্ৰত সমষ্টিসমূহত যি ৰাস্তা এইবাৰ আমি দিব দিছিলো যদি নলবাৰীৰ ক্ষেত্ৰত সেইটো বন্ধ হৈ আছে তেতিয়াহ'লে আমি চেপ্টেম্বৰ বা অক্টোবৰ মাহৰ ১৫ তাৰিখে আমি অনুমোদন দিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** এইটো কোৱেশ্চন ৰিলেটেড টু নলবাৰী গতিকে নলবাৰী সম্পৰ্কত আপোনাৰ কিবা কোৱেশ্চন আছে নেকি? আপোনাৰ সমষ্টিত কওঁক ।

**শ্ৰীৰফিকুল ইছলাম (জনীয়া)ঃ** অধ্যক্ষ মহোদয় ইয়াৰ পিছত যিটো কোৱেশ্চন আছিল গুনীন্দ্ৰ নাথ দাস ডাঙৰীয়াৰ নলবাৰী- দৌলাশাল হৈ যিটো আমাৰ ষ্টেট হাইৱে আমিন গাওঁৰ পৰা দৌলাশাল হৈ

নলবাৰী- বৰপেটা গৈছে ২ ক.মি ৰাস্তা ক্ষুদ্ৰকুছি বুলি কয় জনীয়া সমষ্টিৰ মাজত বাকী আছে। মই যোৱাবাৰ বিধান সভাত কৈছিলো, মন্ত্ৰী মহোদয়েও চাব বুলি কৈছিল কিন্তু হঠাৎ ২৪ তাৰিখে লক ডাউন হৈ গ'ল আৰু তাৰ পিছত মন্ত্ৰী মহোদয় ব্যস্ত হৈ গ'ল। তেখেতক লগ পোৱাৰ সুবিধা নহ'ল। এই পথছোৱাৰ কামখিনি ক্ষুদ্ৰ কুছিত নোহোৱা বাবে স্থানীয় ৰাইজেও কষ্ট ভোগ কৰিছে গতিকে মন্ত্ৰী মহোদয়ক সোনকালে সম্পুৰ্ণ কৰি দিবলৈ অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, মন্ত্ৰী ডাঙৰীয়াৰ ৰিপ্লাই।

**ড° হিমন্ত বিশ্ব শৰ্মা (শিক্ষা বিভাগৰ মন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয় এই পথছোৱা নিৰ্মাণৰ বাবে আমি বিশ্ব বেংকৰ সাহায্যত কাম কৰিছিলো। কিন্তু ২০১৯ চনত বিশ্ব বেংকে এই স্কীমটো বন্ধ কৰি দিয়ে। তেওঁলোকৰ সময় সীমাৰ ভিতৰত যিমানখিনি দিব পাৰিছিলো তেওঁলোকে সিমানখিনি হে অনুমতি দিছিল। ৰাইজৰ ওজৰ আপত্তিৰ কাৰণে আমি এই ২ কি.মি পথ সম্পূৰ্ণ কৰিব পৰা নাই। ২ ক.মি পথত খুব বেছি খৰছ নহয় কিন্তু ৰাইজৰ ওজৰ আপত্তিখিনি নিস্পত্তি কৰিব পৰা যায় তেতিয়া হ'লে বাকী কামখিনি আমি নিজৰ অৰ্থেৰে আগবাঢ়িব পাৰিম। গতিকে মই বিধায়ক গৰাকীক অনুৰোধ কৰিম যে জিলা উপায়ুক্তৰ সৈতে আলোচনা কৰি মাটি অধিগ্ৰহণৰ বিষয়টো নিষ্পত্তি কৰি দিয়ক। যদি লেণ্ড ৰিকুজেশ্যনৰ সমস্যাটো সমাধান কৰি দিয়ে বাকীখিনি আমি State Scheme ৰ দ্বাৰা কৰি দিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ- কোৱেশ্চন নং ২৮ অনুপস্থিত । এতিয়া কোৱেশ্যন নং- ২৯ পবিন্দ্ৰ ডেকা।

**শ্ৰীঅতুল বৰা (কৃষি মন্ত্ৰী) ঃ** উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে ।

**শ্ৰীপবিন্দ্ৰ ডেকা (পাটাছাৰকুছি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে- যোৱা বানপানীত ২ লাখ ৩০ হাজাৰ হেক্টৰ খেতি মাটি নষ্ট হৈছে। যোৱা বাৰ প্ৰায় ১০০০ কোটি টকা ক্ষতি হৈছে। মই কৈছিলো যে ৰবি শস্যৰ কি কি আঁচনি লোৱা হৈছিল ? মন্ত্ৰী ডাঙৰীয়াই কৈছে যে RKVY , NFSM ইত্যাদি আঁচনি লোৱা হৈছে। ৰবি শস্য চেপ্টেম্বৰৰ মাজ ভাগৰ পৰাই আৰম্ভ হ'বই গতিকে সোনকালে ৰবি শস্যৰ বীজ বিলাক জিলাবিলাকলৈ পঠোৱাৰ ব্যৱস্থা কৰিবলৈ মই তেওঁক অনুৰোধ কৰিলো। কিয়নো এইবাৰ শালি খেতিৰ যি বীজ দিলে সেইটো অলপ হৈছে গতিকে জিলা বা চাৰ্কোল বিলাকত পৰ্য্যাপ্ত পৰিমানে বীজ দিয়াৰ ব্যৱস্থা কৰে যেন।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মিনিষ্টাৰ ডাঙৰীয়া

**শ্ৰীঅতুল বৰা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ পৰামৰ্শৰ বাবে ধন্যবাদ জনাইছো, আমি যিমান পাৰো দিম, বেছিকৈ দিবলৈ যত্ন কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

## Point of Order

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** চাৰ।

**মাননীয় অধ্যক্ষ ঃ** অলপ সকলো বহিব, পিছত সকলোকে হাত দাঙিব দিম। আমি সকলোৱে জানো যোৱাকালি আমাৰ ভাৰতৰ এজন সুযোগ্য সন্তান ভাৰত ৰত্ন প্ৰণৱ মুখাৰ্জী ডাঙৰীয়াৰ দেহাৱসান হ'ল। আমি প্ৰকৃততে আজি পুৰা সকলো সদস্যকে খবৰটো দিব নোৱাৰিলো, সময়টো ৰাখিবৰ বাবে, পুৰা ভাৰিছিলো, সেই কাৰণে যি সকল সদস্যই পুস্পাঞ্জলী দিছে সেইটো ঠিকেই আছে। আমাৰ সকলো দলৰ দলপতিকো খবৰ দিয়াৰ সম্ভৱ নহ'ল কাৰণে আমি এতিয়া হাউচত আপোনালোকে যদি এলাও কৰে ৫ মিনিট সময় স্থগিত ৰাখি এই কামখিনি আনুস্থানিক ভাৱে কৰাৰ কথা ভাৰিছো।

বাকী আগতে দিয়াটো ঠিকেই আছে কিন্তু হাউচৰ ফালৰ পৰা এবাৰ আনুস্থানিক ভাৱে দিম। আগতে মৃত্যু প্ৰসঙ্গটো পঢ়ি দিম নেকি? তেখেতৰ মৃত্যু প্ৰসঙ্গটো পঢ়ি দিছো।

চতুৰ্দশ অসম বিধান সভাৰ ত্ৰয়োদশ তথা শৰৎকালীন অধিৱেশন চলি থকা কালছোৱাতে যোৱা ইংৰাজী ৩১ আগষ্ট, ২০২০ তাৰিখে দেশলৈ বিশেষ বৰঙণি আগবঢ়োৱা ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি, ভাৰত ৰত্ন, কেন্দ্ৰীয় মন্ত্ৰী, সাংসদ তথা জ্যেষ্ঠ ৰাজনৈতিক নেতা প্ৰণৱ মুখাৰ্জীৰ পৰলোক প্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৮৪ বছৰ। অতি দুখ আৰু ব্যথিত হৃদয়ৰে প্ৰয়াত প্ৰণৱ মুখাৰ্জী ডাঙৰীয়াৰ বিয়োগত এই পবিত্ৰ সদনৰ মজিয়াত শোক প্ৰকাশ কৰিবলৈ লোৱা হৈছে।

১৯৩৫ চনত জন্ম গ্ৰহণ কৰা মুখাৰ্জী ডাঙৰীয়াই ২০১২ চনৰ পৰা ২০১৭ চনলৈ ভাৰতৰ ত্ৰয়োদশ গৰাকী ৰাষ্ট্ৰপতিৰ পদত অধিষ্ঠিত হৈছিল। তেখেতে ৰাজনৈতিক জীৱনত ১৯৬৯ চনৰ পৰা ২০০২ চনলৈ ৰাজ্যসভাৰ সদস্য, ২০০৪ চনৰ পৰা ২০১২ চনলৈ লোকসভাৰ সদস্য, ১৯৮০ চনৰ পৰা ১৯৮৪ চনলৈ ৰাজ্য সভাৰ দলপতি, ২০০৪ চনৰ পৰা ২০১২ চনলৈ লোকসভাৰ দলপতি হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ লগতে ১৯৯১ চনত বিত্ত পৰিকল্পনা আয়োগৰ উপাধ্যক্ষ, ২০০৪ চনত প্ৰতিৰক্ষা, ২০০৬ চনত বহিঃ পৰিক্ৰমা আৰু ২০০৯ চনত বিত্ত বিভাগৰ মন্ত্ৰী হিচাপে সেৱা আগবঢ়াইছিল। ইয়াৰ উপৰিও মুখাৰ্জী ডাঙৰীয়াই বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত থাকি নিষ্ঠাৰে সেৱাৰ বৰঙণি আগবঢ়োৱাৰ লগতে বহু গুৰু দায়িত্ব বহন কৰিছিল। ২০১৯ চনত মুখাৰ্জী ডাঙৰীয়া ভাৰত ৰত্ন সন্মানেৰে সন্মানিত হোৱাৰ উপৰিও জীৱন কালত বহু উচ্চস্তৰীয়া বঁটা ও সন্মানেৰে বিভূষিত হৈছিল।

এই গৰাকী ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি, কেন্দ্ৰীয় মন্ত্ৰী, সাংসদ তথা জ্যেষ্ঠ ৰাজনৈতিক নেতাৰ মৃত্যুত দেশ খনৰ জাতীয় জীৱনত এক পূৰাব নোৱাৰা ক্ষতি হ'ল।

আমি এতিয়া সদনৰ বাহিৰত গৈ আনুস্থানিক ভাৱে সদনৰ হৈ সকলোৰে পুস্পাঞ্জলী দি আনুস্থানিকতা কৰাৰ পিছত আমি ইয়াত আহি এক মিনিট সময় নিৰৱে প্ৰৰ্থনা কৰিম। তাৰ পিছত আমি সদন পুনৰ আৰম্ভ কৰিম। এইকন সময় মই সদন সাময়িক ভাৱে স্থগিত কৰি ৰাখিছো। সকলোৰে আহক। সদন পুনৰ ১০.৪২ বজাত আৰম্ভ হয়।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** Sir, Point of Order.

**মাননীয় অধ্যক্ষ ঃ** দিম ৰ'ব, অলপ সময় ৰ'ব। আমি এক মিনিট কাল থিয় হৈ তেখেতৰ বিদেহী আত্মাৰ সদগতি আৰু চিৰশান্তি কামনা কৰি প্ৰাৰ্থনা কৰিম। প্ৰয়াত প্ৰণৱ মুখাৰ্জী ডাঙৰীয়া আমাৰ দেশৰ এজন মেধাসম্পন্ন সন্তান আছিল। মোৰ এতিয়াও মনত আছে নেচনেলাইছ বেংক বিলাকৰ এখন মিটিঙত তেখেত তেতিয়া বিত্ত মন্ত্ৰী আছিল সকলোৰে চৰকাৰৰ টকা পইচা বিচাৰিছিল যে আমি কিমান সাহাৰ্য্য দিব লাগে, তেতিয়া তেখেতে এটা লাইন কৈছিল যে যেতিয়া আমাৰ ঘৰত এটা শিশু হয় আমি তাক হাতত ধৰি ৰাস্তা পাৰ কৰাও আৰু শিশুটো গৈ যেতিয়া ১৬-১৭ বছৰীয়া হয় বা ২০ বছৰীয়া হ'লে তেতিয়া তেওঁক হাতত ধৰি পাৰ নকৰাও, তেতিয়া তেওঁক নিজে পাৰ হ'বলৈ দিও। যদি তেওঁক হাতত ধৰি মাক দেউতাকে পাৰ কৰাই তেতিয়া বুজিব লাগিব যে তেওঁ হয়তো শাৰিৰীকভাৱে অক্ষম আৰু নহ'লে মানসিক ভাৱে বিকাৰগ্ৰস্ত। এতিয়া বেংক বিলাকৰ ইমান বছৰ পাৰ হোৱাৰ পিছত যদি চৰকাৰৰ পইচা বিচাৰি থাকে এইটো কেনেকৈ হ'ব। মই এই মিটিং খনত থাকিবলৈ পাইছিলো। তেখেতৰ উপস্থিত বুদ্ধি আৰু পাণ্ডিত্য যথেষ্ঠ আছিল। এতিয়া সকলো সদস্য আহি পালে চাগৈ। ঠিক আছে এইকন সময় এই কাৰণে লৈছিলো। ঠিক আছে এতিয়া আমি সকলোৰে প্ৰয়াত প্ৰণৱ মুখাৰ্জী ডাঙৰীয়াৰ পৱিত্ৰ স্মৃতিত আৰু তেখেতৰ বিদেহী আত্মাৰ সদ্‌গতি আৰু চিৰশান্তি

কামনাৰ বাবে এক মিনিট সময় ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰোঁ। ওমঃ শান্তি।

এতিয়া আৰু সদন দুদিনহে আছে গতিকে পইন্ট অৱ অৰ্ডাৰ বুলি বহুত কিবাকিবি নুসুধিব। যাতে আমি আলোচনালৈ যাব পাৰোঁ। ইফালে আমাৰ গুৰুজ্যোতি দাসে কিবা এটা কব বিচাৰিছিল। এতিয়া কমলাক্ষ দে পুৰকায়স্থ আপুনি কওঁক।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ** আমাৰ সন্মানীয় সদস্য ঋতুপৰ্ণ বৰুৱাৰ প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে যিটো ক'লে যে ইতিমধ্যে criteria ঠিক কৰা হৈছে। বিধৱা পেঞ্চন, আনমেৰিড, হেন্দিকেপ যিসকল মানুহে পাব সিহঁতক অৰুণোদয় আঁচনিত অন্তৰ্ভুক্ত কৰিব পাৰিম। মোৰ পৰামৰ্শটো এইটো আছিল যে অধ্যক্ষ মহোদয়, মই আগতেও কৈছিলো বিধৱা পেঞ্চনৰ লিষ্টটো চি ই ও অফিচত আছেই, আমাৰ আনমেৰিডৰ লিষ্টটো সমাজ কল্যাণ বিভাগত আছে, আমাৰ হেন্দিকেপৰ লিষ্টটো সমাজ কল্যাণ বিভাগত আছে, সেইটো কাৰণে মই ভাৱো যি এনেকৈ কমিটি বনাবলৈ গৈ আকৌ বিভ্ৰান্তি হ'ব। সেইটো কাৰণে যিহেতু চৰকাৰৰ হাতত লিষ্টটো আছেই যদি তেনেহলে সেই লিষ্টৰ পৰা যদি চিলেক্চনটো হৈ যায় তেনেহলে বস্তুটো সহজ হ'ব। এইটো মোৰ পৰামৰ্শ ৰাখিলো, অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** আপুনি মন্ত্ৰীক এখন চিঠি দিব।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ** আমি দলৰ ফালৰ পৰা দিম চাগৈ।

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ তৰাবিহীন প্ৰশ্ন নং ৫০ (a), ইয়াত এটা বৰ গুৰুত্বপূৰ্ণ কথা উল্লেখ কৰা হৈছিল সেইটো হ'ল মন্দিয়াত থকা মন্দিয়া বজাৰত য'ত মাটিৰ মূল্য অতিকৈ মূল্যবান এতিয়া ৪-৫ কোটি টকা প্ৰতি বিঘাত, তাত ২ কঠা মাটি ১৯৫৬-৫৭ চনতে এজন ডাঙৰ মানুহে দান কৰিলে আই বি বনোৱাৰ কাৰণে। আই বি চলি আছে চাৰ, ১৯৫৬-৫৭ চনৰ পৰা চলি আছে। কিন্তু আজি সেই আই বি টোৰ ক্ষেত্ৰত কোৰ্টে ৰায় দিছে সেই বেলেগ এজন মানুহে ডিমাণ্ড কৰিছিল তেওঁৰ ফেভাৰত ৰায় দি দিলে, ইয়াৰ মূল কাৰণ হ'ল এই যে ১৯৫৬-৫৭ চনৰ পৰা আই বি (PWD) টো চৰকাৰে ব্যৱহাৰ কৰি আছে আৰু ৰেভিনিউ ৰেকৰ্ডটো আছে, তৎসত্বেও কোৰ্টে যে PWD ৰ বিৰুদ্ধে ৰায়টো দিলে তাৰ মূল কাৰণ হ'ল চৰকাৰী Pleaderৰ wilful negligency. আৰু ইয়াত স্বীকাৰো কৰিছে, ২৪ মাৰ্চৰ এটা প্ৰশ্ন উত্তৰত স্বীকৰো কৰিছে। মোৰ প্ৰশ্ন আছিল Is it true that the Govt. Pleader kept the PWD Department in dark about the decree and now the Appeal shall suffer from delay for 7 months? তেওঁ wilful negligency কৰিছে, এটা ডাঙৰ ভুল কৰিলে। দ্বিতীয় কথাটো হ'ল বিক্ৰী হোৱাৰ পিছত চৰকাৰৰ বিভাগক জনোৱা নাই। এতিয়া Now the case suffer from delay and Government can not go for Appeal. গতিকে যদিও ইয়াত কৈছে যে The Department will consult with the Judicial Department in this regard. কিন্তু মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে অনুৰোধ কৰিব খোজো আজি এজন চৰকাৰী Pleaderৰ wilful negligency ৰ কাৰণে দুটা আই বি আছে, গড়কাপ্তানী বিভাগৰ ৫ কোটি টকীয়া সম্পত্তি যাব। এই চৰকাৰী Pleader জনৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা হ'ব লাগে। It is veary serious issue. গতিকে ইয়াত যিহেতু এতিয়া মাননীয় মন্ত্ৰী উপস্থিত নাই সেইবাবে আপোনাৰ জৰিয়তে মই অনুৰোধ কৰিছো যাতে সেই চৰকাৰী Pleader জনৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা হয় আৰু কোনো পদ্ধেই যাতে মাটি পি দব্লিউ বিভাগৰ হাতৰ পৰা নাযায়। এই একেটা প্ৰশ্নতে চাৰ, মই কেইটামান পি এন জি এচ ৱাই ৰ

পেকেজৰ construction quality ৰ কথা উল্লেখ কৰিছিলো আৰু কিমান টকা অনুমোদন হৈছে কিমান মুকলি হ'ল এই বিষয়ে তথ্য বিচাৰিছিলো। ইয়াত চাৰ, কুৱালিটিৰ ক্ষেত্ৰত যদিও বিভাগে স্বীকাৰ কৰা নাই যে কুৱালিটি বেয়া হৈছে, মই তিনিটামান পেকেজ আমি উল্লেখ কৰিব খুজিছো AS-01-310, AS-01-247, AS-01-331, AS-01-202 এই চাৰিটা পেকেজৰ কথা মই আজি উল্লেখ কৰিলো। এই চাৰিটা পেকেজৰ বেছিভাগৰে ৫০ শতাংশৰ বেছি কাম হোৱা নাই। গোটেই ৰাস্তা এটা বানপানীতে ভাঙিচিঙি শেষ হৈছে। কি বনালে, construction quality কি ? বিশেষকৈ এই যে AS-01-310, AS-01-331, AS-01-241 and AS-01-202 এই কেইটাৰ ৰাস্তাৰ এতিয়া চিনচাব নাই। বনোৱা শেষও হোৱা নাছিল। ৬০ শতাংশ মান কাম কৰিছিল আৰু এই বানপানীৰ পিছত ৰাস্তাৰ কোনো চিনচাব নাই। এতিয়া পেমেন্টৰ ক্ষেত্ৰত চাওঁক ৰাস্তাৰ কোনো চিনচাব নাই কিন্তু AS-01-247 ত ২ কোটি ৪২ লাখ টকা অনুমোদন আছিল। ৱাৰ্কিং এছটিমেইট বনাই ২ কোটি ৬৮ লাখ টকা ঠিকাদাৰক দি দিয়া হ'ল। মই আচৰিত হৈছো। ৫ বছৰৰ মেৰামতিৰ টকাটো থাকিবই লাগে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি এখন চিঠি লিখি মোলৈকে দিয়ক মই মন্ত্ৰীলৈ পঠিয়াম।

**শ্ৰী শ্বেৰমান আলী (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিধান সভাতে assurance দিয়া আছিলে Mondia College ত Science Stream introduction কৰিবলৈ দুইবাৰ দুজন মন্ত্ৰী মহোদয়ে বিধান সভাত assurance দিয়াৰ পিছতো কোনো ফলপ্ৰসু হৈ নুঠিলে। গতিকে এইটো অতি গুৰুত্বপূৰ্ণ কথা আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক দৃষ্টি আকৰ্ষণ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকিয়া।

**শ্ৰীদেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা প্ৰশ্ন আছিলে তৰাবিহীন প্ৰশ্ন নং -৮৬। মাননীয় অধ্যক্ষ মহোদয়, ২০১৬ চনৰ পৰা বিভিন্ন আঁচনি চৰকাৰে ঘোষণা কৰিছিল। কিন্তু গণতন্ত্ৰত শাসক বিৰোধী সকলোৰে বাবে প্ৰয়োজন যে আমাৰ সকলো সমষ্টিৰ উন্নয়ন হব লাগে, তেতিয়াহে গণতন্ত্ৰ মজবুত হব। কিন্তু এতিয়া দেখা গৈছে বিৰোধী পক্ষৰ সমষ্টিসমূহত যেনেধৰণৰ আঁচনি সমূহ বিতৰণ হব লাগে সেয়া যেন দেখা পোৱা নাই। মোৰ সমষ্টিৰ ক্ষেত্ৰতে এনেকুৱা হৈ আছে বহুত কেইটা আঁচনি। Signature Seheme য়ে হওঁক, SOPD আঁচনিয়ে হওঁক অন্য সমষ্টিসমূহত যিমানখিনি হ'ল, যদিও কৰোনা যোৱা মাৰ্চ মাহৰ পৰা আহিছে, আমি আঁচনি সমূহ যোৱা বছৰতোৰে নাপালো। আমাক বিৰোধী বিধায়ক সকলক বঞ্চিত কৰা হৈছে, সেই কাৰণে মই আপোনাৰ জৰিয়তে চৰকাৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ বিচাৰিছো যে গণতন্ত্ৰ মজবুত কৰাৰ স্বাৰ্থত এনেধৰণৰ বৈশম্যমুলক ব্যৱস্থা কৰা নহয়।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মাননীয় সদস্য শ্ৰী গুৰুজ্যোতি দাস।

**শ্ৰীগুৰুজ্যোতি দাস (মঙ্গলদৈ)** ঃ ধন্যবাদ মাননীয় অধ্যক্ষ মহোদয়। question hour শিক্ষাৰ বিষয়ৰ ওপৰত হৈ আছিল তাৰ ওপৰত মই কব বিচাৰিছো যে আমাৰ মঙ্গলদৈ সমষ্টিৰ ৰাইজে মাননীয় মূখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ নেতৃত্বধীন চৰকাৰখনক বহুত নতুন আশাৰ বতৰা পাইছে, ভাল খবৰ লাভ কৰিবলৈ সক্ষম হৈছে। মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো যে এচিয়াৰ ভিতৰত দ্বিতীয়খন সৰ্ববৃহৎ Skill University মঙ্গলদৈত স্থাপন কৰিবলৈ গৈ আছে তাৰ কাৰণে ধন্যবাদ জ্ঞাপন কৰিছো। আমাৰ মঙ্গলদৈ বাসীৰ হৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো আৰু আজি মই আমাৰ মাননীয় শিক্ষামন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াকো ধন্যবাদ জ্ঞাপন কৰিছো। কাৰণ যি প্ৰাদেশিক কলেজ সমূহৰ তালিকা ওলাইছে তাত আমাৰ সমষ্টিৰ দুখন দাহিঁ কনিষ্ঠ মহাবিদ্যালয়

আৰু পূৱ মঙ্গলদৈ মহাবিদ্যালয়ৰ নাম দুখন অন্তৰ্ভুক্ত হৈছে আৰু দুখন হাইস্কুল দৰংজ্যোতি হাইস্কুল আৰু কাঠপুৰী শংকৰদেৱ হাইস্কুল , SC জনবসতি অঞ্চলত আছে সেই হাইস্কুল দুখন। সেই দুখনো অন্তৰ্ভুক্ত হ'লে শিক্ষকসকল বৰ উপকৃত হ'ল হেতেন। আৰু যি পৰিবৰ্তনৰ লক্ষ্য ৰাখি মঙ্গলদৈ সমষ্টি বাসী ৰাইজে মোক প্ৰতিনিধিত্ব কৰাইছিল, সেই পৰিবৰ্তন ঙ্গলদৈ সমষ্টি বাসী ৰাইজে পাবলৈ সক্ষম হৈছে। অসমৰ ৰাইজেও যে এই পৰিবৰ্তন লক্ষ্য পাবলৈ সক্ষম হয়।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য ড° নোমল মমিন।

**ডাঃ নোমল মমিন (বোকাজান)** ঃ মাননীয় অধ্যক্ষ মহোদয়, Unstarred Question No. 79। তাতে মই এটা clearly সুধিছিলো যে অসম - নাগালেণ্ড বোৰ্ডাৰত বড়োলেঙৰি এৰিয়াত যিটো ডিমাপুৰৰ পৰা electricity connection পাই আছে। অসমৰ পৰা connection কেতিয়া দিব ?

কিন্তু ইয়াত উত্তৰত দিলে -VGR, PGR, Cadastral, Forest village তাৰ কাৰণে দিব পৰা নাই, কিন্তু already electrify । মোৰ প্ৰশ্নটো আছিলে - অসমৰ পৰা connection কেতিয়া দিব ? গতিকে যি সকল বিষয়াই এই report তো বনাইছে খুৱ negligence হৈ পেলাই বনাইছে। এইটোৰ ওপৰত এটা বিশেষ ব্যৱস্থা লব লাগে। কাৰণ মই electrification দিবৰ কাৰণে কোৱা নাই, already electrified। কিন্তু আমাৰ অসমৰ connection অসমৰ পৰা নলৈ নগালেণ্ডৰ পৰা লৈ আছে। গতিকে এইটোত যদি এনেকুৱা negligence হয়, তেতিয়া আমাৰ অসমৰ মাটি বেলেগ ৰাজ্যই আগ্ৰাসণ কৰিবলৈ সুবিধা পাব, এইটো এটা উদাহৰণ।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। আপুনি এখন এই বিষয়ত এখন চিঠি দিব, মন্ত্ৰী ডাঙৰীয়াক মই জনাই দিম।

এতিয়া মাননীয় সদস্য ৰূপজ্যোতি কূৰ্মী।

**শ্ৰীৰূপজ্যোতি কুৰ্মী (মৰিয়নী)**ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক ধন্যবাদ জনাইছো বিশেষকৈ চাহ শ্ৰমিক সকলক লৈ এটা বিশেষ আলোচনা দিছিল আৰু অসমৰ ৩.৩০ কোটি জনসংখ্যাৰ ভিতৰত প্ৰায় ১ কোটিৰ ওচৰা-ওচৰি চাহ জনগোষ্ঠিৰ (আধিবাসী) লোক সকল আছে। ইয়াৰে প্ৰায় প্ৰত্যক্ষ বা পৰোক্ষ ভাৱে ৪৫ বা ৫০ লাখ লোক organize sector বা unorganize sector ত (ক্ষুদ্ৰ চাহ ) কাম কৰি নিজৰ পৰিয়ালক পোহপাল দি আছে। কিন্তু দেখা গ'ল বৰ্তমানৰ চৰকাৰখনে আগত ACMS আৰু CCPA নিৰ্ধাৰণ কৰে মজুৰি। চৰকাৰ পিছত অন্তৰ্ভুক্ত হোৱাৰ পিছত Wage Committee বনাই দিলে। মাননীয় অধ্যক্ষ মহোদয়, বৰ্তমান অৰ্থনৈতিক পৰিস্থিতিক লৈ ক্ষুদ্ৰ চাহ শ্ৰমিকৰ পৰিয়ালে ১৬০ টকা এদিনৰ মজুৰি লৈ কেতিয়াও চলিব নোৱাৰে। ক্ষুদ্ৰ চাহ শ্ৰমিকসকলৰ মালিকসকলে হয়তো চৰকাৰক হেচা দি থৈছে নেকি যে চাহ শ্ৰমিক সকলৰ মজুৰি এতিয়া লৈকে বৃদ্ধি হোৱা নাই। মাননীয় অধ্যক্ষ মহোদয়, মই অনুৰোধ কৰিব খুজিছো যে আপোনাৰ জৰিয়তে চাহ শ্ৰমিক সকলৰ মজুৰিৰ বৃদ্ধিৰ ক্ষেত্ৰত চৰকাৰে ব্যৱস্থা লয়।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। এতিয়া মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন ছিকদাৰ।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)**ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ starred question no. 33. মাননীয় পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই অলপ আগতে সদন আছিলে, কিন্তু তেখেতে এতিয়া নাই । তেখেত থাকিলে ভাল আছিলে। আপোনাক অনুৰোধ জনাও যেতিয়া point of order raise হয়, তেতিয়া বিভাগীয় মন্ত্ৰী খিনি থাকিলে ভাল, তেওঁলোকৰ দৃষ্টি আকৰ্ষণ কৰিব পৰা যায়। মোৰ প্ৰশ্ন আছিলে পশু চিকিৎসা কেন্দ্ৰ আন্তঃগাথনি, পশুপালন পশু

চিকিৎসা বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই এই ক্ষেত্ৰত কি কি ব্যৱস্থা লৈছে। আমি সু-স্বাস্থ্য ৰাখিবলৈ হলে গাখীৰৰ কিমান প্ৰয়োজনীয়তা সকলোৱে জানো আৰু বৰ্তমান অসম ৰাজ্যই বাহিৰা কোম্পানিৰ ওপৰত বহুত নিৰ্ভৰ কৰিবলগীয়া হয়। কিছুদিন আগতে ভাৰতৰ প্ৰধান মন্ত্ৰী ডাঙৰীয়াই অত্মনিৰ্ভৰশীল ভাৰতৰ কথা কৈছিল, বিভিন্ন আঁচনিৰ কথা কৈছিল। ঠিক তেনেকৈ গৰু ব্যৱসায় কৰি বা গাখীৰ উৎপাদন কৰি বিভিন্ন মানুহে আজিৰ তাৰিখত জীৱন নিৰ্বাহ কৰি আছে। এই ক্ষেত্ৰত আমাৰ বৰপেটা জিলাই অন্ততম ভুমিকা পালন কৰি আছে। তাৰে ভিতৰত সৰুক্ষেত্ৰী সমষ্টিৰ এটা অন্ততম ভুমিকা য'ৰ পৰা পুৰৱী গাখীৰ সংগ্ৰহ কৰে। আজি বিধায়ক হোৱাৰ পাচঁ বছৰৰ কাৰ্য্যকাল প্ৰায় শেষ হোৱাৰ অৱস্থা। পাঁচ বছৰ ধৰি চিকিৎসা কেন্দ্ৰৰ সম্পৰ্কত বহুত প্ৰশ্ন দিলো, বিভাগীয় মন্ত্ৰীৰ ফালৰ পৰা একে উত্তৰ আহি থাকে। এইবাৰ পশু চিকিৎসাৰ নামত যিখিনি জহি-খহি যোৱা কেন্দ্ৰত যিখিনি ডক্টৰ বা বিষয়া কৰ্মচাৰী আছে, তেওঁলোকে বৰষুণ দিলে বহিব নোৱাৰে, মানুহৰ ঘৰত দৌৰি যাব লাগে। তেনেকুৱা কিছু পশু চিকিৎসাৰ উপকেন্দ্ৰৰ নাম মই লিখি দিছিলো, কিন্তু সকলো কেইটাৰ উত্তৰ এনেকৈ দিছে যে বৰ্তমান কোনো আঁচনিৰ অধীনত পুনৰ নিৰ্মাণ কৰা হোৱা নাই। উত্তৰ বিলাক আজি চাৰে চাৰি বছৰে এনেকৈয়ে দিয়া হৈছে। অথচ পশুপালন পশু চিকিৎসা বিভাগীয় মন্ত্ৰীয়ে বিভিন্ন সময়ত পৰিদৰ্শণ কৰে, তেওঁলোকে গাখীৰ উৎপাদনৰ কথা কয়। প্ৰধানমন্ত্ৰী অত্মনিৰ্ভৰশীৰ ভাৰতবৰ্ষৰ কথা কয়।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ কথাটো হৈছে আজি চাৰে চাৰি বছৰে যিটো প্ৰশ্ন কৰিছে চৰকাৰৰ ফালৰ পৰা একেখিনি উত্তৰে পাই আছে । এইটোৰ ক্ষেত্ৰত কেতিয়ালৈকে কামখিনি কৰিব ? এইটোৱে আপোনাৰ মুল কথা।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, হয়, এতিয়া চৰকাৰৰ বেছি দিন নাই আৰু সদায় যিহেতু একে উত্তৰ হয়, গতিকে আপুনি এটা বিশেষ ব্যৱস্থা লব লাগে যে তেওঁলোকে আচলতে কৰিব নে নাই।

**মাননীয় অধ্যক্ষ ঃ** Govt. is a continuous process। এই বিলাক আগতেও আছিলে এতিয়াও থাকিব। মই আপোনাক অনুৰোধ জনাম don't make it general।

**শ্ৰীজাকিৰ হুছেইন ছিকদাৰ, সৰুক্ষেত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই আপোনাৰ হস্তক্ষেপ বিচাৰিছো যে বিভাগীয় মন্ত্ৰীয়ে বিশেষ ব্যৱস্থা লব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, মই বুজিছো। অধ্যক্ষৰ হস্তক্ষেপ হ'ল এনেকুৱা যে আপোনালোকে লিখিত দিব লাগে যে উত্তৰ বিলাক শুদ্ধ হোৱা নাই। সেই বিলাক আমি বিভাগলৈ পঠিয়াই দিম। তেনেকুৱা বহুতো ঠিক কৰি দিয়া হৈছে। কথাটো হ'ল আপোনালোকে যদি monotonous উত্তৰ পাই আছে, আপোনালোকে উত্তৰৰ সৈতে মোক দিব, তেতিয়া আমি বিভাগলৈ পঠিয়াব পাৰিম। চৰকাৰৰ সুবিধা হ'লে কৰি দিব, নহ'লে নোৱাৰিম বুলি কব লাগিব।

এতিয়া মাননীয় সদস্য শ্ৰী পদ্ম হাজৰিকা।

**শ্ৰীপদ্ম হাজৰিকা, চতিয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক গৰাকীয়ে বৰপেটাৰ সম্পৰ্কত যিটো কথা কৈছে বা চৰকাৰে একো কৰা নাই বা তেনেখিনি কথাত বক্তব্যৰ জৰিয়তে প্ৰতিফলন হৈছে । এই পশুপালন বিভাগৰ আগৰ **১৫** টা বছৰ কি হৈছে আমি জানো যে এইটো যথেষ্ট অৱহেলিত হৈ আছিলে। এতিয়া অন্তত অত্মনিৰ্ভৰশীল অসমৰ জৰিয়তে, মই তেখেতলৈ এইটোৱে আহ্বান জনাম কাৰণ মই জৰিত হৈ আছো কণ্যাকা দুগ্ধ উন্নয়নৰ জৰিয়তে। বৰপেটা জিলাত যিটো পাইলট প্ৰজেক্ট হিচাপত লববলৈ বিচাৰিছে তাত **৩০,৪০** হাজাৰ লিটাৰ গাখীৰ উৎপাদন হয়। কিন্তু সেইফালেৰে আহি

থাকে জাৰখণ্ডৰ পৰা বা বহিঃৰাজ্যৰ পৰা হাজাৰ হাজাৰ লিটাৰ গাখীৰ। এতিয়া তাত যিখন cooperative firm কৰিব লাগে, সেইখন দুটা ভাগত ভাগ হৈ আছে, এতিয়া আমাৰ চৰকাৰে আত্মনিৰ্ভৰশীল অসমৰ জৰিয়তে যিটো pesturized mechinery বা industry বহাবলৈ লৈছে। এতিয়া Sitajakhala ৰ ফালে ২০ হাজাৰ লিটাৰ তেওঁলোকে pesturized কৰিছে। তেওঁলোকে অসম চৰকাৰক ৫০ হাজাৰ লিটাৰ কৰিবৰ কাৰণে এটা প্ৰস্তাৱ দিছে। ঠিকতেনেকৈ সেই cooperative দুখন একলগ কৰি তাৰ বিধায়ক যদি এটা initiative লয়, সেই গো-পালকখিনিৰ কাৰণে। আমাৰ বস্তুটো সমাধান যাতে হ'ব লাগে, অৰ্থনৈতিক উন্নয়ন হ'ব লাগে, আমাৰ নিবনুৱা সকলক সংস্থাপিত কৰিব লাগে। ঠিকতেনেকৈ এতিয়া pesturized machine মই ঠিক কৰিছো নৱেম্বৰৰ প্ৰথম সপ্তাহতে install কৰি চালু কৰিম। অহ এই ক্ষেত্ৰত বৰপেটাৰ বিধায়কসকলে initiative লৈ, চৰকাৰক সদইচ্ছা আছে, মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ যিটো আত্মনিৰ্ভৰশীৰ অসমৰ জৰিয়তে সমগ্ৰ অসমতে কৰিবলৈ ওলাইছে কিন্তু প্ৰথমতে তিনিটা Sitajakhala, Kanyaka আৰু Barpeta, ঠিক তেনেকৈ ধানৰ ক্ষেত্ৰত বাক্সাত আৰু ধেমাজিত এইখিনি পদক্ষেপ গ্ৰহণ কৰিছে যে সময়ৰ আহ্বানত আমাৰ কভিড -১৯ য়ে যিটো অৰ্থনৈতিক অৱস্থাৰ শোচনীয় বা বহিঃৰাজ্যৰ পৰা অহা বস্তুৰ যিটো পৰিস্থিতিৰ উৰ্দত পৰিছে যে সময়ৰ আহ্বানক আকোৱালী লৈ চৰকাৰে এটা পদক্ষেপ গ্ৰহণ কৰিছে আৰু নিৱনুৱা সকলকো সংগঠিত ৰূপত অৰ্থনৈতিক কৃষি বিপ্লৱ কৰিবৰ কাৰণে এটা পদক্ষেপ গ্ৰহণ কৰিছে। গতিকে ইতিবাচক চিন্তাৰে বিৰোধীদলৰ সদস্যসকলকো মই যিহেতু জৰিত হৈ আছো এটা ভালফল তিনিমাহমানৰ ভিতৰত দিব পাৰো আপোনালোকৰো সহায় সহযোগিতা আগবঢ়াবলৈ অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে । এতিয়া কাৰ্য্যসুচী নং ২, কালি আমি যিখন সভা বহিছিলো এটা মঞ্জুৰী ৭১ নং শিক্ষাৰ প্ৰাথমিক, মাধ্যমিক দাবী মঞ্জুৰীটো আলোচনা কৰাৰ সিদ্ধান্ত কৰিছিলো। আমাৰ হাতত সময় যিখিনি আছে ভাৰতীয় জনতা পাৰ্টীৰ কাৰণে ৯০ মিনিট বিত্তমন্ত্ৰীৰ উত্তৰ সহ। ভাৰতীয় জাতীয় কংগ্ৰেছ ৪০ মিনিট, অসম গণ পৰিষদ দলৰ ২০, সৰ্বভাৰতীয় সংযুক্ত গণতান্ত্ৰীক মৰ্চাৰ ২০ মিনিট আৰু বি পি এফ দলৰ ১৫ মিনিট। এই সময়খিনিৰ মাজতে আমি আলোচনা কৰিব লাগিব। সেই কাৰণে যিসকলে নামবোৰ দিছে তেখেতসকলে সময়তো লক্ষ্য ৰাখিব, সময়ত শেষ কৰিব পাৰিলে মন্ত্ৰীৰ পৰা উত্তৰতো পাব পাৰিম।

মই দুটা কৰ্তন প্ৰস্তাৱ পাইছো । এতিয়া মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীভৱেশ কলিতা (ৰাজ্যিক শিক্ষামন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী হিচাপে অসমৰ মহামহিম ৰাজ্যপালৰ দ্বাৰা অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰিব খুজিছো যে ২০২০-২১ চনত ৩১ মাৰ্চত শেষ হবলগীয়া বছৰতোৰ কালছোৱাত কেতবোৰ ব্যয় বহন কৰিবলৈ মঞ্জুৰী নং ৭১ শিক্ষাৰ ক্ষেত্ৰত ভাৰপাপ্ত মন্ত্ৰীক অতিৰিক্ত ৯৭, ৫৪৫.৯১ লাখ টকা মঞ্জুৰ কৰিব লাগে।

**শ্ৰীদেবব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ২০২০ -২১ চনৰ মঞ্জুৰীৰ বাবে পৰিপুৰক দাবী সমূহৰ তালিকাত ৪১৩ ৰ পৰা ৪২৬ পৃষ্ঠাত থকা শিক্ষা শিতানত ৭১ নং পৰিপুৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ৯৭,৫৪৫.৯১ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওঁক। অৰ্থ্যাৎ সমূদায় পৰিপুৰক দাবী ৯৭,৫৪৫.৯১ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হ'ল।

**মাননীয় অধ্যক্ষ** ঃ আপোনালোকে একেলগে move কৰা বুলি ধৰি লম। এতিয়া cut motion ত বিৰোধী দলৰ পৰা ৰূপজ্যোতি কৰ্মীয়ে কওঁক।

**শ্ৰীৰূপজ্যোতি কুৰ্মী,বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিৰোধী দলৰ পৰা আমি যি কৰ্তন প্ৰস্তাৱ আনিছো এই প্ৰস্তাৱৰ সমৰ্থন জনায় মই চমুকৈ কব বিচাৰিছো। কেগৰ এইখন প্ৰতিবেদন ২০১৮-১৯ৰ । বি জে পি নেতৃত্বাধীন এই পৰিৱৰ্তনকামী চৰকাৰ অহাৰ পিছত এইয়া কেগৰ ৰিপোৰ্ট। ইয়াত উল্লেখ কৰিছে Emphasis of matter -ইয়াত কৈছে Forty nine Government departments did not submit 1,637 Utilisation Certificates(UCs) involving an amount of Rs 8,224.26 crore, which were due to be submitted during the year 2018-19. Further,7,818 UCs worth Rs 11,447.80 crore due for submission up to end 2017-18 were also outstanding as on 31 March 2019.Thus, a total of 9,455 UCs worth Rs 19,672.06 crore were due for submission as of end of March 2019.The pace of submission of UCs is not compliant with the conditions governing the Grants-in-Aid to these departments .High pendency of UCs is fraught with the risk of misappropriation and fraud of public funds ,and সন্মানীয় কেগৰ ৰাজীৱ মহৰ্ষী ডাঙৰীয়াই কৈছে. I am unable to gain assurance that the amounts have been spent for the purpose for which these have been sanctioned/authorised by the legislature. Forty two Government departments had drawn an amount of Rs 289.53 crore againts 298 Abstract Contingent (AC) bills during 2018-19.Twenty five of these bills amounting to Rs 151.60 crore were due for adjustment by the end of March 2019 by submission of the relevant Detailed Countersigned Contigent (DCC) bills .In addition to this 1,066 AC bills amounting to Rs 678.85 crore drawn prior to 2018-19 were also outstanding for adjustment as on 31 March 2019.Thus,a total of 1091 AC bills for an amount of Rs.830.45 crore were outstanding for adjustment by submission of the relevant DCC bills as on 31 March 2019.Therefore there is no assurance that the expendititure of Rs 830.45 crore has been incurred for the purpose for which it was authorised by the Legislature.আমি যি টকা দিছিলো সেইটো লৈ কনচাৰ্ন। Advances drawn and not accounted for increased the possibility of wastage/malfeasance/ misappropriation ,etc. তিনিটামান শব্দ লগাবলগীয়া হৈছে এই টকাটো লৈ পেলায়। আজি কেনেধৰণে প্ৰচাৰ হৈছে কেগৰ ৰিপোৰ্ট, আমি কোৱা কথা নহয়। In the Audit certificate on the accounts of the State for the year ending March 2018.

**.মাননীয় অধ্যক্ষ ঃ** ৰূপজ্যোতি কুৰ্মী, আচলতে আমি এটা শিক্ষা বিভাগৰ কৰ্তনত আছো। এইখিনি কথা আপোনালোকে এপ্ৰোপ্ৰিয়েশ্বন বা তেনেকুৱা সময়তহে কোৱা কথা। এইটো এতিয়া আলোচনা কৰি থাকিলে শিক্ষা বিভাগৰ কৰ্তন প্ৰস্তাৱটো কৰবাত যাব।

**শ্ৰীৰূপজ্যোতি কুৰ্মী (মৰিয়নী) ঃ** অধ্যক্ষ মহোদয়, এইটো ৰাইজৰ টকা।.

**মাননীয় অধ্যক্ষ ঃ** মই আপোনাক কৈছো এপ্ৰোপ্ৰিয়েশ্বন বিল যেতিয়া কনছি ডাৰ হয়, তেতিয়া এইবিলাক কথা সাধাৰণতে কোৱা যায়। শিক্ষাৰ লগত জড়িত বিষয়কেইটা যদি আপুনি একেবাৰে নকৈ সময়টো পাৰ কৰে তেতিয়াহ'লে দিগদাৰ হ'ব। মই আপোনাক কোৱাত বাধা দিয়া নাই।

**শ্ৰীৰূপজ্যোতি কুৰ্মী (মৰিয়নী)ঃ** অকল এটা লাইন আছে অধ্যক্ষ মহোদয়, কেগৰ প্ৰতিবেদন ২০১৯,৩১ মাৰ্চলৈকে । অৰ্থাৎ ইয়াত কৈছে যে ২০১৮-১৯ ৰ সময়ছোৱাত ৰাজ্য চৰকাৰৰ বাজেট অনুমান হ'ববাস্তৱ সন্মত নাছিল। বাজেট প্ৰস্তুতিকৰণ আৰু কাৰ্যকৰীকৰণ দক্ষতা,স্বচ্চতা আনিবলৈ হ'লে নিশ্চিতভাৱে প্ৰাকবাজেট অনুশীলন কৰাৰ পিছতো বাজেট সমন্বয় নিৰ্ধাৰণসমূহ বুজন পৰিমানে লক্ষ্য কৰাত দূৰত আছিল আৰু বাজেটৰ কাৰ্যকৰণ আৰু নিৰীক্ষণৰ ওপৰত নিয়ন্ত্ৰণ যথেষ্ট নাছিল। মই এইখিনিয়েই পঢ়ি দিলো, আৰু নপঢ়ো। আমাৰ সতীৰ্থ সন্মানীয় বিধায়ক সকলেও কবলৈ ৰৈ আছে। আমাৰ এশাৰ যোজনা আছে যে উপদেশতকৈ আৰ্হিয়েই ভাল। মই এজন মন্ত্ৰী, মোৰ লৰা-ছোৱালী ক'ত পঢ়াইছো ! আমি ইয়াত অসমীয়া মাধ্যমৰ বিদ্যালয়ত পঢ়াইছো নে বাহিৰত পঢ়াইছো ! মোৰ লৰাটোক লৈ মই সপোন দেখিছো যে সি নাচাৰ ইঞ্জিনীয়াৰ হ'ব, বা আই বিৰ টপ অফিচাৰ হ'ব বা আইনৰ টপ অফিচাৰ হ'ব ! মই বিচাৰিম সি কোনোবা চেন্ট্ৰেল স্কুলত পঢ়ক আৰু তাৰ জীৱনটো সি গঢ়ি তোলক। মই মোৰ ছোৱালীৰ ক্ষেত্ৰত বিচাৰিছো যে মোৰ ছোৱালীজনী ভাল এয়াৰ লাইনচৰ এয়াৰ হোষ্টেজ হোৱাটো । এইবিলাকৰ বাবে দক্ষতা সৰুৰ পৰাই লাগিব। ইংলিচ মিডিয়াম স্কুলত পঢ়িব লাগিব। এতিয়া আহি গ'ল কথা। আমি মন্ত্ৰী,বিধায়ক সকলৰ কেইজনে নিজৰ সন্তান সকলক অসমীয়া মিডিয়ামত পঢ়াইছো ?উপদেশতকৈ আৰ্হিয়েই ভাল। এতিয়া ২০২১ ৰ নিৰ্বাচন আহি গ'ল। সেইটো কাৰণে অসমীয়া মিডিয়ামৰ বা অসমীয়া কথাটো আহিছে নেকি ! অসমীয়াৰ কাৰোবাৰ ওপৰত গুলীচালনা হ'ল নেকি ! অসমীয়াৰ ওপৰত অত্যাচাৰ কৰা হ'ল নেকি ! অসমীয়াক উৎসাহিত কৰা পুৰস্কাৰসমূহ বন্ধ কৰি দিয়া হ'ল নেকিছু দুই ম'হৰ যুঁজত বিৰিণাৰ মৰণ হৈছে নেকি ! দুজন মন্ত্ৰীৰ ভিতৰত এজনে কৈছে স্কুটি দিলে ভাল হ'ব, আনজনে কৈছে মই ই-বাইক দিব বিচাৰিছো,তেল খৰচ কৰিব নালাগে। দুজন মন্ত্ৰীৰ বাকযুদ্ধত ছাত্ৰ-ছাত্ৰী স্কুটী নোপোৱা হ'ল। আজি এই কথাবোৰ লৈ আমি কি বুজিম ! আমি টকাবোৰ দি আছো হয়, কিন্তু কেগৰ ৰিপোৰ্টে কৈছে টকাবোৰ কিন্তু ক'ত গৈছে কোনো হিচাপ নাই। কোনো স্বচ্চতা নাই, ইউটিলাইজেশ্যন চাৰ্টিফিকেট নাই। মন্ত্ৰী সকলৰ মাজত কাজিয়া বা তেওঁলোকৰ নিজৰ নিজৰ কিছুমান পৰিকল্পনা এইবিলাক কথা লৈ আমি দুখ প্ৰকাশ কৰিছো। এইটো আসাম ভিজন ডকুমেন্টচ্ ২০১৬ৰ পৰা ২০২৫ লৈ ।২০২১ ত দেখা যাব ভগবানে কি কৰে। ভিজন ডকুমেন্টচ্‌ত কোৱা হৈছিল Grievances of the teachers as such as computer faculities Sikhamitra, Sikhakormi and other will be settle with top priority. কিন্তু কৰি আছে। তেওঁলোকক নিৰ্বাচনৰ আগত কোৱা হ'ল TET teachers will be regularised and other Contractual teachers will be regularised কিন্তু ৰেগুলাৰাইজ কিয় কৰা নহ'ল ? এছ চি,এছ টিৰ ক্ষেত্ৰটো আছে।এনেকুৱা আৰু বহুত আছে। মই ইমান দীঘলীয়াকৈ কব বিছৰা নাই। মই এটা কথাই কব বিচাৰিছো যে এই কৰ্তন প্ৰস্তাৱৰ মই ১০০ শতাংশই সমৰ্থন কৰিছো, আৰু টকা দিব নালাগে, যিটো আমি ধাৰ্য্য কৰিছো সেইটো টকাই দিব লাগে। এইখিনিকে কৈ মই সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আছে আমিনুল ইছলাম ।

**শ্ৰী আমিনুল ইছলাম, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা বিভাগৰ কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰি মই দুআশাৰ কবলৈ ওলাইছো। আজি অসমৰ শিক্ষা বিভাগটোৰ পয়ালগা অৱস্থা

হৈছে। আজি অধ্যক্ষ মহোদয়, আপুনি যদি চায় যে সমগ্ৰ অসমত সৰ্বশিক্ষা অভিযান মিছনত ২০০৩ চনৰ পৰা টাৰগেট কৰিছিল যে নেভাৰ এনৰোল্ড ষ্টুডেন্টচ্খিনিক কেনেকৈ এনৰোল্ড কৰিব পৰা যায়, তেওঁলোকক কেনেকৈ বিদ্যালয়মুখী কৰিব পৰা যায় আৰু শিশু শ্ৰমিক সকলক কেনেকৈ বিদ্যালয়লৈ আনিবপৰা যায়। কিন্তু দেখা গ'ল এতিয়ালৈকে আমি নেভাৰ এনৰোল্ড বহুত আছে কিন্তু আমি তেওঁলোকক বিদ্যালয়মুখী কৰিবপৰা নাই। শিশু শ্ৰমিক এতিয়াও হাজাৰ হাজাৰ আছে। যিসকলে অবৈধভাৱে শিশু সকলক শ্ৰমিক হিচাপে ব্যৱহাৰ কৰি আহিছে আমি তেওঁলোকৰ বিৰুদ্ধে এটাও কাৰ্য্যব্যৱস্থা এতিয়ালৈ লবপৰা নাই। অধ্যক্ষ মহোদয়, আৰ টি ই এক্ট,২০০৯ অনুসৰি যদি ১৪ বছৰ তলৰ কোনো শিশু বিদ্যালয়ৰ পৰা বাহিৰত থাকিবলগীয়া হয় তাৰ কাৰণে যদি পিতৃ-মাতৃ জগৰীয়া তাৰ বাবে পিতৃ-মাতৃয়ে শাস্তি পাব লাগিব , যদি কোনোবাই শিশু শ্ৰমিক ৰাখিছে তেওঁলোকক শাস্তি দিব লাগিব বা পঞ্চায়তৰ বা বিভাগৰ কোনোবা বিষয়া-কৰ্মচাৰী ইয়াৰ বাবে জগৰীয়া তেওঁলোকক শাস্তি দিয়াৰ বিধান এই আইনখনত আছিল । কিন্তু আজিলৈকে এইখন অসমত শিশু সকল বিদ্যালয়ৰ বাহিৰত থকাৰ বাবে আৰ,টি,ই এক্ট মতে এজন লোককো শাস্তি প্ৰদান কৰা হোৱা নাই যাৰ ফলত লাখ লাখ লৰা-ছোৱালী বিদ্যালয়ৰ বাহিৰত আছে । গতিকে মহোদয় এইটো অতি পৰিতাপৰ কথা হৈছে। যিসকলে বিদ্যালয়ত এনৰোল্ড হয়, তেওঁলোকৰ ভিতৰত মাত্ৰ ৮ শতাংশ ছাত্ৰ-ছাত্ৰী গৈ মেট্ৰিক পৰীক্ষা দিয়ে, বাকীখিনি আগতেই ড্ৰপ পৰি যায়। আঠ শতাংশৰ ভিতৰত যিখিনি উচ্চ শিক্ষালৈ যায় তাৰ পৰিমান আৰু কম। গতিকে এই কথাবিলাকে প্ৰমাণ কৰিছে যে আমি আমাৰ শিক্ষাৰ ক্ষেত্ৰত গতিশীলতা প্ৰদান কৰিব পৰা নাই। আৰ,টি,ই এক্ট মতে প্ৰত্যেক এক কিলোমিটাৰৰ অন্তৰে অন্তৰে একোখনকৈ প্ৰাথমিক বিদ্যালয় হ'ব লাগে আৰু তিনি কিলোমিটাৰৰ অন্তৰে অন্তৰে একোখনকৈ উচ্চ প্ৰাথমিক হ'ব লাগে, পাঁচ কিলোমিটাৰৰ ভিতৰত হাইস্কুল হ'ব লাগে। এতিয়া আমি দেখিছো বহু ভিতৰুৱা অঞ্চলত তেৰ,চৈধ্য কিলোমিটাৰলৈকে এখন প্ৰাথমিক বিদ্যালয় নাই। গতিকে আৰ,টি,ই এক্টখন অসমৰ ক্ষেত্ৰত এক ধোৱা চাঙত পৰিণত হৈছে। এইটো প্ৰাথমিক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ কথা মই কৈছো। ঠিক সেইদৰে উচ্চ শিক্ষাৰ কাৰণে আজি এইখন অসমত কলেজ সমূহত মাত্ৰ একৈশ হাজাৰ বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীৰ বাবে চিট আছে। যোৱা বছৰ এই পৱিত্ৰ সদনত এটা তথ্য আমি পাইছিলো যে উনপঞ্চাচ হাজাৰ বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীয়ে হাইয়াৰ চেকেণ্ডাৰী পাচ কৰাৰ পিচত একৈশ হাজাৰে বিএছ চিত এডমিশ্বন পালে বাকী আঠাইশ হাজাৰে চিটৰ অভাৱত এডমিশ্বন লব নোৱাৰি বহি থাকিবলগীয়া হ'ল। আমি ছাত্ৰ-ছাত্ৰী সকলৰ কাৰণে পৰ্যাপ্ত বিদ্যালয়,কলেজ প্ৰতিষ্ঠা কৰি দিবপৰা নাই বাবে আজিতেওঁলোকে এডমিশ্বন লোৱাৰ পৰা বঞ্চিত হৈ থাকিবলগীয়া হৈছে। গতিকে এই যি শিক্ষাৰ পয়ালগা অৱস্থা তাৰ কাৰণে আমি দীৰ্ঘকালীন, বছৰ বছৰ ধৰি ভুগিবলগীয়া হৈছে কিন্তু শিক্ষা ব্যৱস্থাৰ কোনো সংস্কাৰ আমি দেখিবলৈ পোৱা নাই। অধ্যক্ষ মহোদয়, আমাৰ আৰু বহু সমস্যা আছে। ভেন্সাৰ স্কুলৰ সমস্যাটো ভাৰতবৰ্ষৰ ক'তো নাই, কেৱল আমাৰ অসমতে আছে। বছৰ বছৰ ধৰি কিমান আন্দোলন, কিমান আলোচনা হৈ আছে কিন্তু ভেন্সাৰ স্কুল প্ৰাদেশিকীকৰণটো এতিয়ালৈকে কৰিব পৰা নাই। দেখা গৈছে যে বিভিন্ন আইন-কানুনৰ লেকাম লগায় অধিকাংশ স্কুল-কলেজক যাতে বঞ্চিত কৰিব পৰা যায় চৰকাৰে এই ব্যৱস্থাটোহে কৰি আছে। আমি এই কথাটো বাৰে বাৰে পৱিত্ৰ সদনত দাবী কৰিছিলো যে আই,টি,ই এক্ট মতে যিবিলাক ঠাইত বিদ্যালয় নাই তাত চৰকাৰে নতুন বিদ্যালয় কৰিব লাগে। নতুন বিদ্যালয় যদি কৰিবপৰা নাই অন্তত ভেন্সাৰ স্কুলসমূহ যদি প্ৰাদেশিকীকৰণ কৰি দিয়ে আই,টি,ই এক্টখন ফুলফিল হ'ব কিন্তু চৰকাৰে সেই দায়িত্ব মানি লোৱা নাই। কেইদিনমান আগতে কলে যে জুনিয়ৰ কলেজ, হাইয়াৰ চেকেণ্ডাৰীৰ

লিষ্ট ওলাইছে । তাৰ পিচতে  হাইস্কুল আৰু আপাৰ প্ৰাইমাৰী,লোৱাৰ প্ৰাইমাৰী প্ৰাদেশিকীকৰণৰ যিবিলাক কাম চলি আছে তাত দেখা গৈছে ২০১৭  চনৰ এক্ট ভায়োলেশ্বন হৈছে। এই কথাটো প্ৰশ্নোত্তৰ কালটো আলোচনা হৈছিল। তাৰ পিচতো  একেই অৰ্হতা থকা কিছুমান বিষয়ৰ কিছু শিক্ষকক প্ৰাদেশিকৰণ লিষ্টত অনা হৈছে আৰু একেই অৰ্হতা থকা বহুতক বাদ পেলোৱা হৈছে। যেনেকৈ কানপুৰ, পুণে,কলিকতা,ৰাজস্থান আদি বিশ্ববিদ্যালয়ৰ পৰা যি সকল উত্তীৰ্ণ হৈ আহিছে তেওঁলোকৰ অধিকাংশই কোৱালিফাইড হোৱাৰ পিচতো তেওঁলোকক অন্তৰ্ভুক্ত কৰা নহ'ল। আকৌ দেখা গৈছে কোনো কোনো মহাবিদ্যালয়ত কোনো কোনো বিষয়ত বাহিৰৰ দুই এজনক ইনক্লুড কৰা হৈছে। নেপাল বিশ্ববিদ্যালয়ৰ পৰা অহা যি সকল উত্তীৰ্ণ হৈ আহিছে তেওঁলোককো কিন্তু ভেৰিফিকেশ্যন  নোহোৱাকৈ অন্তৰ্ভুক্ত কৰা হৈছে। এটা কথা আইনত আছিল যে লাষ্ট ফাইনেল পৰীক্ষাত ১৫ জনতকৈ বেছি ছাত্ৰ-ছাত্ৰী থকা বিষয় শিক্ষক সকলকহে প্ৰকৃততে লোৱা হ'ব। কিন্তু দেখা যায় কিছুমান বিষয়ত  লাষ্ট পৰীক্ষাত অৱতীৰ্ণ হোৱা ১২ জন ছাত্ৰ-ছাত্ৰী আছে  কিন্তু তাৰ আগৰ বছৰত  বা পিচৰ বছৰত ৩০-৪০-৫০ জনলৈও এডমিশ্বন লয়। গতিকে ফাইনেল ইয়েৰৰ এই কথাটো ধৰি থাকি যেতিয়া প্ৰভিন্সিয়েলাইজ নকৰিব সেই correspond ৰ পৰাই এই বিষয়টো নাইকীয়া হৈ যাব। বাকী জুনিয়ৰ কলেজ, হাইয়াৰ চেকেণ্ডাৰীৰ পৰা বিষয়টো নাইকীয়া হৈ যাব।গতিকে এই বিষয়টো চৰকাৰক বিবেচনা কৰাৰ বাবে অনুৰোধ জনালো। তাৰ লগতে দেখা গ'ল কোনো কোনো বিষয়ত প্ৰাদেশিকীকৰণ কৰাই হোৱা নাই আৰু  কিছুমান বিষয়ত ছাত্ৰ কম থাকিলেও প্ৰাদেশিকীকৰণ কৰা হৈছে। গতিকে এই কথাবিলাক চৰকাৰে বিৱেচনা কৰিব লাগিব। ২০১০ ৰ পিচত যি সকলে যোগদান কৰিছিল, তেওঁলোক যদি কোৱালিফাইড হয়,তেওঁলোকক কিয় ডিপ্ৰাইভ কৰা হব! কাৰণ সেই পোষ্টত বাহিৰৰ পৰা শিক্ষক লোৱাতকৈ ২০১০ চনৰ পিচত যোগদান কৰা সকল যিহেতু যথেষ্ট অভিজ্ঞপুষ্ট , তেওঁলোকক অগ্ৰাধিকাৰ দিব লাগে, এইটো আমাৰ দাবী। ইয়াৰ উপৰিও আৰু এটা কথা যে- ১৫০জনতকৈ বেছি ছাত্ৰ-ছাত্ৰী কলেজত থাকিলে fourth post টো লোৱা হ'ব। কিন্তু দেখা গ'ল যে ইউনিভাৰ্ছিটিয়ে এটা নিয়ম বান্ধি দিছে যে১৫০ তকৈ বেছি ছাত্ৰ-ছাত্ৰী এডমিশ্যনেই দিব নোৱাৰিব। গতিকে ১৫০  ছাত্ৰ-ছাত্ৰী যদি এখন কলেজত এডমিশ্বন পায় তেওঁলোক সকলোৱেইটো এটা বিষয় নলয়, বেলেগ বেলেগ বিষয় ভগাই লব। গতিকে এটা বিষয়ত ১৫০ জন ছাত্ৰ-ছাত্ৰী কেনেকৈ হ'ব!  এইটো ক্ৰাইটেৰিয়াত fourth post টো বাদ পৰি গৈছে। এইটো এটা আসোঁৱাহ  । আৰু এটা কথা দেখা গৈছে যে- যিসকলে ২০০৯ চনৰ জুলাই মাহৰ আগত  এম.ফিল কমপ্লিট কৰিছিল তেওঁলোকক কিন্তু কোৱালিফাইড বুলি ইউ,জি,চিয়ে ডিক্লেয়াৰ কৰিছে ইউ,জি,চিৰ ৰেগুলেশ্বন মতে। কিন্তু ৰাজ্যচৰকাৰে তেওঁলোকক বঞ্চিত কৰিছে। এইটো এটা বিভ্ৰান্তি আমি দেখা পাইছো। ইয়াৰ উপৰিও আমি দেখিছো জুনিয়ৰ কলেজ কিছুমানত দেখা গৈছে যে প্ৰথম  post টো লোৱা হোৱা নাই চেকেণ্ড post টো হৈ গ'ল। প্ৰথম post টোও কোৱালিফাইড ,কিন্তু কিয় বাদ পৰিল নিজেও কব নোৱাৰে। ঠিক সেইদৰে হাইয়াৰ চেকেণ্ডাৰী স্কুল বিলাকৰ ১৩৫ খন কিয় বাদ পৰিল তেওঁলোকে নিজেই নাজানে। গতিকে এই কথাবিলাক চৰকাৰে বিৱেচনা কৰিব লাগে। সেইদৰে হাইস্কুলৰ হিন্দী, আৰবী,সংস্কৃত আদি বিষয়ৰ শিক্ষক বিলাক বাদ দিলে, গতিকে এইবিলাক বিষয় এতিয়া নোহোৱাহৈ যাব। হাইস্কুলত যিসকল টেট কোৱালিফাইড হৈ আছিল, তেওঁলোকক আজিলৈকে নিযুক্তি দিয়া হোৱা নাই। তাৰ লগত নন-কোৱালিফাইড টিচাৰ যি সকল বাদ পৰিছে, যি সকলৰ নৰ্মচ আৰু অৰ্হতা আছে সেই টিচাৰ সকলক লব লাগে এইটো আমাৰ দাবী। ইয়াৰ উপৰিও ডিগ্ৰী কলেজ বিলাক প্ৰভিঞ্চিয়েলাইজ কৰিব লাগে যিহেতু কলেজ বিলাকত ছাত্ৰ-

ছাত্ৰী বেছি, আসন কম। এইটো আমাৰ চৰকাৰৰ ওচৰত দাবী। ইয়াৰ লগতে যি ছয়-সাতখন মহাবিদ্যালয় আইনৰ আওতাৰ বাহিৰত আছে এইবিলাক লৈ ললে আমি ভাৰো ছাত্ৰ-ছাত্ৰী সকলৰ বাবে ভাল হব। এম.টেকৰ ভেলিডিটি সাত বছৰ কৰিব লাগে। এম.টেকত যি ২০ হাজাৰ উত্তীৰ্ণ হৈছিল আজিলৈকে এজনকো নিযুক্তি দিয়া হোৱা নাই। গতিকে তেওঁলোকৰ ভেলিডিটি হাইস্কুলৰ নিচিনা সাত বছৰ বঢ়াব লাগে আৰু তেওঁলোকৰ নিযুক্তিৰ ব্যৱস্থা কৰিব লাগে এইটো আমাৰ দাবী। যি ২৯ হাজাৰ ৯০১ জন টেট শিক্ষক ২০১২ চনৰ পৰা কনট্ৰেকচুৱেল বেছিছতে কাম কৰি আছে তেওঁলোকক ৰেগুলাৰাইজ আজিলৈকে কৰা হোৱা নাই। গতিকে ভিজন ডকুমেন্টত উল্লেখ কৰা ধৰণে তেওঁলোকৰ নিযুক্তিৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ উপৰিও. ইচ্যু ডেটৰ সমস্যাৰ বাবে বহু বিদ্যালয় বাদ পৰি আছে। যি সকল কোৱালিফাইড effect date ০১-০১-২০০৬ৰ আগৰ, একেলগেই তেওঁলোকক নিযুক্তি দিছিল কিন্তু অৰ্ডাৰটো দিওঁতে অলপ দেৰি হৈছিল সেইবিলাকৰ ক্ষেত্ৰত এফেক্ট ডেটটোৰ চৰকাৰে সংশোধনী আনিব লাগে । আমি এইটো চৰকাৰক বাৰে বাৰে দাবী জনায় আহিছো। স্পেচিয়েল টেটৰ কথা চৰকাৰে বাৰে বাৰে কৈ আছে, কিন্তু এইটো কৰা হোৱা নাই। এইটো কৰাৰ বাবে চৰকাৰক দাবী জনাইছো। ভিজন ডকুমেন্টত এটা কথা চৰকাৰে উল্লেখ কৰিছিল যে এছ.এছ.কে, এছ. কে এডুকেশ্বন ভলন্টীয়াৰ তেওঁলোকক ৰেগুলাৰাইজ কৰা হ'ব। কিন্তু আজিলৈকে সেইটো নকৰিলে, মাত্ৰ নিৰ্বাচনী প্ৰতিশ্ৰুতি দি, ভোট সংগ্ৰহ কৰি ক্ষমতা দখল কৰিলে। 'শিক্ষা মিত্ৰ'ৰ ক্ষেত্ৰত কব বিচাৰিছো- যি সকল ২০০৩ চনৰ পৰা ঠিকা ভিত্তিত কাম কৰি আছে, কোৱালিফাইড হৈ আছে, তেওঁলোকক ৰেগুলাৰাইজ কৰিব লাগে আৰু হিন্দী,আৰবী,সংস্কৃত, যিবিলাক আপাৰ প্ৰাইমাৰী বাদ পৰি গৈ আছে, ফাইভ প্লাচ ওৱান আৰু ছিক্স প্লাছ ৱান এই হিচাপে তেওঁলোকক ল'ব লাগে আৰু লগতে নন-আসামিচ স্কুলত যি সকল অসমীয়া মাধ্যমৰ শিক্ষক আছে, তেওঁলোকক লব লাগে যিহেতু চৰকাৰে কিছুদিন আগতে অসমীয়া বাধ্যতামূলক কৰি এখন চাৰ্কুলাৰ জাৰি কৰিছিল। বৰাক উপত্যকাত অসমীয়া ভাষাটো সম্প্ৰসাৰণ কৰাটো জৰুৰী,কিন্তু তাত অসমীয়া ভাষাৰ শিক্ষকৰ কথাটো বিৱেচনা কৰা হোৱা নাই। অসমীয়া ভাষাটো বৰাক উপত্যকাৰ মানুহে শিকিব নালাগে নেকি ? এই কথাবিলাক চৰকাৰে বিবেচনা কৰিব লাগে। মাদ্ৰাছা আৰু সংস্কৃত টোলৰ বিলখন পাছ হৈ থাকিল কিন্তু আজিলৈকে সংস্কৃত টোল, মাদ্ৰাছা প্ৰাদেশিকীকৰণ কৰা হোৱা নাই। এইটো চৰকাৰে বিৱেচনা কৰিব লাগে। নন-টিচিং ষ্টাফ ইনক্লুডিং লাইব্ৰেৰীয়ান আৰু যি সকল চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী আছে তেওঁলোকৰ কাৰণে চেপাৰেট বিল আনিব বুলি চৰকাৰে বাৰে বাৰে কৈ আহিছে কিন্তু নকৰিলে। গতিকে আসাম ভিজন ডকুমেন্টচ্ ২০১৬ টু ২০২৫ ত লিখিছিলে যে The Government of the School. The teachers, such as Computer faculty, Siksha Mitra and Musical teacher, Classical teacher will be settled as top most priority. এই কথাখিনি চৰকাৰে ভিজন ডকুমেণ্টত উল্লেখ কৰিছিল আৰু এইখিনি পৰিপূৰ্ণ কৰাটো আমি বিচাৰিছো। আনহাতে, ভিজন ডকুমেণ্টত, যি স্কুটি দিয়াৰ কথা চৰকাৰে উল্লেখ কৰিছিল, সেইটো তেওঁলোকে নিৰ্বাচনৰ আগে আগে ঘোষণা কৰিছে যে এই স্কুটিসমূহ নিৰ্বাচনৰ পিছতহে পাব। এই কথাবোৰ বিভ্ৰান্তিমূলক হৈছে। ইয়াৰ লগতে, বি.পি.এল. শ্ৰেণীৰ ল'ৰা-ছোৱালীৰ উচ্চ শিক্ষা চৰকাৰে বিনামূলীয়া কৰি দিব বুলি ঘোষণা কৰিছিল, এই ঘোষণাটো আমি কাৰ্যকৰী হোৱাটো বিচাৰিছো। ইয়াৰোপৰি, ৩০০০ meritorious ছাত্ৰৰ অষ্টম শ্ৰেণীৰ পৰা সমুদায় খৰচ চৰকাৰে বহন কৰিব বুলি কৈছিল যাতে ভৱিষ্যত সময়ত তেওঁলোকে IAS, IPS, IIM, IFS, IIT ৰ শিক্ষাগ্ৰহণ কৰিব পাৰে। কিন্তু, আজিলৈকে কোনো ছাত্ৰকে IAS, IPS, IIM, IFS, IITৰ

শিক্ষাগ্ৰহণ কৰা আমি দেখা নাই। সেয়েহে, মই দাবী কৰিছো যে চৰকাৰে ভিজন ডকুমেণ্টত উল্লেখ কৰা প্ৰত্যেকটো পদক্ষেপ বাস্তৱায়িত কৰক, শিক্ষাৰ সমস্যাবোৰ সমাধান কৰক। শিক্ষা খণ্ডই দিল্লীৰ পৰা আৰ্হি লওঁক, প্ৰয়োজন হ'লে অসমৰ পৰা শিক্ষা বিভাগৰ বিষয়াবোৰক দিল্লীলৈ প্ৰেৰণ কৰক। আনকি, আমেৰিকাৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্প আৰু তেওঁৰ পত্নী ভাৰতলৈ আহোতে তেওঁলোকে এটাই demand কৰিছিল যে- তেওঁলোকে দিল্লীৰ শিক্ষানুষ্ঠান আৰু তাজমহল চাব। দিল্লী চৰকাৰে যিদৰে পাঁচ বছৰৰ ভিতৰত বৈপ্লৱিক পৰিৱৰ্তন কৰিছে, ঠিক তেনেদৰে আমি অসম চৰকাৰকো দাবী কৰিছো যে-গুজৰাটৰ আৰ্হি নহয়, দিল্লীৰ শিক্ষাৰ আৰ্হি গ্ৰহণ কৰি অসমত ৰূপায়ণ কৰক, এনে কৰিলে আমি ভাৱো অসমৰ শিক্ষা খণ্ড যথেষ্ট আগুৱাই যাব। এইখিনিকে দাবী জনাই মই কৰ্তন প্ৰস্তাৱৰ সমৰ্থন কৰি মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। মাননীয় সদস্য প্ৰদীপ হাজৰিকা।

**শ্ৰী প্ৰদীপ হাজৰিকা (আমগুৰি)ঃ** উপাধ্যক্ষ মহোদয়, মই কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি ইয়াৰ ওপৰত কেইটামান কথা দাঙি ধৰিব বিচাৰিছো।

উপাধ্যক্ষ মহোদয়, চকুৰে নেদেখা কিছুমান অন্ধ শিক্ষক আছে আৰু শিক্ষা বিভাগে বাধ্যতামূলক কৰিছে যে শিক্ষকসকল স্কুললৈ যাব লাগিব। কিন্তু, কৰ'ণা ভাইৰাছৰ বাবে লকডাউন হোৱাৰ পিছৰ পৰা গাড়ী-মটৰ ভালদৰে নচলাৰ ফলত এই অন্ধ শিক্ষকসকলে স্কুললৈ অহা-যোৱা কৰাত যথেষ্ট সমস্যাৰ সন্মুখীন হ'ব লগা হয়। সেয়েহে, চৰকাৰে এই বিষয়টোত কিবা ব্যৱস্থা গ্ৰহণ কৰিব পাৰে নেকি তাৰ বাবে মই আহ্বান জনাইছো।

উপাধ্যক্ষ মহোদয়, হাইস্কুল আৰু হায়াৰ ছেকেণ্ডাৰী স্কুলৰ যিবোৰ বিল্ডিং ৬০-৭০ বছৰ হৈছে, সেই বিল্ডিংবোৰৰ ওপৰত চৰকাৰে চকু দিয়াৰ সময় আহি পৰিছে। আমি দেখিছো যে অসম চৰকাৰে প্ৰত্যেকখন আৰক্ষী থানাৰ এটা মডেল নিৰ্মাণ কৰি সকলো আৰক্ষী থানা সমূহ নিৰ্মাণ কৰিছে। এনেদৰে নিৰ্মাণ কৰাৰ বাবে বহুত ভাল হৈছে, বহুত দূৰৰ পৰাই ধৰিব পাৰি যে সেইখন এখন আৰক্ষী থানা। কিন্তু, যিবোৰ শিক্ষানুষ্ঠানৰ বিল্ডিং বোৰৰ ৬০-৭০ বছৰ হৈছে তেনে বিল্ডিংবোৰৰ দেৱাল সমূহ ঠেলা মাৰি দিলেই ভাঙি যোৱাৰ নিচিনা অৱস্থা হৈছে। গতিকে, চৰকাৰে স্কুল বিল্ডিঙৰ এটা কোঠা নিৰ্মাণৰ বাবে টকা নিদি যদি স্কুলবোৰৰ ক্ষেত্ৰতো এটা মডেল বনাই digital classroom, laboratory, library থকাকৈ স্কুলবোৰ নিৰ্মাণ কৰিলে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে খুব ভাল হ'ব। এই স্কুলবোৰ বহুত পুৰণি হ'ল, তাত ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা দিয়াৰ অৱস্থাটো খুবেই বেয়া। সেয়েহে, এই ক্ষেত্ৰত চৰকাৰে বিশেষভাৱে চোৱাৰ বাবে মই অনুৰোধ জনাইছো। আমাৰ বিশ্ববিদ্যালয় সমূহৰ অধীনত যিবোৰ কলেজ আছে সেই কলেজ সমূহৰ বাবে University Grants Commission এ বহুত টকা দিছে। প্ৰত্যেকখন কলেজে বহুত টকা পাইছে। এই টকাবোৰৰ utilization চোৱাৰ বাবে কোনোবা Team অহা বুলি কয়। পিছত আমি দেখিবলৈ পাওঁ যে কিছুমান কলেজত Indoor Stadium নিৰ্মাণ কৰা হৈছে কিন্তু সেই Indoor Stadium ব্যৱহাৰেই হোৱা নাই। এই Indoor Stadium ব্যৱহাৰ কৰি কোনো ছাত্ৰ-ছাত্ৰী সেই কলেজখনৰ পৰা produce হোৱা নাই। Indoor Stadium বোৰ বনোৱাৰ পিছত যদি তাত খেলা-ধূলা হ'লহেঁতেন তেন্তে State বা National level ৰ competition ত ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰিব পাৰিলেহেঁতেন। কলেজ সমূহলৈ পইচা আহিলে তাক খৰচ কৰাৰ বাবে যিমান উদ্যোগ লয়, সিমানখিনিৰ পৰা production কৰাৰ ক্ষেত্ৰত কমকৈ গুৰুত্ব প্ৰদান কৰা দেখা গৈছে। আমি অকল পইচা খৰচ কৰিয়েই যাম, নে তাৰ পৰা কিবা ফল পোৱাৰ বিষয়েও চাম?

গতিকে, এইবোৰ কোনে supervise কৰিব ? আজি supervise নকৰাৰ বাবে বহুত বস্তু উৰঁলি গৈছে। মই নিজে দেখিছো-বহুত কলেজৰ বিল্ডিঙৰ টিন পাত উৰি গৈ খালী বিল্ডিংটো ব্যৱহাৰ নোহোৱাকৈ পৰি আছে। মই হায়াৰ ছেকেণ্ডাৰী স্কুলৰ লেবৰেটৰীত microscope, apparatus ইত্যাদি বিভিন্ন equipment নষ্ট হৈ যোৱা দেখিছো, কাৰণ তাত কোনো কামেই নাই। লেবৰেটৰীটো যদি সদায় ব্যৱহাৰ কৰিলেহেঁতেন, তেন্তে ই সদায় ধুনীয়া হৈ থাকিলেহেঁতেন। আমিও লেবৰেটৰী ব্যৱহাৰ কৰি আহিছো। এই লেবৰেটৰীবোৰ এনেকুৱা অৱস্থাত আছে যে তাত সোমাই কাম কৰাৰ কোনো পৰিৱেশেই নাই। সেয়েহে, যিবোৰ হায়াৰ ছেকেণ্ডাৰী স্কুলৰ এইবোৰ ক্ষেত্ৰত পইচা দিয়া হৈছে, সেইবোৰ চকু দিয়াৰ প্ৰয়োজন হৈছে বুলি মই ভাৱিছো। আনহাতে, এল.পি. স্কুলবোৰৰ ক্ষেত্ৰতো ঠিক একেই অৱস্থা। আগতে এল.পি. স্কুলবোৰ খেৰ-বাঁহৰ আছিল। তেওঁলোকক দিয়া পইচাসমূহ যদি শুদ্ধ ভাবে ব্যৱহাৰ কৰিলেহেঁতেন তেন্তে নিশ্চয় এশ শতাংশই পকী হৈ উঠিলহেঁতেন। স্কুলবোৰৰ নামত ইমান টকা দিয়া হৈছিল যে তাত নতুনকৈ বিল্ডিং বনাবৰ বাবে ঠাই নাই। এটা দমকল বহাব নোৱাৰা স্কুলো মই দেখিছো। অৰ্থাৎ তাত নিৰ্মাণ কাৰ্যৰ বাবে বহুত টকা দিয়া হৈছে, কিন্তু কামটো সম্পন্ন কৰিবলৈ ঠাই নাই। মই hazard দেখিছো যে the money has been pumped but there is no output, zero result. গতিকে, চৰকাৰে এই দিশতো চোৱাৰ বাবে মই অনুৰোধ জনাইছো।

উপাধ্যক্ষ মহোদয়, আমাৰ স্কুল- কলেজসমূহত ছাত্ৰ-ছাত্ৰীসকলে ধুনীয়াকৈ ড্ৰেছ পিন্ধি অহা দেখিবলৈ পোৱা যায়। তেওঁলোকক কেনে ধৰণৰ পেণ্ট-চাৰ্ট পিন্ধি আহিব লাগে সেই বিষয়ে কৈ দিয়ে। কিন্তু, ছাত্ৰ-ছাত্ৰীৰ বাবে dresscode ঠিকেই আছে, but what about the teachers ? শিক্ষক সকলৰ যি মন যায় তেওঁলোকে সেয়ে পিন্ধি আহে। এজন শিক্ষকে পিন্ধি অহা কাপোৰ, জোতা, তেওঁৰ দাড়ি-চুলিৰ ওপৰত এজন ছাত্ৰৰ যথেষ্ট প্ৰতিক্ৰিয়া হয়। আগৰ দিনৰ শিক্ষকসকলক কাপোৰ-কানিৰ বিষয়ে ক'ব লগীয়া হোৱা নাছিল। কিয়নো, আমি পঢ়া সময়ত প্ৰায়বোৰ শিক্ষকে চুৰিয়া, পাঞ্জাৱী চাৰ্ট পিন্ধি খুব সুন্দৰকৈ চুলি ফণিয়াই আটোম-টোকাৰিকৈ স্কুললৈ আহিছিল। আনকি, তেওঁলোকে পুৰণি চাৰ্ট পিন্ধিলেও খুব সুন্দৰকৈ ধুই, চিলাই কৰি পিন্ধি আহে আৰু তেওঁলোকক দেখিলেই ভক্তি কৰিবৰ মন যায়। এতিয়া শিক্ষক নে ছাত্ৰ, কাকো ধৰিবই নোৱাৰি। ছাত্ৰ-ছাত্ৰীৰ Dress Code ৰ ক্ষেত্ৰত আমি ঠিকেই ব্যৱস্থা লৈছো, কিন্তু, এই ব্যৱস্থা শিক্ষকসকলৰ ক্ষেত্ৰত নোলোৱাৰ বাবে ছাত্ৰ-শিক্ষকৰ মাজৰ যি সম্পৰ্ক, সেই সম্পৰ্ক যথেষ্ট বিঘ্নিত হৈছে বুলি মই ভাৱো। ছাত্ৰ-শিক্ষকৰ কিছুমান নভৱা-নিচিন্তা ঘটনা ঘটা আমি দেখিবলৈ পাইছো। আনকি এনেকুৱা ঘটনাও দেখিবলৈ পোৱা যায় যে ছাত্ৰ এজনে যদি চুখা মাৰে, শিক্ষকজনেও তেওঁৰ পৰা লৈ চুখা খায়। This is something unexpected. আমি শিক্ষক এজনৰ পৰা এনেকুৱা আচৰণ কেতিয়াও expect কৰিব নোৱাৰো। সেইকাৰণে, মই ভাৱো, এনেধৰণৰ সৰু সৰু কথাবোৰ আমি চোৱাটো ভাল। শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত এটা difference থকা ভাল আৰু সেয়েহে শিক্ষক-শিক্ষয়িত্ৰীয়ে যদিও অনুভৱ নকৰে তথাপি তেওঁলোকক Dress Code ঠিক কৰি দিয়া ভাল। এতিয়া এজন ডেকা শিক্ষকে সহজ ভাৱে ভোমোকাফুলীয়া চাৰ্ট পিন্ধি শিক্ষানুষ্ঠানলৈ যোৱাৰ ফলত তেওঁ ছাত্ৰ নে শিক্ষক ধৰিব পৰা নাযায়। গতিকে এইটো এটা গুৰুত্বপূৰ্ণ বিষয় বুলি মই ভাৱি আপোনাৰ যোগেদি বিভাগক জনাইছো।

Digital Classroom ৰ ক্ষেত্ৰত মই ভাৱো, Science ইমান progress কৰিছে যে এতিয়া প্ৰায়বোৰ কথাই digital হৈ গ'ল। কিন্তু, বৰ্তমান সময়ত বহু ছাত্ৰই Online Class

ত যোগদান কৰিব পৰা নাই, কিয়নো আমি তেওঁলোকক Online Class ল'বৰ বাবে যি শিক্ষা দিব লাগিছিল, অৰশ্যে এনেকুৰা পৰিস্থিতি আহিব বুলি আমিও নাজানো, সেই কাৰণেও হয়তো আগতে এনে শিক্ষা দিয়া নহ'ল, যাৰ ফলত এতিয়া সকলো ঠাইত Online Class কৰিব পৰা নাই। যদি ৭০ জন ছাত্ৰ-ছাত্ৰী আছে, তাৰে ২০-৩০ জন মানকহে Online শিক্ষাদান দিব পৰা গৈছে। গতিকে, Online Class কৰিব পৰাকৈ বা Digital Classroom ত শিক্ষাগ্ৰহণ কৰিব পৰাকৈ ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা দিয়াৰ ব্যৱস্থা ল'ব লাগে। মই বিভিন্ন ঠাই ঘুৰি ফুৰোতে দেখা কিছুমান কথা ইয়াত দাঙি ধৰিছো। মই Digital Classroom বনোৱা দেখিছো, কিন্তু, সেইবোৰ ব্যৱহাৰ হোৱা নাই। যদি প্ৰকৃততে Digital Classroom হয়, তাত যদি digitally class লোৱা হৈছে, তেন্তে ছাত্ৰ-ছাত্ৰীসকলে ইয়াৰ পৰা যেতিয়া উচ্চ শিক্ষাৰ বাবে আন ঠাইলৈ যাব তেতিয়া যাতে কোনো অসুবিধা নহয়, সেই বিষয়টোত গুৰুত্ব দিব লাগে।

আন এটা বিষয় হ'ল- Discipline. সদনত সকলোৱে discipline বিচাৰে যাতে সকলোৱে নিয়ম মতে কথা কয়, Rules of Procedure মানি with permission of the House কথা কয়, কাপোৰ -কানি যাতে ঠিক মতে পিন্ধি আহে, নিজৰ নিৰ্দিষ্ট আসনত বহে, যাতে সময় মতে আহে আৰু সময় মতে যায়। এনে ধৰণৰ কথা আমি primary school, high school বা college তো মানিব লাগে। গতিকে, এই কথাবিলাক আমি ছাত্ৰ-ছাত্ৰীক কেনেকৈ শিকাব পাৰো? উপাধ্যক্ষ মহোদয়, আগতে শিক্ষানুষ্ঠান বিলাকত NCC আছিল। We can consider it to be a basic discipline. NCC ত discipline ৰ বহুত কথা শিকোৱা হয়। কিন্তু, বৰ্তমান স্কুল বিলাকত NCC নাই। NCC থাকিলে অন্ততঃ কেনেকৈ খোজ কাঢ়িব লাগে, কেনেদৰে কথা-বতৰা পাতিব লাগে, শাৰীৰিক পৰিশ্ৰমৰ দ্বাৰা কেনেদৰে স্বাস্থ্য ভালকৈ ৰাখিব লাগে এই সকলো কথা শিকিব পাৰে। তাৰোপৰি, NCC ৰ যেতিয়া Camp হয়, তাত বহু ঠাইৰ মানুহ লগ পায়, তেতিয়া বিভিন্ন ঠাইৰ মানুহ একেলগে মিলি কেনেদৰে থাকিব পাৰি, বেলেগ বেলেগ community, সংস্কাৰ তথা আচাৰ-ব্যৱহাৰৰ লগত কেনেদৰে মিলি থকিব পাৰি এই সকলো কথা শিকিব পাৰি। কিন্তু, এতিয়া এনেধৰণৰ পৰিৱেশ একেবাৰে নাই। আনকি, কলেজতো দেখিবলৈ পোৱা নাযায়। কোনোবা দুই-এখনত আছে যদিও প্ৰায়বোৰ শিক্ষানুষ্ঠানতে নাই। গতিকে, Discipline ৰ ওপৰত গুৰুত্ব দি শিক্ষানুষ্ঠানসমূহত NCC পুনৰ introduce কৰিব পাৰি নেকি এই বিষয়টো চৰকাৰে চালে বৰ ভাল হ'ব।

আন এটা অত্যন্ত গুৰুত্বপূৰ্ণ বিষয় বৰ্তমান সময়ত বৰ neglect কৰা হয়, সেইটো হ'ল- আগতে স্কুলবিলাকত নিয়মীয়া খেলা আছিল, Annual sports হৈছিল। পঢ়াৰ বাহিৰেও শাৰীৰিক, মানসিক আদি সকলো দিশতে উৎকৰ্ষ সাধন কৰিব পাৰিলেহে শিক্ষাৰ আচল গুণ পাব পাৰি। কেৱল Book Teaching টোৱেই শিক্ষা নেকি? অকল সেইখন certificate ৰেই এজন মানুহ জীয়াই থাকিব পাৰিব নেকি? তাৰ লগত আনুসংগিক বহুত বিষয় প্ৰয়োজন আছে নহ'লে পৃথিৱীৰ কোনো মানুহ কেতিয়াও আগবাঢ়ি যাব নোৱাৰিব। সেইকাৰণে, আগতে স্কুলবিলাকত নিয়মীয়া ভাৱে খেলা-ধূলাৰ ব্যৱস্থা আছিল, competition হৈছিল, কিন্তু, এতিয়া এই অভ্যাসটো প্ৰায় নোহোৱা হৈছে। আগতে, ফুটবল খেল বুলিলে স্কুলৰ ফিল্ডখন প্ৰায় ব্যস্ত হৈ থাকে। কিন্তু, এতিয়া তেনে পৰিৱেশ নাই। আগতে, স্কুলৰ পৰা ভলীবল, ফুটবল খেলত অংশগ্ৰহণ কৰিবৰ বাবে স্কুলত Sports Teacher থাকে যাৰ অধীনত নিয়মীয়াকৈ অনুশীলন হয়। তেওঁলোকে সদৌ অসম ভিত্তিত হোৱা প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰে। এতিয়া কিন্তু এনে হোৱা দেখা নাযায়। তাৰ প্ৰমাণ হিচাপে,

উপাধ্যক্ষ ডাঙৰীয়া, আপুনি যদি ১০ খন স্কুলৰ ফিল্ড চায়, যোৱা কেইবছৰমান ধৰি যে তাত কোনো ধৰণৰ খেল হোৱা নাই সেইখন দেখিলেই গম পাব। এনেদৰে শিক্ষাৰ এক গুৰুত্বপূৰ্ণ দিশত কোনেও গুৰুত্ব দিয়া নাই বুলি মই ভাৱিছো। ইয়াৰ প্ৰয়োজনীয়তা নাই নেকি? এতিয়া সেই দিশটো বৰ বেয়া ধৰণে নাইকিয়া হ'বলৈ ধৰিছে। আমি এই বিষয়টো চাব লাগিব। আগতে, সকলোৰে বিভিন্ন খেলা-ধূলাত ইচ্ছা আছিল। কিন্তু, এতিয়াৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এইবোৰ নেদেখো। কেৱল তিনিআলি বা চাৰিআলিবোৰত গোট হৈ কেৰম খেলি থকাহে দেখিবলৈ পোৱা যায়। ইয়াৰ বাহিৰে বেলেগ খেল খেলা দেখা নাযায়। বছৰত হয়তো ক'ৰবাত এখন ক্ৰিকেট খেল খেলাহে দেখিবলৈ পাওঁ। খেল-পথাৰবোৰো সঠিকভাৱে ব্যৱহাৰ নহয়। গতিকে, সকলো স্কুলৰ খেল-পথাৰ আছে নে নাই চাব লাগে কাৰণ খেল-পথাৰৰ উন্নয়নৰ বাবে চৰকাৰে পইচা দিছে। একোখনকৈ খেল-পথাৰৰ নামত ১০ -২০ লাখকৈ টকা দিয়া হয়। বিদ্যালয়সমূহত খেল-পথাৰ নাথাকিলে আমি খেল-পথাৰ, swimming pool বনাই দিম, কিন্তু, swimming pool বা খেল-পথাৰ বনালেই নহ'ব, তাৰ পৰা output কি ওলায় আমি চাব লাগিব। শিক্ষা বুলিলে Curriculum ৰ lesson কেইটাই শিক্ষা নেকি? B.A, B.Sc., M.A., M.Sc, Medical, Engineering পঢ়িলেই শিক্ষা হৈ যায় নেকি? মই ভাৱো যে সেইয়া শিক্ষা নহয়।

**মাননীয় উপাধ্যক্ষঃ** মাননীয় সদস্য, আপোনালোকৰ অগপ দলৰ বাবে ২০ মিনিটি সময় নিৰ্ধাৰণ কৰি দিয়া হৈছিল, এতিয়া যিহেতু সত্যব্ৰত কলিতা নাই, আপুনি সম্পূৰ্ণকৈ ক'ব পাৰিব।

**শ্ৰী প্ৰদীপ হাজৰিকা (আমগুৰি)ঃ** So, Deputy Speaker Sir, I think this is also one of the most important parts of the education which should not be neglected আৰু চৰকাৰে অন্ততঃ এই ক্ষেত্ৰত শিক্ষানুষ্ঠান সমূহৰ পৰা ৰিপ'ৰ্ট কাৰ্ডখন বিচাৰিব পাৰে।

ইয়াৰ পিছতে শিক্ষাৰ ক্ষেত্ৰত Skill Developmentৰ যথেষ্ট প্ৰয়োজন হৈছে। আগতে, এল.পি. স্কুলৰ ল'ৰা-ছোৱালীবোৰক ঘৰত খৰাহী বনোৱা, মাটিৰে আম-অমিতা বনাই, হাতৰ বিভিন্ন কাম কৰিব দিছিল। আজিকালি এই হাতৰ কাম কৰাৰ কোনো প্ৰয়োজন নাই। কিন্তু, এতিয়া চৰকাৰে Skill Development University খোলাৰ বাবে ব্যৱস্থা কৰিছে। Skill ৰ ক্ষেত্ৰত primary education খিনি বিশ্ববিদ্যালয়ত দিয়া নহয়, স্কুল-কলেজ পাছ কৰাৰ পিছতহে বিশ্ববিদ্যালয়লৈ যাব। সেয়েহে স্কুল-কলেজ পৰ্যায়ত Skill Development ৰ নামত এটা বিষয় introduce কৰিব পাৰি নেকি এই ক্ষেত্ৰত চৰকাৰে বিবেচনা কৰিলে ভাল হয়। মই কোনো particular discipline ৰ কথা কোৱা নাই, দুই-চাৰিটা যিকোনো discipline, Skill Development ৰ বাবে ল'ব পাৰি নেকি এই কথাটো চাব লাগে।

উপাধ্যক্ষ মহোদয়, আৰু এটা বিষয় মই দেখিছো-হিমাচল প্ৰদেশৰ Doon Schoolত পঢ়ি থকা ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন শিক্ষানুষ্ঠানত পঢ়িবলৈ যাবলৈ হ'লে তেওঁলোকৰ কেম্পাচৰ ভিতৰত পৰীক্ষা হয় আৰু সেই পৰীক্ষাত উত্তীৰ্ণ হ'লে তেওঁলোকে বাহিৰত পঢ়িবৰ বাবে যাব পাৰে। আমাৰ ৰাজ্যত তেনেকুৱা বহুত institute আছে। Where this type of Examination can be taken place. বা তেনেকুৱা Institutions ৰ লগত যোগাযোগ কৰিলে আমাৰ ছাত্ৰ-ছাত্ৰীসকলে তেনেকুৱা Institutions পঢ়িবলৈ যাবলৈ সুবিধা পাব। অৰ্থাৎ ছাত্ৰ-ছাত্ৰীসকলক গাইড দিয়াটোৱেই সকলোতকৈ ডাঙৰ কথা। You have to guide the Students. কাৰণ ছাত্ৰ-ছাত্ৰীসকলে সৰুতে সকলোবোৰ কথা নাজানে। তেওঁলোকক যদি গাইড দিবলগীয়া হয়

তেতিয়াহ'লে সেই স্কুলসমূহত যিসমূহ বিষয় আছে, বা যি ধৰণে Introuduce কৰিছে, মই দেখিছো যে জাৰ্মানী, ছুইজাৰলেণ্ড বা অন্য তেনেকুৱা জাগাৰ পৰা আহি ইয়াত তেওঁলোকে হায়াৰ চেকেণ্ডাৰী স্কুলৰ পাচ কৰা ছাত্ৰ-ছাত্ৰী সকলৰ পৰীক্ষা লয়। পৰীক্ষাৰ মাজৰ পৰা ছাত্ৰ-ছাত্ৰীসকলক বাছি তেওঁলোকে তাত পঢ়ায় আৰু সেই ধৰণে পঢ়ালে দেশখনৰ সুবিধা হয়। সেই কাৰণে এইধৰণে অলপ চিন্তা কৰিব পাৰি নেকি? মই আমাৰ ভিতৰৰ কিছু কথা বাদ দি বাহিৰৰ কিছু কথা ইয়াত দাঙি ধৰিছো যে এই বিষয় সমূহৰ ক্ষেত্ৰত শিক্ষা বিভাগে কেৱল যদি ভিতৰতে সোমাই থাকে তেন্তে কেৱল ভিতৰতে সোমাই থাকিব লাগিব। অলপ মান যদি বাহিৰৰ পৰিৱেশটো চাই এই সমূহ কাম কৰা হয়, তেতিয়াহ'লে মই ভাৱো এজন ছাত্ৰক মানুহ কৰি আমাৰ ইয়াৰ পৰা উলিয়াই পঠিয়াব পৰিম। সেই কাৰণে আজি এই বিষয়টো আলোচনালৈ আগবঢ়াই দিয়া আৰু ইয়াৰ জৰিয়তে এই কথাখিনি দাঙি ধৰি মই শিক্ষা বিভাগৰ ফালৰপৰা এই কামখিনি হাতত ল'ব পাৰে নেকি? সেইটো শিক্ষা বিভাগে চেষ্টা কৰিব পাৰে নেকি তাৰে অনুৰোধ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য দেৱানন্দ হাজৰিকা ডাঙৰীয়াই কওঁক।

**শ্ৰী দেৱানন্দ হাজৰিকা, বিধায়ক (বিহপুৰীয়া) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি সদনত উত্থাপিত আমাৰ সন্মানীয় মন্ত্ৰী শ্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই Move কৰা Additional Amount ক ৯৭৫৪৫১৯ লাখ Additional grant বিচাৰি যি প্ৰস্তাৱ আনিছিল তাৰ বিপৰীতে বিৰোধী দলে কৰ্ত্তন প্ৰস্তাৱ আনিছিল। এই কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মই দুআষাৰ ক'বলৈ ওলাইছো। শিক্ষা হৈছে উন্নয়ণৰ মূল মন্ত্ৰ। য'ত শিক্ষা ভাল নহয়, উন্নয়ণো নহয়। এষাৰ কথা এসময়ত কোৱা হৈছিল যিটো to ruined a nation you need not to throw any atom bomb, nitrogen bomb, but if you appionts some bad teachers the whole society will be destroyed in no time. Slow poisioning সেই দেশখন বা সমাজখন ধ্বংসৰ পথলৈ যাব। আজি আমি শিক্ষাৰ ক্ষেত্ৰত যিসমূহ সমস্যা দেখা পাইছো তাৰ ভিতৰত মই এটা কথা কওঁ আমাৰ যি সকল স্নাতক বা স্নাতকোত্তৰ ডিগ্ৰী ছাত্ৰ-ছাত্ৰী আছে, বহুতো ক্ষেত্ৰত তেওঁলোকে প্ৰতিযোগিতামূলক পৰীক্ষা দিবৰ বাবে আগবাঢ়ি নাহে। মই বহুতক প্ৰশ্ন কৰো যে তোমালোকে ACS, IAS বা তেনেকুৱা ধৰণৰ কেন্দ্ৰীয় চৰকাৰ পতা বা ৰাজ্য চৰকাৰে পতা পৰীক্ষা সমূহত কিয় উপনীত নহয়। সৰু চাকৰি লৈ তেওঁলোকে ঘূৰি ফুৰে। কিন্তু এই পৰীক্ষা সমূহত অৱতীৰ্ণ হ'ব পৰা মানসিক স্থিতিটো আয়ত্ব কৰিব পৰা নাই। এতিয়া আমি কেন্দ্ৰই পতা পৰীক্ষা সমূহৰ ৰিজাল্ট সমূহ চাওঁ তেতিয়া আমি দেখা পাওঁ শইকীয়া, বৰা, হাজৰিকা আদি উপাধিৰ অসমীয়া ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অতি কম। মুষ্টিমেয় কেইজনমানে IAS ত স্থান পায়। কিন্তু বহু পিছত থাকে। অতি কম সংখ্যক দুই-এজনেহে এশৰ ওপৰত স্থান পায়। এতিয়া কথা হ'ল যে এইবোৰ কিয় হয়? আমাৰ ল'ৰা-ছোৱালীসমূহৰ কি অসুবিধা আছে? আমি কওঁ উৰ্বৰা ভূমি অসম। আমাৰ মস্তিষ্ক ইয়াত সুন্দৰ হয়। ইয়াত ভাল বায়ু-পানী সকলো আছে। কিন্তু আমি নোৱাৰো কিয়? এজন ছাত্ৰই ভাল উন্নয়ণ কৰিবৰ বাবে এজন ভাল শিক্ষক লাগে। মই শিক্ষা বিভাগৰ লগত জড়িত আছিলো। মই যেতিয়া অভিভাৱক সকলক লগ পাইছিলো আৰু তেওঁলোকৰ লগত কথা-বতৰা পাতোতে মই সুধিলো যে তেওঁলোকে তেওঁলোকৰ ল'ৰা-ছোৱালী কি হোৱাটো বিচাৰে। বেছিভাগেই কয় ডাক্তৰ, ইঞ্জিনিয়াৰ, উকীল বা ব্যৱসায়ী হোৱাটো বিচাৰে। ছোৱালীৰ ক্ষেত্ৰত সুধিলে বেছিভাগেই নাৰ্চ আদি হোৱাটো বিচাৰে। তেওঁলোকৰ উচ্চ আকাংক্ষা খুব কম। কিন্তু মাক-দেউতাক সকলে নিজৰ ল্ৰৰা-ছোৱালীক লৈ বহুত ডাঙৰ ডাঙৰ সপোন দেখে। সপোন দেখে হয়, কিন্তু পৰিৱেশৰ সৃষ্টি কৰিব

নোৱাৰে। অভিভাৱক সকলে যেতিয়া কয় এই স্কুলত ভাল শিক্ষক নাই তেতিয়া মই কওঁ যে আপোনালোকে কেতিয়াওঁ শিক্ষক হোৱাটো নিবিচাৰে। যদি আমাৰ অভিভাৱক সকলে নিজৰ ল'ৰা-ছোৱালীক কেতিয়াওঁ শিক্ষক হোৱাটো নিবিচাৰে। তেতিয়াহ'লে আমাৰ অসমৰ যিকোনো শিক্ষানুষ্ঠানত ভাল শিক্ষক পাম বা ভাল শিক্ষাৰ বাতাবৰণ এটা কেনেকৈ সৃষ্টি কৰিম ?আজি উন্নয়ণৰ বাবে আমাক কেইটামান বস্তু লাগে। যেনেকৈ Speed and accuracy এই দুটা বস্তুৰ অতি প্ৰয়োজন। যদি Speed and accuracy নাথাকে তেতিয়াহ'লে আমি যিকোনো পৰীক্ষাত IAS হওঁক ACS হওঁক বা এনেকুৱ যিকোনো পৰীক্ষা হওঁক কোনো চাকৰিৰ পৰীক্ষা হওঁক তাত কিন্তু আমি ভাল ফল পাব নোৱাৰো। Speed and accuracy আনিবৰ কাৰণে আমাক লাগিব প্ৰেক্টিচ। Practice makes a man perfect. এইবিলাক শিক্ষা আমাৰ স্কুলবিলাকত খুব কম সংখ্যক দেখা পোৱা যায়। Speed and accuracy আৰু প্ৰেক্টিচৰ কাৰণে আমাক লাগিব Knowledge. এতিয়া Knowledge ক'ৰ পৰা পাম? প্ৰথম কথা We have to create reading. আমাৰ গাওঁবিলাকত বাতৰিকাকত নপঢ়ে। খুব কম সংখ্যক মানুহে বাতৰিকাকত পঢ়ে আৰু মাক-দেউতাক সকলে কিতাপ নপঢ়ে। শিক্ষকসলে ঘৰত কিতাপ নপঢ়ে। পঢ়াৰ এটা পৰিৱেশ যেতিয়া সৃষ্টি নকৰে এজন শিশুৱে যেতিয়া দেখিব নিজৰ মাক-দেউতাকে কিতাপ পঢ়ি আছে তেতিয়াহ'লে তেওঁৰো নিশ্চয় পঢ়াৰ প্ৰতি ধাউতি বাঢ়িব। এনেকৈ আমি reading habit.এটা create কৰিব পাৰো আৰু আমি যদি reading habit.এটা create কৰিব নোৱাৰো তেতিয়াহ'লে আমি সেই ল'ৰা-ছোৱালীসমূহক আমি ভৱাৰ দৰে আমাৰ উচ্চাকাংক্ষা সমূহ পূৰণ কৰিব নোৱাৰো। আমি আমাৰ ল'ৰা-ছোৱালী সমূহক আন ল'ৰা-ছোৱালীৰ লগত তুলনা কৰি ভুল পথে লৈ যাব বিচাৰিছো। এতিয়া ক'ব বিচাৰিছো corruption in eduction.আমি টকা-পইচাৰ corruption ৰ কথা কোৱা নাই। মই এটা সাধাৰণ কথা কওঁ। আমি যেতিয়া প্ৰাইমাৰী স্কুলত পঢ়িছিলো আমি হাতৰ কাম দিব লাগিছিল আৰু হাতৰ কাম দিবৰ বাবে শিক্ষকে আমাক আলতীয়া মাটি, বাঁহৰ কাঠি লৈ আহিবলৈ কয়। সেইবোৰ লৈ যোৱাৰ পিছত আমাক শিক্ষকে আম ফল আদি বনাই দিবলৈ কয়। আকাৰটো বনাবলৈ শিকায়। Skill Development ৰ কথা কৈ আছে। Skill Development তাৰ পৰাই হয়। আমি শিক্ষক সকলক খৰাহী, পাচি আদি জুৰিবলৈ কয়। কিন্তু আজি কি হৈছে? মই এজন অভিভাৱক লগ পাইছিলো। তেওঁ চাইকেল খনৰ আগফালে ল'ৰাটো আৰু পিছফালে ছোৱালীজনীক বহুৱাই চাইকেল খনৰ এফালে খৰাহী দুটা আৰু আনফালে খুটা দুটা বান্ধি গৈ আছে। মই সুধিলো খুৰা ক'ত যায়? তেওঁ ক'লৈ ল'ৰা-ছোৱালীৰ হাতৰ কাম দিবলৈ গৈ আছো। মই সুধিলো ক'ৰ পৰা আনিছা? তেওঁ ক'লৈ শুকুৰবৰীয়া বজাৰৰ পৰা আনিছো। এতিয়া কথা হ'ল যে তেওঁ শুকুৰবৰীয়া বজাৰৰ পৰা আনিলে আৰু শিক্ষকেও সেই হাতৰ কাম গ্ৰহণ কৰিলে। ছাত্ৰ-ছাত্ৰীৰ Skill টো কেনেকৈ Develop হ'ব। আমি সেই খিনিতে corruption কৰিলো। লোকক দোষ দি থাকো কিন্তু আমি ঘৰতে সেই ভুলটো কৰি পেলালো। মই এতিয়া Speed and accuracy, practice, reading habit. কথা ক'লো। আমি ছাত্ৰ-ছাত্ৰীসকলৰ মনত reasoning, বা thinking ability create কৰিব পৰা শিক্ষা দিব লাগে। এই গোটেইবোৰ কথাৰ ক্ষেত্ৰতgood health ৰ কথা আছে। যদি স্বাস্থ্য ভালে নাথাকে তেতিয়াহ'লে ভাল ধৰণে পঢ়া-শুনা কৰিব নোৱাৰে। কেতিয়াবা স্কুল ও যাব নোৱাৰে আৰু আমাৰ স্কুল বিলাকত পাৰ্য্যমানে শিক্ষক নাই। আগতে প্ৰাইমাৰী স্কুল বিলাকত এটা হল টাইপ আছিল। মাজতে পাৰ্টিশ্যন কৰি দিয়া হ'ল। ভাল কথা হ'ল । কিন্তু ৫ টা ক্লাছত ৫ জন শিক্ষক লাগে। আছে মাত্ৰ দুজন। এই Ratio টো maintain কৰিবপৰা নাই।

আমি হয়তো সেই কাৰণে দিছো এশ জন ছাত্র-ছাত্রীৰ বাবে চাৰি জন শিক্ষক। বিষয়ৰ কোনো কথা নাই। প্ৰাথমিক স্কুলত যেতিয়া শিক্ষকৰ নিযুক্তি দিয়া হয়, Subject knowledge ৰ ওপৰত কিমান গুৰুত্ব দিয়ে সেইটো কথা মই নাজানো। কিন্তু তেওঁলোকে নিজৰ reading habit নথকাৰ কাৰণে ছাত্ৰ-ছাত্ৰী সমূহক ভাল শিক্ষা দিব নোৱাৰে আৰু ৰেগুলাৰ মনিটাৰিং নোহোৱাৰ বাবে স্কুল সমূহত ভালদৰে ক্লাছ নহয়। এই সমূহত গুৰুত্ব দিব লাগে। এই গোটেই কথা সমূহ চালি-জাৰি আমাৰ চৰকাৰখনে ২০১৬ চনত যেতিয়া শাসনাধিষ্ঠ হৈছিল আৰু এই চৰকাৰখনে গুণোৎসৱ আনিছিল। এই গুণোৎসৱটো প্ৰকৃততে হৈছে Comprehensive monitoring system. স্কুল সমূহত কিছুমান বিশেষজ্ঞ গৈ সেই স্কুলখনৰ আন্তঃগাঁথনি অসুবিধা, শিক্ষক সকলৰ পঢ়োৱাত কি অসুবিধা আছে, ছাত্ৰ-ছাত্ৰী সকলৰ শিক্ষা আহৰণ কৰাৰ ক্ষেত্ৰত কি অসুবিধা আছে এই সকলোবোৰ কথা চালি-জাৰি এটা ৰিপোৰ্ট দিয়ে। কিন্তু কিছুমান স্কুলত Continuous comprehensive evolution system টো অলপ উৎসৱ হিচাবে লৈ পেলালে। উৎসৱ নামটো মানুহক আকৰ্ষণ কৰাৰ বাবে দিছিল। আমি দেখা পালো তাত কল পুলি ৰুই, গামোছা পিন্ধাই কিছুমান ভুল তথ্য দি হ'লেও তেওঁলোকে গ্ৰেডটো ভাল কৰিব বিচাৰে। সেই কাৰণে যিটো উদ্দেশ্য সেইটো নহ'ল। কিন্তু আমি দেখা পাওঁ ভালে খিনি স্কুলত সেই উদ্দেশ্যটো সফল হোৱা বাবে সেই স্কুল সমূহ দিনে দিনে উন্নত হৈ আহিছে। মোৰ লখিমপুৰ জিলাত মেট্ৰিকৰ ৰিজাল্ট যোৱা বছৰতকৈ দহ শতাংশতকৈ বাঢ়িছে। ইয়াৰ বাবে মই লখিমপুৰ জিলাৰ শিক্ষা বিষয়া আৰু শিক্ষক সকলক এই সদনৰ পৰা ধন্যবাদ জনালো। এই উন্নয়ণটো কেৱল আমাৰ গুণোৎসৱৰ বাবে হৈছে। Continuous comprehensive evolution 1986 ৰ যিটো এডুকেশ্যন পলিচি আছিল তাৰ আধাৰত এই C C E টো আৰম্ভ কৰা হৈছিল। মই নৱোদয় বিদ্যালয়ৰ যিটো বিভাগত কৰিছিলো তাত 1986 ৰ পৰাই Continuous comprehensive evolution আৰম্ভ কৰিছিলো। তাত monitoring system. টো অতি সুন্দৰ। আমাৰ যিসকল BEO office আছে, তাত কেনেকৈ শিক্ষা ব্যৱস্থাটো উন্নত কৰিব পৰা যায় সেই বিষয়ে আলোচনা কৰা দেখা নাযায়। ঠিক তেনেধৰণে আমাৰ ট্ৰেইনিং প্ৰক্ৰিয়া সমূহ আঁসোৱাহ পূৰ্ণ হৈ আছে। যেতিয়া আমি Trainning need বিচাৰো why a Trainning need is necessary. যেতিয়া এটা নতুন শিক্ষা পদ্ধতি আহে, নতুন কথা এটা ল'ৰা-ছোৱালীৰ মনলৈ আনিব লগীয়া হয় তেতিয়া ট্ৰেইনিংৰ দৰকাৰ হয়। কাৰণ আমাৰ শিক্ষক সকল আগতে জইন কৰা, তেওঁলোক পুৰণা হৈ গৈছে। নতুন বিষয়ৰ লগত তেওঁলোকক সন্নিবিষ্ট কৰিবৰ বাবে এই ট্ৰেইনিং সমূহ লাগে। তাৰ বাবে DOT, Design of Trainning লাগে। কিন্তু Design of Trainning নকৰাকৈ ট্ৰেইনিং কৰা দেখা যায়। কিন্তু Trainning দিব কোনে? ইয়াৰ বাবে আমাক কিছুমান এনেকুৱাধৰণৰ resource person লাগিব। আমি এনেকুৱাধৰণৰ resource person সৃষ্টি কৰিব লাগিব যি যিকোনো বিষয়ত ট্ৰেইনিং দিব পাৰে। এইবোৰ প্ৰক্ৰিয়া আমি চকু দিব লাগে। এই গোটেই প্ৰক্ৰিয়াসমূহ যদি আমি নকৰো আমি যিমান কোটি টকাই খৰচ নকৰো কিয়, আমি টকা খৰচ কৰিব পাৰো আন্তঃগাঁথনি উন্নত কৰিবৰ বাবে, অতিৰিক্ত শিক্ষক নিয়োগ কৰাৰ বাবে, ছত্ৰে-ছাত্ৰীসকলক স্কুলত খাদ্য যোগান দিবৰ বাবে, বিনামুলীয়া শিক্ষা দিয়াৰ বাবে। বৰ্তমান চৰকাৰখনে বিনামুলীয়া শিক্ষা দিছে। প্ৰাক-প্ৰাথমিকৰ পৰা আৰম্ভ কৰি হাইয়াৰ চেকেণ্ডাৰী লৈকে বিনামুলীয়া শিক্ষা দিছে। কিন্তু আমাৰ অভিভাৱক সকলে চৰকাৰী সাহাৰ্য্যসমূহ সদায় নাই পোৱা বুলি কয়। যেতিয়া শ্বহীদৰ ফৰ্মখন আমাৰ ওচৰলৈ লৈ আহে তাত ৬ নং দফাত লিখা থাকে আপোনালোকে কিবা চৰকাৰী সাহাৰ্য্য পাইছে নেকি? আৰু তেওঁলোকে নাই

পোৱা বুলি লি্খি দিয়ে। মই সুধো যে আপোনালোকে চৰকাৰী সাহাৰ্য্য পাইছে নেকি? তেওঁলোকে নাই পোৱা বুলি কয়। মই কওঁ যে আপুনি চৰকাৰী সাহাৰ্য্য পাইছা। তেতিয়া অভিভাৱকে কয় যে মই ছোৱালীজনীৰ দেউতাক হয় আৰু মই জানো চৰকাৰী সাহাৰ্য্য পাইছো নে নাই? মই কওঁ মই প্ৰমান কৰি দিম যে আপুনি চৰকাৰী সাহাৰ্য্য পাইছে। তেওঁ কয় কেনেকৈ প্ৰমাণ কৰিব? এইখন পাঁচ হাজাৰ ন শ সত্তৰ টকাৰ ফীজৰ ৰছিদ। কিন্তু আপুনি ফীজখিনি দিব লগা হোৱা নাই। তেওঁ তেতিয়া কয় এইটো দিছে। তেওঁলোকে এইখিনি চৰকাৰী সাহাৰ্য্য বুলি নাভাৱে। তাৰ পিছত মই সুধো আপোনাৰ ছোৱালীয়ে একাদশ শ্ৰেণীত স্কুটী পাইছেনে? তেতিয়া তেওঁ কয় যে মোৰ ছোৱালীজনী মেধাৱী আছিল আৰু তাই স্কুটী পাইছে। তেওঁলোকে এইখিনি চৰকাৰী সাহাৰ্য্য বুলি নাভাৱে। তাৰ পিছত মই সুধো আপোনাৰ ঘৰত এখন ৰেচন কাৰ্ড আছে। তাত পাঁচ জনে ত্ৰিশ কিলো চাউল পায়। ত্ৰিশ টকা কৰি সাত শ পঞ্চাশ টকা হয়। আপুনি বিনামুলীয়াকৈ পাইছে। নহ'লে সাত শ পঞ্চাশ টকা খৰচ কৰিব লাগিলেহেঁতেন আৰু বাৰ মাহত প্ৰায় সাত হাজাৰ টকা আপুনি খৰচ কৰিব লাগিলেহেঁতেন। এইখিনি কি চৰকাৰী সাহাৰ্য্য নহয় নেকি? তেতিয়া তেওঁ কয় এইখিনি পাইছে। আপোনালোকৰ গাঁৱলৈ যেতিয়া মই নিৰ্বাচনৰ আগত গৈছিলো মোৰ গাড়ীখন তিনিজন মানুহক তিনি শ টকা দি বোকাত ঠেলিব দিছিলো। মই এতিয়া একেটা গিয়েৰতে মই মোৰ গাড়ীখন আপোনাৰ ৰাস্তাত যাব পাৰো। সেইটো এইখিনি চৰকাৰী সাহাৰ্য্য বুলি নাভাৱে নেকি? তেতিয়া তেওঁ কয় বৰ্তমান ৰাস্তা-পদূলি ভাল হৈছে। মই সুধিলো আপুনি পি এম এ ওৱাই আঁচনিৰ অধীনৰ ঘৰ পাইছেনে নাই? তেতিয়া তেওঁ ক'লে যে পাইছো। এইটো চৰকাৰী সাহাৰ্য্য বুলি নাভাৱে । যেতিয়ালৈকে নগদ টকা হাতত নিদিয়ে মানুহে তেতিয়ালৈকে চৰকাৰী সাহাৰ্য্য নাই পোৱা বুলি ভাৱে। মই সুধিলো আপোনালোকে উজালা গেচ পাইছে নে নাই? তেওঁ ক'লে যে বোৱাৰী জনীৰ নামতো এটা পালো আৰু পৰিবাৰৰ নামতো এটা পাইছো। তেতিয়া মই ক'লো এইটো অন্যায় হৈছে। তেতিয়া তেওঁ ক'লে দিছে কাৰণে লৈছো। কিছুমান মানুহে দুই নম্বৰী কৰি লৈছে। কিন্তু পাইছে। কৃষিৰ ক্ষেত্ৰত পাঁচ হাজাৰ টকা সঁজুলি কিনিবৰ বাবে পাইছে।

**শ্ৰীমতী নন্দিতা দাস, বিধায়িকা, (বকো) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিধায়ক জনে বেলেগ বেলেগ আঁচনিৰ কথা প্ৰচাৰ কৰি আছে।

**শ্ৰী দেৱানন্দ হাজৰিকা, বিধায়ক, (বিহপুৰীয়া) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই কৃষিৰ কথা এই কাৰণেই কৈছো কাৰণ স্বাস্থ্য ভাল লাগে। মোৰ অভিভাৱকে যদি মোক ভাল খাদ্য দিব নোৱাৰে, মোৰ পথাৰত যদি ভাল কৃষি নহয় তেতিয়াহ'লে আমি ল'ৰা-ছোৱালীক কি শিক্ষা দিম। এইটো শিক্ষাৰ লগত জড়িত নহয় নেকি? শিক্ষাটো সকলোৰে লগত জড়িত হৈ আছে। শিক্ষা, স্বাস্থ্যৰ লগতো জড়িত হৈ আছে। মই এঘণ্টা স্বাস্থ্য আৰু এই চৰকাৰে অনা আঁচনিসমূহৰ ওপৰত কথা ক'ব পাৰো। স্বাস্থ্য ভাল নহ'লে ল'ৰা-ছোৱালীয়ে পঢ়িব নোৱাৰে। শিক্ষাৰ লগত খাদ্যও জড়িত হৈ আছে। নহ'লে পঢ়িবও নোৱাৰে ল'ৰা-ছোৱালীয়ে। আমি যদি দুখীয়া খেতিয়কৰ ভাল খেতি উৎপাদন কৰিব নোৱাৰো তেতিয়া তেওঁলোকে Mal Nutrition ত ভুগিব। সকলো ফালৰ পৰা স্বাৱলম্বী কৰিবৰ বাবে এই চৰকাৰ খনে কাম কৰি আহিছে। আজি শ্বহীদ আঁচনিৰ জৰিয়তে আমি বহুতো আঁচনিৰ ল'ৰা-ছোৱালীক পইচা দিছো। বিনামুলীয়া শিক্ষাৰ বাবে বহুখিনি পইচা লাগে। কিন্তু তাৰ মাজতো এনেকুৱা বহুতো দুখীয়া ল'ৰা-ছোৱালী আছে যিয়ে জোতাযোৰ কিনিব নোৱাৰে। আমি ইউনিফৰ্ম দিছিলো কিন্তু জোতাযোৰ দিয়া নাই, বেগটো হয়তো দিব পৰা নাই। যেতিয়া কলেজলৈ যায় তেওঁলোকে এটা বেগ ল'ব বিচাৰে। হাতত এটা মোবাইল লাগে, ঘড়ী এটা লাগে। যিটো আজিকালি দৰকাৰ হৈ

পৰিছে। শ্বহীদ আঁচনিৰ জৰিয়তে আমি দুখীয়া ল'ৰা-ছোৱালীক পইচা দিব পাৰিছো। আগতে কল্পনাৰ অতীত আছিল। গতিকে ইমানখিনি উন্নয়ণ যদি চৰকাৰখনে কৰি আছে তেনেক্ষেত্ৰত মই বিধায়ক সকলক অনুৰোধ জনাম ইমানবোৰ উন্নয়ণৰ কাম কৰাৰ লগে লগে শিক্ষাৰ প্ৰতি সজাগতা অনাটো আমাৰ দায়িত্ব বুলি ভাৱিব লাগে। আমাৰ ঘৰৰ পৰিৱেশটো ঠিক কৰিব লাগে। তেতিয়াহে শিক্ষা ঠিক হ'ব। মাক-দেউতাকে যদি কাজিয়া কৰি থাকে ল'ৰা-ছোৱালীৰ মনটো কাজিয়াৰ ফালে ধাবিত হ'ব। স্কুলৰ পৰিৱেশ ঠিক কৰিবৰ বাবে চাৰিত্ৰিক পৰিৱেশটো উন্নয়ণ কৰিবৰলগীয়া হয়এই সকলোখিনি কথা আমি চাব লাগিব। আমি ল'ৰা-ছোৱালীক সমৰ্থন কৰিব পাৰো, শিক্ষক সকলে ক্লাছত শিক্ষা দিব পাৰে। মাক-দেউতাকে পইচা পাতি দি চাপোৰ্ট কৰিব পাৰে কিন্তু উন্নতি কৰিব লাগিব ল'ৰা-ছোৱালীয়ে নিজে। যেতিয়া ডাঙৰ হৈ যাব তেওঁলোকে নিজৰ কথাৰেই চিন্তা কৰিব লাগিব আৰু সেই নিজৰ চিন্তাধাৰা বঢ়াবৰ বাবেই তেওঁ নিজক গঢ় দিব লাগিব। কিন্তু আজি বহুতেই এই গঢ় দিব পৰা নাই। দুখীয়া কাৰণে দিব পৰা নাই। কিন্তু আজি চৰকাৰখনে এই সকলোধৰণৰ আঁচনিবিলাক দি এই shape দিবৰ কাৰণে চেষ্টা কৰি আছে। Infrastructure Development কৰি আছে। এই চৰকাৰখন যেতিয়া ২০১৬ চনত আহিছিল, তেতিয়া কৈছিল আমি বহুদিনেই নকৰা এই স্কুলবিলাক Provincialise কৰিম। আজি তাৰ সম্পূৰ্ণ হোৱাৰ পথত আগবাঢ়িছে। আগতে একোখন হায়াৰচেকেণ্ডাৰী স্কুলত কিছুমান শিক্ষকক চৰকাৰীকৰণ কৰিলে আৰু কিছুমানক এৰি থৈ গুচি গ'ল। এজনে দৰমহা পাই আছে, এজনে দৰমহা নোপোৱাকে বিশ-পঁচিচ বছৰ চাকৰি কৰি আছে। সেই সকলোকো এই Provincialisation ৰ আওঁতাত আনিবৰ কাৰণে এইখন চৰকাৰে চেষ্টা কৰি আছে। আজি আমাৰ মনিটৰিং চিষ্টেমটো ভাল হোৱাৰ কাৰণে প্ৰাইভেট স্কুলৰ পৰা লাহে লাহে ল'ৰা-ছোৱালী চৰকাৰী স্কুললৈ ধাবিত হৈছে। সেই কাৰণে মই কৈছো, আমাৰ লক্ষীমপুৰ জিলাত দহ শতাংশ বাঢ়িছে। অন্য জিলাতো হয়তো আমাৰ মেট্ৰিকৰ ৰিজাল্টটো দহ শতাংশ বা কিবা এটা বাঢ়িছে নিশ্চয়। এইটো কেৱল এই গুণোৎসৱ আৰু এই স্কুলবিলাকৰ উন্নয়নৰ কাৰণে চৰকাৰে কৰা প্ৰচেষ্টাৰ কাৰণে হৈছে আৰু এই প্ৰচেষ্টাৰ কাৰণে পইচা দিবই লাগিব। আমি ক'ম চৰকাৰীকৰণ কৰক তাত পইচা লাগে। আমি ক'ম Additional Teacher লাগে, তাতো পইচা লাগে, পাৰিতোষিক বঢ়াই দিব লাগে, তাতো পইচা দিব লাগে। আমি ক'ম Additional Teacher লাগে অথচ পইচা নিদিও। এইটো কেনেকৈ হ'ব? পইচা নিদিয়াকৈ কোনে আহিব? গতিকে এই গোটেই পৰিৱেশটো সুন্দৰ কৰিবৰ কাৰণে Additional যি amount আমাৰ মন্ত্ৰী ডাঙৰীয়াই বিচাৰিছে এই টকাটো আমি ইয়াত আজি পাচ কৰিব লাগে আৰু কেৱল যেনেকৈ দিল্লী কা লাডু খানে চে ভি পচটাইয়েগা, নেহী খানে চে ভি পচটাইয়েগা, এনেকুৱা ধৰণৰ যদি কথা কও, তেনেহ'লে উন্নয়ন কেনেকৈ হ'ব। আমি ক'ব লাগিছিল যে মন্ত্ৰী মহোদয়ে আমাৰ স্কুল বিলাকৰ লেকুনাবিলাক দুৰ কৰিবৰ কাৰণে আৰু পইচা বিচাৰিব লাগিছিল। ৯৭ হাজাৰ ৫৪৫ লাখ এইটো খুব কম পইচা, আৰু বহুত পইচা লাগে। শিক্ষাৰ ক্ষেত্ৰত সৰহখিনি পইচা খৰচ কৰিব লাগে। তেতিয়াহে দেশে উন্নতি কৰিব। তেতিয়াহে আমাৰ ল'ৰা-ছোৱালী Class -XII পাচ কৰি, VIII পাচ কৰি কৰোবাত চকীদাৰৰ চাকৰি কৰিবৰ কাৰণে অসমৰ বাহিৰলৈ দৌৰি নাযায়। আজি এই ল'ৰা-ছোৱালী বিলাকক যি শিক্ষা আগতে দিয়া হ'ল, তেওঁলোকে নিজৰ ভৰিৰ ওপৰত থিয় দিব নোৱাৰিলে। আমি কিছুমানক সুধিছিলো যে, তোমালোকে এতিয়া ঘুৰি যাবানে? মই প্ৰব্ৰজিত শ্ৰমিকৰ কথা কৈছো। তেওঁলোকৰ শিক্ষাগত অৰ্হতাটো এনেকুৱা হ'ল যে, হালোৱাও নহ'লো, জালোৱাও নহ'লো, এনেকুৱা অৱস্থা। আমি তেওঁলোকক নিজৰ ভৰিৰ ওপৰত থিয় হ'ব পৰা কোনো স্কীম্ দিব নোৱাৰিলো। সেই কাৰণে তেওঁলোক বাহিৰলৈ

যাবলৈ বাধ্য হ'ল। বাহিৰত গৈ সৰু সৰু কাম কৰে যিটো কাম হয়তো আমাৰ ইয়াত আহি তেওঁলোকে কৰিবলৈ বেয়া পায়। এতিয়া আমি Skill Development কৰি সেই ল'ৰা-ছোৱালী বিলাকক, যিসকল ঘুৰি আহিছে, অহাৰ পিছত যিসকলে ঘুৰি যাব নিবিচাৰে, তেওঁলোকৰ প্ৰতি আমাৰ দায়িত্ব আছে আৰু তেওঁলোকৰ Skill Development ৰ কাৰণে আমাক পইচা লাগে। এইবিলাকো ইয়াত সন্নিবিষ্ট কৰিব লাগিছিল। গতিকে মই বৰ দীঘলীয়াকৈ নকওঁ। কাৰণ আৰু ক'লে আকৌ চিএঞৰ-বাখৰ শুনাতকৈ মই আমাৰ বিৰোধীয়ে অনা যিটো প্ৰস্তাৱ, সেই প্ৰস্তাৱটোৰ against য়েকৈ মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্য শ্ৰী মাজেন্দ্ৰ নাৰ্জাৰী।

**শ্ৰী মাজেন্দ্ৰ নাৰ্জাৰী, গছাইগাওঁ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি সদনত উত্থাপিত মঞ্জুৰী নং ৭১ সেই দাবীটো মঞ্জুৰী শিক্ষা বিভাগৰ ইয়াৰ সপক্ষে আৰু কৰ্তন প্ৰস্তাৱৰ বিপক্ষে দুআষাৰ মান কথা ক'বলৈ বিচাৰিছো। মই প্ৰথমতে ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছো, আমাৰ শিক্ষা বিভাগৰ মন্ত্ৰীক। শিক্ষা বিভাগৰ যেনেকুৱা ধৰণৰ সমস্যা, বহুল সমস্যা, এই সমস্যাসমূহ সমাধান কৰিবৰ কাৰণে তেখেতে অহৰহ প্ৰচেষ্টা কৰি আছে আৰু সেইবিলাক ক্ৰমান্বয়ে সেই দূৰীকৰণ হ'বলৈ গৈ আছে। আমি ছাত্ৰ-ছাত্ৰীৰ কথা যেতিয়া চিন্তা কৰো, আমাৰ বিশেষকৈ দুখীয়া পৰিয়ালৰ যিসকল ছাত্ৰ-ছাত্ৰী, আৰু দুখীয়া পৰিয়ালৰ যিসকল অভিভাৱক তেখেতসকলে অনুভৱ কৰিব পাৰে যে, আজি শিক্ষা বিভাগৰ তৰফৰ পৰা ছাত্ৰ-ছাত্ৰী সকলৰ কাৰণে বিনামূলীয়া কিতাপ, তাৰপিছত free admission ৰ যিবিলাক সুবিধা ছাত্ৰ-ছাত্ৰীক দিয়া হৈছে, এই সুবিধাবিলাকে বিশেষকৈ দৰিদ্ৰ পৰিয়ালৰ লোকসকলক যথেষ্ট সকাহ দিয়া বুলি ৰাইজে অনুভৱ কৰে। কিন্তু ইয়াৰ ভিতৰত বিভিন্ন ধৰণৰ সমস্যা আমাৰ শিক্ষা বিভাগত আছে। যি সমস্যাবিলাক এতিয়াও চৰকাৰে হয়তো প্ৰচেষ্টা কৰিও সেইবিলাক সমস্যা সমাধান কৰিব পৰা নাই। বিশেষকৈ আমাৰ শিক্ষা বিভাগত যিবিলাক শিক্ষকৰ সমস্যা, ছাত্ৰ-ছাত্ৰী অনুপাতে যেনেকুৱা ধৰণৰ শিক্ষকৰ নিয়োগ হ'ব লাগিছিল, তেনেকুৱা ধৰণৰ শিক্ষকৰ স্কুলবিলাকত অভাৱ আছে গতিকে সেইবিলাক চৰকাৰে পৰীক্ষা কৰি সোনকালে যাতে ছাত্ৰ-ছাত্ৰী সকলে উচিত শিক্ষা লাভ কৰিব পাৰে তাৰ কাৰণে সেই ব্যৱস্থাটো অনতি পলমে গ্ৰহণ কৰিব লাগে। ইয়াৰ পিছতে আমাৰ যিবিলাক ভিতৰুৱা অঞ্চল, য'ত বিদ্যালয়ৰ দৰকাৰ, সেই অঞ্চল বিলাকত এতিয়াও শিক্ষা অনুষ্ঠান হোৱা নাই। অৱশ্যে যিটো চৰকাৰৰ নিয়ম-নীতি ০১-০১-২০০৬ ইয়াৰ পিছত হয়তো কিছুমান আমাৰ বি টি চি অঞ্চলত বিশেষকৈ পাহাৰীয়া অঞ্চল, ভিতৰুৱা অঞ্চল বিভিন্ন ঠাইত তেনেকুৱা ধৰণে বিদ্যালয়বিলাক স্থাপন হৈছে ০১-০১-২০০৬ চনৰ পিছত কিন্তু সেই ঠাই বিলাকত প্ৰয়োজন আছে বিদ্যালয়ৰ। তাৰ ল'ৰা-ছোৱালী বিলাকে বহুত দূৰ গৈ শিক্ষা লাভ কৰিব নোৱাৰে। তেনেকুৱা কিছুমান স্কুল আছে যি স্কুল বিলাক এতিয়াও প্ৰাধিকৰণ হোৱা নাই। সেই বিলাক বিশেষকৈ consider কৰি, যেনেকৈ অথনি আমাৰ প্ৰশ্নৰ উত্তৰ কালত মাননীয় শিক্ষা মন্ত্ৰীয়ে কৈছে যে বিশেষকৈ বি টি চি অঞ্চলৰ যিবিলাক বিদ্যালয় তাৰ কাৰণে consideration লৈ আৰু য'ত য'ত প্ৰয়োজন তাত বিদ্যালয় স্থাপন কৰাৰ এটা ব্যৱস্থা নিশ্চয় তেখেতে গ্ৰহণ কৰিব। তেতিয়া হ'লে যে আমি সমভাৱে সকলো অঞ্চলক সামৰি লৈ বিশেষকৈ পাহাৰ ভৈয়াম, পাহাৰৰ ওচৰা ওচৰি যিবিলাক ভিতৰুৱা গাওঁ, য'ত বহু দূৰ স্কুলত আহিব লাগে সেইবিলাক স্কুল Provincialise হোৱা নাই। তাত থকা শিক্ষকসকলে দৰমহাতো, নাপায়ে তাৰ পাছত তেখেত সকলে বিনা বেতনে, বিনা অনাহাৰে তেখেত সকলে ল'ৰা-ছোৱালীক পাঠ দান কৰি আছে। বিশেষকৈ আমাৰ বি টি চি অঞ্চল বা বাহিৰৰ সিফালে উত্তৰ অঞ্চলত বা পাহাৰীয়া অঞ্চলৰ ওচৰা ওচৰি যি

বিলাক ঠাই আছে, সেই অঞ্চলত বিলাকত বিশেষকৈ আমাৰ ২০০৩ ৰ ১০ ফেব্ৰুৱাৰী তাৰ আগতে আমাৰ অঞ্চল বিলাকত বিভিন্ন ধৰণৰ আন্দোলন চলিছিল। আপোনালোক সকলোৰে অৱগত। তাৰ পাছতহে যেতিয়া পৰিস্থিতি নিয়ন্ত্ৰণ হৈ আহে, যেতিয়া পৰিস্থিতি ভাল হৈছিল তেতিয়াহে সেই ঠাই বিলাকত স্কুল স্থাপন কৰা সুযোগ পাইছে। আগতে ৰাইজেহে স্কুল স্থাপন কৰিছিল। আমাৰ চৰকাৰে য'ত প্ৰয়োজন তাতটো গৈ স্কুল স্থাপন কৰি দিয়া নাই। গতিকে সেই সময়ত য'ত যেনেকুৰা ধৰণৰ প্ৰয়োজন ঠিক তেনেকুৰা ধৰণৰ বিদ্যালয় বিলাক স্থাপন হৈছিল। কিন্তু আজিলৈকে সেইটো প্ৰাদেশিকীকিকৰণ নহ'ল। সেয়েহ সেইবিলাক স্কুলক বিশেষভাৱে নজৰ ৰাখি অঞ্চল বিলাকক নজৰ ৰাখি সেই ঠাইবিলাকত যাতে ছাত্ৰ-ছাত্ৰীয়ে সু-শিক্ষা গ্ৰহণ কৰিব পাৰে সেই ব্যৱস্থাতো চৰকাৰে নিশ্চয় ল'ব লাগে। ইয়াৰ পাছত মই চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো, যে আমাৰ যেনেকৈ বাগানীয়া অঞ্চল বিলাকত বিদ্যালয় নোহোৱা ৰ ফলত আমাৰ ল'ৰা-ছোৱালী, বাগানীয়া ছাত্ৰ-ছাত্ৰী বহুত অসুবিধা ভোগ কৰিবলগীয়া হয়, বহুত অসুবিধা পায়। গতিকে এতিয়া চৰকাৰে যিখিনি চিন্তা চৰ্চা কৰিছে বাগান বিলাকত স্কুল স্থাপন কৰি দিয়াৰ ব্যৱস্থা, সেই ব্যৱস্থাটো চৰকাৰে যেনেকুৰা ধৰণেৰ চিন্তা কৰে, সেইটো সফল কৰিব লাগে। আমাৰ অঞ্চলতো ঠিক তেনেকৈ আছে। এতিয়ালৈকে মোৰ অঞ্চলত যিখন বাগান সেই বাগনত এখনো হাইস্কুল প্ৰাদেশিকীকিকৰণ হোৱা নাই। এখন মাত্ৰ হাইস্কুল আছে। সেই হাইস্কুল মৰনাই চাহ বাগিচা হাইস্কুল, সেই স্কুলখন এতিয়াও হোৱা নাই। গতিকে সেই স্কুলখনে লওঁক নাইবা বেলেগে যদি চৰকাৰে স্থাপন কৰে চৰকাৰী ভাৱে, ঠিক তেনেকুৰাকৈ স্থাপন কৰি আমাৰ বাগানীয়া যিবিলাক দুখীয়া ছাত্ৰ-ছাত্ৰী সেই অঞ্চলত আছে, তাত উপকৃত কৰিব পৰাকৈ সেই স্কুল বিলাক সোনকালে প্ৰাদেশিকীকিকৰণ কৰাৰ ব্যৱস্থা, নহ'লে স্থাপন কৰাৰ ব্যৱস্থা কৰিব লাগে। ঠিক তেনেকুৰা ধৰণৰ আমাৰ চালবাৰী সমষ্টিৰ যিখন দাওধৰা এম ই স্কুল upgradation হ'ল হাইস্কুললৈ, কিন্তু post creation নহ'ল। তাতে যদি শিক্ষকেই নাই, তেনেহলে কেনেকৈ শিক্ষাদান কৰিব, ল'ৰা-ছোৱালী কেনেকৈ শিক্ষা গ্ৰহণ কৰিব ? গতিকে এই বিষয় বিলাক মই অনুৰোধ জনাইছো যে আমাৰ এই দাওধৰা এম ই স্কুল যিটো upgradation হৈছে, সেই upgradation স্কুলত যাতে post creation ৰ কাৰণে ব্যৱস্থা কৰে তাৰ কাৰণে মই চৰকাৰক অনুৰোধ জনাইছো। বিশেষকৈ আজি এই সকল ল'ৰা-ছোৱালী আমাৰ চৰকাৰে যিবিলাক সহযোগ কৰি আছে, ছাত্ৰ-ছাত্ৰী সকল যথেষ্ট উপকৃত হৈছে, যেনেকৈ বৰ্তমান সময়ত কিতাপ পত্ৰ কিনাৰ কাৰণে ল'ৰা-ছোৱালীয়ে টকা-পইছা তথা অন্য সুযোগ সুবিধা পাইছে লগতে বিভিন্ন ধৰণৰ আঁচনিৰ যোগেদি আমাৰ সাধাৰণ ৰাইজ এই চৰকাৰৰ যোগেদি উপকৃত হৈছে। বিশেষকৈ মই শিক্ষাৰ ক্ষেত্ৰত আমাৰ যিখিনি অঞ্চল, বি টি চি অঞ্চলত বিশেষকৈভাৱে আগতেও আমি কৈ আহিছো যে আমাৰ এই অঞ্চল বিলাকত পিছ্ত যিহেতুকে বিদ্যালয় বিলাক স্থাপন হ'ল সেই কাৰণে এইবিলাক পিচ পৰি থাকিল। আমাৰ যিটো গাইড লাইন, যিটো নিয়ম-নীতি, সেই নিয়ম-নীতি কিছুমান নপৰে। গতিকে সেইখিনি consider কৰি চৰকাৰে যে প্ৰয়োজন সাপেক্ষে যাতে সেই অঞ্চল বিলাকত শিক্ষা অনুষ্ঠান প্ৰাদেশিকীকৰণৰ ব্যৱস্থাটো কৰে। সেইটো মই বিশেষ ভাৱে অনুৰোধ কৰিছো। শিক্ষা যেনেকুৰা ধৰণৰ এতিয়া আমাৰ চৰকাৰে অনুভৱ কৰিছে, সেই তেনেকৈ যদি অনুভৱ কৰে তেনেহ'লে হয়তো কিছু পৰিমাণে শিক্ষা বিষয়ক যিবিলাক সমস্যা এই সমস্যা বিলাক সমাধান হোৱাৰ এটা ৰাস্তা চৰকাৰে নিশ্চয় উলিয়াব। মই আশা কৰিছো যে এই কৰ্ত্তন প্ৰস্তাৱত, বিৰোধীয়ে যিটো কৰ্ত্তন প্ৰস্তাৱ আনিছে তাত নিশ্চয় তেখেত সকলেও একমত হ'ব। তেখেতসকলে এই টকাখিনি দিব। কিয়নো বিয়াগোম এটা বিভাগ আৰু শিক্ষা বিভাগ য'ত মানৱ সম্পদ গঢ়াৰ এটা বিভাগ। সেই বিভাগত

আমি পইচা দিয়াত কোনো আপত্তি থাকিব নালাগে। গতিকে মই দীঘলীয়া নকৰি এইখিনি কৰ্ত্তন প্ৰস্তাৱৰ সপক্ষে দুষাৰ কৈ মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্য শ্ৰীকমলাক্ষ দে’ পুৰকায়স্থ।

**শ্ৰীকমলাক্ষ দে পুরকায়স্থ (উত্তর করিমগঞ্জ )** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমাদের দলের পক্ষ থেকে যে কৰ্ত্তন প্রস্তাব আনা হয়েছে তার পূর্ণ সমর্থন জানিয়ে আমি কিছু বক্তব্য রাখছি। আমাদের প্রাক্তন রাষ্ট্রপতি প্রয়াত প্রণব মুখার্জ্জী আজ আমাদের মধ্যে নেই। উনার প্রতি শ্রদ্ধা নিবেদন করে আমার বক্তব্য তুলে ধরছি। বিশেষ করে উনি বলেছিলেন যে সুন্দর চেহেরার অহংকার করো না। কারণ মৃত্যুর পর তোমাকে স্পর্শ করা হাত মানুষ ধুয়ে নেবে। উপাধ্যক্ষ মহোদয়, যে শিক্ষায় মানুষকে মানুষ হতে শিখায় না, সেটা আবার কিসের শিক্ষা। ২০০৯ সালে ইউপিএ সরকারের সময় শিক্ষার অধিকার আইন প্রণয়ন করা হল। সেই শিক্ষার অধিকার আইনে আজ টেটে নিযুক্তি, স্কুল গুলোকে সুন্দর করা, ইনফ্রাস্ট্রাকচার তৈরী করা, শিক্ষা ক্ষেত্রকে কিভাবে অগ্রাধিকার দেওয়া যায় এবং শিক্ষাকে কিভাবে বাস্তবমুখী করে তোলা যায় তার জন্য শিক্ষার অধিকার আইন প্রণয়ন করা হয়। আজ শিক্ষার জন্য যে বিল্ডিং করা হচ্ছে, ডেস্ক-বেঞ্চ, বই-পত্র দেওয়া হচ্ছে সেগুলো সম্পূর্ণ শিক্ষার অধিকার আইনের মাধ্যমে। অতএব সরকারের মুখ্য উদ্দেশ্য হচ্ছে শিক্ষাকে কি করে আরও সুদৃঢ় করে শিক্ষার অগ্রগতি করা যায়। ২০১১ সালে টিচার প্রভিনশিয়ালাইজড অ্যাক্ট প্রণয়ন করা হল, তখন বিশেষ করে প্রাইভেট স্কুলের শিক্ষক যারা তাদের মনে একটা আশার সঞ্চার হল। সেই অ্যাক্টের মাধ্যমে ২০১১ থেকে ২০১৬ অবধি ১১,৯৫৭ জন কে প্রাইমারি লেভেলে প্রাদেশিকরণ করা হল। ২০১৬ সনের পর আজ অবধি সেই প্রক্রিয়াকে বাস্তবায়িত করা সম্ভব হয়নি। যদিও বর্তমানে টিচারের জায়গায় টিউটর করা হল। আগের যে বেতন ছিল তার অর্ধেক করা হল। তাতেও আমাদের শিক্ষকদের কোনও আপত্তি নেই। কিন্তু আপনারা করতে পারছেন না কেন সেটা হচ্ছে প্রশ্ন। উপাধ্যক্ষ মহোদয়, আমাদের বরাকে ২০১৪ সালে স্পেসিফিক মিডিয়াম টেট অনুষ্ঠিত হয়েছিল। তখন অনেকেরই চাকরি হল এবং চার থেকে পাঁচ শো ছেলেমেয়েরা বাদ পরল। কারণ ছিল তারা ওভার এজ। টেটের নিযুক্তি হচ্ছে আমি ধন্যবাদ জানাই টেটের নিযুক্তির জন্য। কিন্তু আজ নিযুক্তি হওয়ার কথা ছিল এ এনএম, জিএন এম এর। যাই হোক সেদিকে আমি যাচ্ছি না। কিন্তু আমার কথা হচ্ছে সেই অভার এজ ব্যক্তিরা কি করবে? সেই ক্ষেত্রে আমি সরকারের দৃষ্টি আকর্ষণ করছি যে আপনারা স্পেসিফিক কোন সিদ্ধান্ত নিন। আমার এখনও মনে আছে আমাদের শিক্ষামন্ত্রী করিমগঞ্জ গিয়ে মিটিং করেছিলেন এবং তিনি বলেছিলেন যে আপনারা মবাইলে রেকর্ড করে নিন আমার সরকার আসার ৩ মাস পর আপনাদেরকে রেগুলারাইজ করে দেব। কিন্তু আজ প্রায় সাড়ে চার বছর সম্পূর্ণ হতে চলল আজ অবধি রেগুলারাইজ করার কোন নাম গন্ধই নাই। আমি এই ব্যপারে অনেকবার সদনে বললাম, বাজেট সেশনেও বললাম কিন্তু স্পেসিফিক ভাবে কোন উত্তর দেওয়া হচ্ছে না। তাই আজ আমি অনুরোধ করব যে এই এক্সেস ইরেগুলার শিক্ষকদের জন্য বাস্তবমুখি চিন্তাধারা নেওয়া হয়। আপনারা তো এমনিতেই টিচারকে টিউটার করেছেন। টিউটর যখন করেছেন তখন অন্তত ওদের চাকুরি স্থায়ীকরণের ব্যবস্থা করে দিন। উপাধ্যক্ষ মহোদয়, পেট্রোলে পাঁচ টাকা নেওয়া হচ্ছে, অসমকে আরও টাকা দেওয়া হচ্ছে, যদিও বলা হচ্ছে যে কভিডের জন্য আমরা এখন চিকিৎসা ঠিক মতো করতে পারছি না। অক্সিজেনের অভাব এগুলো আমরা সবাই জানি। আজ মন্ত্রী মহোদয় অরুণোদয় স্কীমের উপর আধা ঘন্টা বক্তৃতা দিলেন। অরুণোদয় স্কীম দেবেন কিন্তু কভিডের চিকিৎসা আপনারা করতে পারবেন না। সেটা কিভাবে হবে? মানুষের

জীবনের মূল্য প্রথম, মানুষ বেঁচে থাকলে অরুণোদয় স্কীম, এই সদন, এই অসম, এই ভারতবর্ষ অর্থাৎ বেঁচে থাকাটা হচ্ছে মুখ্য উদ্দেশ্য। কল্যানকামী রাষ্ট্রে মানুষের স্বার্থে কাজ করাটাই হচ্ছে সরকারের মুখ্য উদ্দেশ্য। ১৯ শে অক্টোবর ডি এ দেওয়া হয়েছিল। তার পরে আজ অবধি ডি এ দেওয়া হচ্ছে না। সরকারের অবস্থা যদি ভালো হয় তাহলে ডিএ কেন পাচ্ছে না মানুষ। ২০১৫ সালে মাদ্রাসা টেট অনুষ্ঠিত হল। দুই হাজার ছেলে মেয়ে সেখানে পাশ করল। ২০১৮ সালে নির্দেশ দেওয়া হল যে যারা পাশ করেছেন তারা এম ই স্কুলে আবেদন করতে পারবেন। কিন্তু দুঃখের সঙ্গে বলতে হচ্ছে যে যাদের বলা হয়েছিল আবেদন করার জন্য তাদেরই পরবর্তী কালে বলা হল চাকুরী দেওয়া হবে না। এই যে বৈষম্য তার কারণ টা কি ? আমি যখন বিধান সভায় আসি তখন তারা আমাকে বলে যে আপনি তো সদনে যাচ্ছেন আপনি শিক্ষামন্ত্রীকে জিজ্ঞাসা করবেন আমাদের অবস্থা টা কি? বর্তমানে আমাদের স্ট্যাটাস টা কি? সে জিনিস টা তো জানতে হবে। উপাধ্যক্ষ মহোদয়, বরাকে মাইনোরিটি স্কলারশিপে অনেক বড় কেলেঙ্কারি সংঘটিত হয়। সে বিষয়ে ইতিমধ্যে সি আই ডি তদন্ত হয়েছে। এখান থেকে যে নাম পাঠানো হয়েছে কিন্তু সেই স্পেসিফিক স্কুলে গিয়ে নুরজামাল আলির পুত্র দিলীপ বিশ্বাস হয়েছে। অর্থাৎ নামের কোন ঠিক নাই। এই যে স্কুলের কেলেঙ্কারী তার যাতে সঠিক সিদ্ধান্ত নেওয়া হয়, যে বা যারা দোষী তাদের বিরুদ্ধে ব্যবস্থা নেওয়া হোক। মাননীয় উপাধ্যক্ষ মহোদয়, ভূটান একটা ছোট রাষ্ট্র। আশির দশকে ভূটানের শিক্ষা ব্যবস্থা চালু হয়েছিল আমাদের এন সি আর টি পুস্তক দিয়ে। সেখানে রাজার পুত্র আশির দশকে সরকারি স্কুলে ভর্ত্তি হলেন। কিন্তু বর্ত্তমান দিনে যদি আমরা দেখি যে ভূটানের শিক্ষা ব্যবস্থা ভারতের শিক্ষা ব্যবস্থার থেকে অনেক এগিয়ে আছে। ভূটানেও প্রাইভেট স্কুল আছে। কিন্তু প্রাইভেট স্কুল কাদের জন্য যারা সরকারি স্কুলে চান্স পায় না, তাদের জন্য প্রাইভেট স্কুল। কিন্তু আমরা আমাদের সন্তানকেও সরকারি স্কুলে দেই না। এখানে সরকারি স্কুল গুলো এত অবহেলিত। তার কারণ টা কি ? আমাদের নৈতিক শিক্ষার দরকার। আমি আগেও বলেছি, যে শিক্ষা মানুষকে মানুষ হতে সাহায্য করে না সেই শিক্ষা আবার কিসের শিক্ষা। নৈতিক শিক্ষার জন্য আমাদের নতুন পাঠ্য পুস্তক আনা হবে বলা হয়েছিল, কিন্তু এখনও আনা হয়নি। কর্ত্তন প্রস্তাবে বলা হয়েছে ১০০ টাকা আমাদের কাটতে হবে। টাকা যদি বেশি দরকার হয় তাতে আমাদের আপত্তি নাই। ছাত্র-ছাত্রীদের উন্নয়ন কল্পে কাজ করতে হবে, ছাত্র, অভিভাবক ও শিক্ষকদের মধ্যে সমন্বয় তৈরি করতে হবে। আমাদের কিন্তু সমন্বয়ের বেশ কিছুটা অভাব রয়েছে। সেক্ষেত্রে শিক্ষা বিভাগের ব্যবস্থা নেওয়া খুবই দরকার। আজ বিধান সভায় বিধায়ক আমিনুল ইসলাম ভাষা সার্কুলার আইনের কথা বলেছেন। যেহেতু আমরা আইন সভার সদস্য সেই কারণে আইন আমাদের মানতে হবে। প্রতিটা ভাষার প্রতি সহনশীলতা ও সন্মান প্রদর্শন করা ভারতীয় হিসাবে আমাদের কর্ত্তব্য। আমরা বিধায়ক হিসাবে যাতে আমরা সেই দায়িত্ব পালন করতে পারি। উপাধ্যক্ষ মহোদয়,

“গুরু র্ব্রহ্মা, গুরু বিষ্ণুঃ
গুরুর্দেবো মহেশ্বরঃ
গুরুরেব পরং ব্রহ্ম
তস্মৈ শ্রীগুরুবে নমঃ।”

গুরুকে আমরা ব্রহ্মা ও বিষ্ণুর সঙ্গে তুলনা করি। কিন্তু আমাদের অসমে সরকারি স্কুলগুলোকে কিভাবে এগিয়ে নিয়ে যাওয়া যায় সেদিকে আমাদের নজর দিতে হবে। জি এস টির ক্ষেত্রে আমরা এ হয়েছি, শিক্ষার ক্ষেত্রে আমরা যাতে এ ওয়ান হতে পারি সেই আশা রেখে সবাইকে ধন্যবাদ

জানিয়ে আমার বক্তব্য এখানেই শেষ করছি। নমস্কার।

**শ্ৰী গুৰুজ্যোতি দাস (মঙলদৈ) ঃ** উপাধ্যক্ষ মহোদয়, কমলাক্ষ ডাঙৰীয়া দেৱে অৰুণোদয়ৰ কথা কৈ আমাৰ চৰকাৰে যি Covid-19 ৰ treatment কৰিব পৰা নাই বুলি কৈছে এই কথাটো উঠাই ল'ব লাগে। কাৰণ মন্ত্ৰী মহোদয়ে দিনে ৰাতিয়ে কষ্ট কৰিছে।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি এতিয়া বহক। এতিয়া মাননীয় সদস্য শ্ৰী ৰফিকুল ইছলাম।

**শ্ৰী ৰফিকুল ইছলাম (জনীয়া) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, পৰিপূৰক দাবী মঞ্জুৰীৰ ওপৰত আমাৰ দলৰ ফালৰ পৰা যি কৰ্তন প্ৰস্তাৱ আনিছে তাৰ সমৰ্থনত মই দু-আষাৰ কম। মাননীয় উপাধ্যক্ষ মহোদয়, হ'ব লাগিছিল যে আমি সদনত education policy ৰ ওপৰত আলোচনা কৰো আৰু এইটো আমাৰ কৰ্তব্য আৰু দায়িত্ব যে আমি সকলোৱে মিলি আমাৰ education system টো আৰু কেনেকৈ উন্নত কৰিব পাৰো। এই sector টো কেনেদৰে আগুৱাই লৈ যাব লাগে তাৰ বাবে আমি পৰামৰ্শ দিম বা চৰকাৰে কেনেদৰে কামখিনি কৰিব তাৰ ওপৰত আলোচনা হ'ব লাগিছিল। কিন্তু দুৰ্ভাগ্যবশত আগতে যেতিয়া ৫ বছৰ বিধায়ক আছিলো তেতিয়া বেচি সময় venture school ৰ কথা বিলাকে ক'ব লাগিছিল আৰু এতিয়া বিধায়ক হোৱাৰ পিছতো সেই একেখিনি কথা আহে। আমাৰ দায়িত্ব যে আমি education policy ৰ ওপৰত আলোচনা কৰিব লাগে। কিন্তু অসমৰ যি ১২৬ টা সমষ্টি আছে শদিয়াৰ পৰা ধুবুৰী লৈকে আৰু এই সমূহত venture school ৰ যি সমস্যা সেইটো দীৰ্ঘদিনীয়া। Primary School ৰ পৰা আৰম্ভ কৰি কলেজলৈকে যি সমূহ সমস্যা আছে সেই সমূহৰ কথা আমাৰ ওচৰলৈ আহে আৰু মন্ত্ৰী মহোদয়ৰ ওচৰলৈও যায় আৰু নিশ্চয় মাননীয় উপাধ্যক্ষ মহোদয় আপোনাৰ ওচৰলৈও যায়। তাৰে কিছু সমস্যা সমাধান হৈছে এইটো কথা আমি ক'ব লাগিব। তাৰবাবে আমি চৰকাৰক ধন্যবাদ দিবলৈ কৃপণালি নকৰো। কিন্তু এতিয়াও বহু সমস্যা আছে তাৰে কিছু সমস্যাৰ কথা মই কম।

অসমখনক educationally যদি backward বুলি কোৱা হয়, মই ভাৱো এইটো ভুল নহয়। ভাৰতৰ বহু ৰাজ্যতকৈ আমি পিছপৰি আছো শিক্ষাৰ ক্ষেত্ৰত। ত্ৰিপুৰা অসমতকৈও এখন বহু সৰু ৰাজ্য কিন্তু তাৰ literacy rate আমাতকৈ বহুত বেচি। আমি ত্ৰিপুৰাৰ লগতেই ফেৰ মাৰিব পৰা নাই। কেৰেলা বা হিমাচল প্ৰদেশ এইবিলাক ৰাজ্যতো আমাতকৈ বহুত ওপৰত। আমি বহুত পিছপৰি আছো। গতিকে আমাৰ ৰাজ্যখন আগবাঢ়ি যোৱাটো আমি বিচাৰো। ভাৰতবৰ্ষৰ ভিতৰত আমাৰ ৰাজ্যখন যাতে এটা Top Rank ত আহে সেইটো আমাৰ কাৰণে সন্তুষ্টিজনক হ'ব। তাৰ কাৰণে চৰকাৰে sincerely কাম কৰিব লাগিব আৰু যিবিলাক systemic ত্ৰুটি আছে সেইবিলাক ঠিক কৰিব লাগিব। এতিয়া নতুন education policy আহিছে, তাত যথেষ্ট positive দিশ আছে। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে এই positive দিশবিলাক যাতে অতি সোনকালে implement কৰিব পৰা যায়। তেতিয়া আমি শৈক্ষিক দিশত আৰু দুখোজ আগুৱাই যাব পাৰিম। New Education Policy ৰ সেই positive aspect বিলাক যদি সোনকালে implement কৰিব পৰা যায় তেতিয়া আমি শৈক্ষিক দিশত বহুখিনি আগবাঢ়ি যাব পাৰিম।

মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা বিধান সভাত যেতিয়া আমি সময় পাইছিলো তেতিয়া আমি আলোচনা কৰিছিলো। কিছুদিন আগতে মন্ত্ৰী মহোদয়ে প্ৰায় ৯ হাজাৰ TET Teacher appoint কৰিছে। এইটো ভাল কথা। কিন্তু এতিয়াও বহু স্কুলত শিক্ষকৰ পদ খালী হৈ আছে। মোৰ সমষ্টিৰ কথা মই যোৱা বিধান সভাতে কৈছিলো যে ১৪ খন LP আৰু ME বিদ্যালয়ত

single teacher আছে। মোৰ থাৰবেলী এম ই স্কুল, দক্ষিণ বৰনগৰ সৰভোগ এম ই স্কুল ঠিক এনেকুৰা বহু কেইখন এম ই স্কুল আৰু এল পি স্কুলত single teacher আছে। এখন এল পি স্কুলত থকা ৬ টা class ত যদি মাত্ৰ এজন শিক্ষক থাকে, অকল মোৰ সমষ্টিত নহয়, শদিয়াৰ পৰা ধুবুৰীলৈকে যদি আপোনালোকে চায়, এনে বহু স্কুল পাব। কিছুমান এনেকুৰাও স্কুল আছে য'ত ১০-১৫ জন ছাত্ৰ-ছাত্ৰী আছে আৰু শিক্ষক ৭-১০ জন হৈ আছে। এইবিলাক annomalies আছে যিবোৰ ঠিক ঠাক কৰাৰ দৰকাৰ। কিন্তু যিবিলাক primary school ত ১০০ বা ১৫০ ছাত্ৰ-ছাত্ৰী আছে য'ত single teacher হৈ আছে তাত এই ছাত্ৰ-ছাত্ৰী সকলৰ জীৱনক লৈ কি অৱস্থা হৈ আছে, সেইবোৰ আমি লক্ষ্য কৰা দৰকাৰ। এইবিলাক কথা আমি আলোচনা কৰো আৰু হয়তো মাননীয় মন্ত্ৰী মহোদয়ে চেষ্টাও কৰে। কিন্তু তেখেতৰ ব্যস্ততাৰ কাৰণেই হওক বা আন কোনো কাৰণতেই হওক বা system ৰ কাৰণেই হওক ৬ মাহ বা বছৰ গুছি যোৱাৰ পাছতো এনেকুৰা ধৰণৰ annomalies বিলাক হৈয়ে আছে।

গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যদি অতি সোনকালে আমি এই ত্ৰুটিবিলাক ঠিক-ঠাক কৰিব নোৱাৰো, যিমান পইচা দিলেও বা যিমান আলোচনা কৰিলেও এই education system টো ঠিক নহ'ব। ঠিক তেনেদৰে এম ই বা হাই স্কুল সমূহতো এনেকুৰা ধৰণৰ অৱস্থা হ'ব। অতি কম সময়ৰ ভিতৰত ১২৭ খন স্কুলৰ চাহ বাগিচা অঞ্চলত মাননীয় মন্ত্ৰী মহোদয়ে inaugoration কৰিব বুলি আমি শুনিছো মিডিয়াৰ যোগেদি। এইটো ভাল কথা। Tea-Tribe অঞ্চলত ইয়াৰ প্ৰয়োজন আছে। কিন্তু BTAD অঞ্চলত হাই স্কুলৰ দৰকাৰ, বহুতো চৰ চাপৰি, পাহাৰীয়া অঞ্চলত হাই স্কুলৰ অভাৱ। সেয়েহে মই আজি অনুৰোধ কৰিম যাতে চাহ বাগানৰ এই ১২৭ খন স্কুলৰ লগতে BTAD, চৰ-চাপৰি আৰু কাৰ্বি আংলং জিলাৰ লগতে আন বহু পাহাৰীয়া অঞ্চলত এনেধৰণৰ হাই স্কুল স্থাপনৰ বাবে যাতে ব্যৱস্থা হাতত লয়, সেইটো মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম।

কলেজৰ কথা, হায়াৰ ছেকেণ্ডাৰীত Science Stream ত যিমানখিনি ছাত্ৰ-ছাত্ৰী পাছ কৰে আৰু Degree কলেজত তাৰ আধাও Seat নাই। বিজ্ঞান শাখাত 10 + 2 pass কৰা ছাত্ৰ-ছাত্ৰীৰ সকলোখিনিয়ে যদি admission ল'ব বিচাৰে, অসমৰ কলেজ সমূহত ইমানখিনি seat capacity নাই। চৰকাৰে হয়তো ক'ব যে আমি Science College দি আছো, ১৫-১৬ খন তেখেতসকলে দিলে কিন্তু এইটো যথেষ্ট নহয়। অসমত educationally backward বহু জিলা আছে। যোৰহাট বা শিৱসাগৰ জিলাত প্ৰায় ভাল, ৮৪শতাংশ বা ৮৫ শতাংশ literacy rate আছে। কিন্তু ধুবুৰীৰ নিচিনা ঠাইত ৫০শতাংশ বা ৫৫শতাংশ literacy rate , দৰং ৬০ ৰ আশে পাশে literacy rate, বৰপেটাত ৬২ ৰ পৰা ৬৩ literacy rate, চিৰাংঙত literacy rate একেবাৰে বহুত কম ৫৫ বা ৬০ ৰ আশে পাশে। গতিকে এই যি educationally backward জিলা আছে সেইবিলাকত যাতে আৰু Science Stream ৰ seat টো বঢ়াই দিয়া হয় তাৰবাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো।

মাননীয় উপাধ্যক্ষ মহোদয়, এতিয়া যিসকল ছাত্ৰ- ছাত্ৰীয়ে ডিগ্ৰী পাচ কৰিছে, Master Degree লোৱাৰ বাবে তেওঁলোকৰ কাৰণে আমাৰ অসমত আগতে গুৱাহাটী বিশ্ব বিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু অসম বিশ্ববিদ্যালয় আছিল। এতিয়া তেজপুৰ বিশ্ববিদ্যালয় হৈছে আৰু ভট্টদেৱ বিশ্ববিদ্যালয়ৰ পৰা আৰম্ভ কৰি আন কিছু নতুন নতুন বিশ্ববিদ্যালয় হৈছে। এই নতুন declared বিশ্ববিদ্যালয় সমূহত, including Cotton বিশ্ববিদ্যালয়তো যিমান বিভাগ

থাকিব লাগে সিমান নাই। বজালীত বিশ্ববিদ্যালয় হ'ল। এতিয়া বজালী বেলেগ এখন জিলা হৈ যোৱাৰ পিছত বৰপেটা জিলাত এখনো বিশ্ববিদ্যালয় নাই। গতিকে মই দাবী আৰু অনুৰোধ জনাইছো মাননীয় মন্ত্ৰী মহোদয়ক যাতে বৰপেটাৰ নিচিনা educationally backward এখন জিলাত এখন নতুন বিশ্ববিদ্যালয় যাতে স্থাপন কৰে। ধুবুৰীত বিশ্ববিদ্যালয় নাই, বঙাইগাওঁ আৰু গোৱালপাৰা জিলাতো বিশ্ববিদ্যালয় নাই। বাকী জিলা বিলাকত প্ৰায় হৈ আছে, সেইটো ভাল কথা। গতিকে ধুবুৰী বঙাইগাওঁ, বৰপেটা জিলাত বা অসমৰ প্ৰতিটো জিলাতে একোখনকৈ বিশ্ববিদ্যালয় হ'ব লাগে। কাৰণ বহুতো ছাত্ৰ-ছাত্ৰীয়ে ডিগ্ৰী লোৱাৰ পাছত বিশ্ববিদ্যালয় seat নাপায়। Private যিসমূহ বিশ্ববিদ্যালয় আছে বা অসমৰ বাহিৰত পঢ়িবৰ কাৰণে বহুতো পইচাৰ প্ৰয়োজন হয় যিটো ইচ্ছা থকা সত্বেও বহুতো দুখীয়া লৰা-ছোৱালীয়ে bear কৰিব নোৱাৰে। গতিকে কটন বিশ্ববিদ্যালয়ৰ পৰা আৰম্ভ কৰি বজালী বা হোজাই বিশ্ববিদ্যালয়ত মাত্ৰ ২-৪ টা বিভাগ চলি আছে। তাত যাতে আৰু নতুন নতুন বিভাগ introduce কৰি এই ছাত্ৰ-ছাত্ৰী সকলক শিক্ষাৰ দিশত আগবঢ়াই লৈ যায় তাৰ বাবে মই মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো।

মই আগতেই কৈছিলো যে Education Policy ৰ ওপৰত আমি আলোচনা কৰিব লাগে আৰু venture school ৰ বিষয়টো আনিব লাগে কিন্তু সময়ৰ অভাৱ হৈ যায়। যিহেতু venture school ৰ সমস্যাটো এটা ডাঙৰ সমস্যা মই ইয়াৰ ওপৰত দু-আষাৰ মান কম। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ যিসকল ছাত্ৰ-ছাত্ৰী hostel ত থাকে তেওঁলোকক মাহিলী ১০০০ টকাকৈ Scholarship পাব বুলি যোৱা বাজেটত ঘোষণা কৰিছিল। কিন্তু ছাত্ৰ-ছাত্ৰীয়ে আমাক কৈছে যে বিশ্ববিদ্যালয় সমূহত hostel capacity বহুত কম, সকলোৱে seat নাপায় আৰু তেওঁলোকে প্ৰাইভেট মেছ বা ভাড়া ঘৰত থাকে। তেখেত সকলৰ প্ৰতিও চিন্তা কৰিব লাগে।

Venture School ৰ কথা মই এতিয়া কওঁ যিহেতু মাননীয় মন্ত্ৰী মহোদয় এতিয়া আছে, গতিকে মই তেখেতক অনুৰোধ কৰিছো এম ই স্কুলৰ পৰা আৰম্ভ কৰি মই কলেজ লেভেললৈকে কম। এম ই স্কুলৰ Permission of recognition ৰ date আছিল 01-01-2006 । 01-01-2006 ৰ আগত তেওঁলোকৰ Permission of recognition হ'ল কিন্তু এই recognition letter issue কৰোতে এমাহৰ পৰা দুমাহ বা তিনিমাহ দেৰী হ'ল। তাৰবাবে প্ৰায় ৮০০ মান এম ই স্কুল বাদ পৰি গ'ল। তেওঁলোকে mid day meal বা আন lump sum amount বোৰ চৰকাৰৰ পৰা পাই আছে কিন্তু মাত্ৰ date of issue ৰ কাৰণে আৰু এমাহ দুমাহৰ কাৰণে এই বিদ্যালয়খিনি venture হৈ থাকিল। গতিকে চালিজাৰি চাই এই স্কুলৰ মাটি বাৰী সমূহ যদি ঠিকেই আছে এই সমূহৰ issue date টো consider কৰি ল'ব লাগে। এম ই স্কুলৰ ক্ষেত্ৰত এইটো মন্ত্ৰী মহোদয়লৈ মোৰ অনুৰোধ।

হাই স্কুলৰ ক্ষেত্ৰত যিসমূহ drop teacher 2013 চনতে লোৱা হৈছিল তাৰ পিছত কিছু শিক্ষকৰ পদ dropped হ'ল আৰু নতুনকৈ যিখন list ওলাল তাতো বহু dropped পৰি গ'ল। এইবিলাক result ৰ কাৰণে বহুতৰ হৈছে। ২০১৪-১৫ আৰু ২০১৬ ৰ result ত ৩০ শতাংশ result লাগে কিন্তু মাননীয় উপাধ্যক্ষ মহোদয়, যিটো Act ত আছে, মাননীয় মন্ত্ৰী মহোদয়ে নিশ্চয় জানিব যে Act ত ২০১৪-১৫ আৰু ২০১৬ ৰ average ত result ৰ কথা হৈছে। বেলেগ বেলেগ কৰি প্ৰত্যেক বছৰৰ কথা কোৱা নাই। Act ত আছেই যে তিনিবছৰত গড়ে যদি ৩০ শতাংশ হয় এইটো চাই যদি এখেতসকলক consider কৰা হয়, এইটো মই মন্ত্ৰী মহোদয়ক

অনুৰোধ ৰাখিলো। লগতে ৪১৪ টা পদৰ প্ৰায় ২০০ মান হ'ল আৰু বাকীখিনি dropped হ'ল হাইস্কুল বা হায়াৰ ছেকোণ্ডাৰী বা কিছুমান জুনিয়ৰ কলেজত। এনেকুৱা সৰু সুৰা annomalies ৰ কাৰণে এইখিনি consider কৰিবলৈ মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। কলেজৰ কথা ইতিমধ্যে আহিছে। কলেজত বহু শিক্ষকৰ নাম নাহিল, যিসকলে বাহিৰৰ university ত পঢ়িছে। যদি কিবা সন্দেহ হৈছে অতি সোনকালে enquiry কৰি তেখেতসকলৰ নাম আনিব লাগিছিল। কিন্তু university recognised বিশ্ববিদ্যালয়ৰ পৰা যদি MA degree লৈছে মই ভাৱো তাৰ উত্তৰ বহুতক লাগে। কোনোবাই হয়তো ভাবিব যে মই দিল্লী বিশ্ববিদ্যালয়ৰ বা পুনে বিশ্ববিদ্যালয়ৰ পৰা পাছ কৰি আহিলো তাৰ পিছতো মোৰ নাম নাহিল। তেতিয়া তেওঁলোকৰ দুখ লাগে। গতিকে এইখিনি যাতে consider কৰা হয়। শিক্ষক সকলৰ মাননীয় মন্ত্ৰী মহোদয়ে যিটো বিধান সভাত কৈছে যদি Zero Enrolment আছে আমি request নকৰো। কিন্তু ১০, ১২ বা ১৫ ত কৈও কমত এজন দুজন বা ৫ জনৰ কাৰণে যদি dropped হৈছে, এই বিভাগ কেইটা ল'ব লাগে। এইটো মাননীয় মন্ত্ৰী মহোদয়ৰ ওচৰত অনুৰোধ থাকিল। ইয়াৰ লগতে tuitor ৰ কথা ক'ব বিচাৰিছো। ১৯৯৮ ৰ আগত কলেজত appointed teacher বিলাকক NET/ SLET ৰ পৰা exempted হৈছে। ঠিক তেনেকৈ হাই স্কুল সমূহতো যদি কোনোবা ১৯৯৮ ৰ আগত সোমাইছে সেইখিনি consider কৰিব লাগে আৰু যিসকল non teaching staff আছে তেওঁলোকো হতাশগ্ৰস্ত হৈ পৰিছে। Librarian, চকীদাৰ বা পিয়নৰ পৰা আৰম্ভ কৰি যিখিনি staff আছে তেওঁলোকৰ বাবে যাতে এটা আইন আনি তেওঁলোকক regularize কৰিব পাৰি সেইটো চেষ্টা কৰিব লাগে, যাতে তেওঁলোকো deprive নহয়। এইটো মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো।

লগতে ২০০১ ত fixed pay ত যিসকল শিক্ষক লোৱা হৈছিল তেখেতসকলক যাতে pay scale দিয়া হয় আৰু Contractual Basis ত High School ত যিসকল ভাল শিক্ষক আছে তেখেত সকলক regular pay দিয়াৰ কথা কৈছে কিন্তু সেইটো এতিয়াও কাগজে কলমে হোৱা নাই। গতিকে তেখেতসকলক যদি অতি সোনকালে কাগজে কলমৰ জৰিয়তে regularized কৰা হয়, মই ভাৱো সমস্যা সমাধান হ'ব। নহ'লে সময় সলনি হৈ থাকে, নতুন নতুন লোক আহি থাকিব, নতুন নতুন সিদ্ধান্ত লৈ থাকিব তেতিয়া এই মানুহখিনি বিপদত পৰিব। গতিকে এই কথাখিনি সময় কম হোৱাৰ বাবে মই থুলমূলকৈ কলো। আমাৰ এই শিক্ষা বিভাগটো আগবঢ়াই লৈ যাবলৈ হ'লে আজি ৰাতিপুৱাই মই কলগাছিয়াৰ পৰা খবৰ পাইছো যে ২৫ জন যি TET ৰ শিক্ষক আছিল তেওঁলোকে আন সমষ্টিলৈ যাব। তেওঁলোকে নতুনকৈ appointment পাইছে, regular হৈছে, হয়তো তাত আৰু দিয়া হ'ব। ইতিমধ্যে মোৰ ৰূপচী আৰু জনীয়া সমষ্টিত ৫০ জন শিক্ষকৰ পদ খালী তদুপৰি তাৰপৰা আকৌ ২৫ জন গৈ আছে। গতিকে স্কুল, কলেজ, ইউনিভাৰ্চিটিবিলাকত যি শিক্ষকৰ পদবিলাক খালী হৈ আছে অতি সোনকালে যাতে সেইখিনিত নিযুক্তি কৰা হয় । আগৰ এম ই স্কুলবিলাকত আছিল ফাইভ প্লাছ আৰু ছিক্স প্লাছ আৰু এতিয়া থ্ৰী প্লাছ কৰা হৈছে এইটোও যাতে বিবেচনা কৰা হয়। যিহেতু 2013 ত এম ই স্কুল ফাইভ প্লাছ হোৱা কাৰনে আমি ল'লো, ছিক্স প্লাছ হোৱাৰ কাৰনে আমি হিন্দী আৰবী বিষয় ল'লো, এতিয়া কিন্তু লোৱা হোৱা নাই, এইখিনি ও যাতে মাননীয় মন্ত্ৰী মহোদয়ে বিবেচনা কৰে যিহেতু হিন্দী বিষয়টো বাধ্যতামূলক, এম ই মাদ্ৰাছা ৰ বিষয়টো বাধ্যতামূলক যিহেতু চৰকাৰে কিতাপ দি আছে গতিকে স্কুলখিনি ল'ব লাগে। ইয়াকে মই অনুৰোধ ৰাখি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ।

**माननीय उपाध्यक्ष ঃ** माननीय सदस্য শ্ৰী গুৰুজ্যোতি দাস।

**শ্ৰী গুৰুজ্যোতি দাস (মঙলদৈ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যি শিক্ষা বিভাগত শিক্ষা শিতানত ৭১ নম্বৰ পৰিপূৰক দাবী মঞ্জুৰীত বিৰোধীয়ে যি কৰ্তন প্ৰস্তাৱ আনিছে সেই কৰ্তন প্ৰস্তাৱৰ সম্পূৰ্ণ বিৰোধীতা কৰি ক'বলৈ লৈছো আৰু এই সুবিধা দিয়াৰ কাৰণে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। শিক্ষাই সমাজ সংস্কাৰ কৰে আৰু সেই শিক্ষা ব্যৱস্থাটোত আজি চৰকাৰখনে বিনামূলীয়া শিক্ষা প্ৰদানৰব্যৱস্থা গ্ৰহণ কৰিছে আৰু এই বিনামূলীয়া শিক্ষাৰ ফলত বহুতো আৰ্থিক ভাৱে দূৰ্বল পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা লাভ কৰিবলৈ সক্ষম হৈছে। দৰিদ্ৰতা যাতে শিক্ষাৰ ক্ষেত্ৰত হেঙাৰ হ'ব নোৱাৰে তাৰ কাৰণে মাননীয় সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ নেতৃত্বধীন চৰকাৰখনে ব্যৱস্থা গ্ৰহণ কৰিছে। ভাৰতবৰ্ষৰ স্বাধীনতাৰ ৭০ বছৰৰ ইতিহাসত এই চৰকাৰখনৰ কথা হয়তো সোণালী আখৰেৰে লিখা থাকিব। বহুত ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকে এই চৰকাৰখনক, শিক্ষামন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছে। কাৰণ বহু ছাত্ৰ-ছাত্ৰীয়ে হাইয়াৰ চেকেণ্ডাৰী পাচ কৰি বি এ, বি এচ চি, বি কম পঢ়িব নোৱাৰাৰ বাবে তেওঁলোকৰ জীৱনবোৰ আধৰুৱা হৈ থাকিল। যিহেতু বি এ, বি কম ৰ এডমিশ্যন কৰিবলৈ যাওঁতে ৪-৫ হাজাৰ টকা লাগে। আমাৰ চৰকাৰখনৰ আৰম্ভণীৰে পৰা বহু হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে বি এ, বি এচ চি, বি কম বিনামূলীয়াকৈ পঢ়িবলৈ সক্ষম হ'ল আৰু দৰিদ্ৰতা শিক্ষাৰ ক্ষেত্ৰত হেঙাৰ হ'ব নোৱাৰিলে। আজি মাননীয় হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বাধীন এই বিভাগটোৰ জৰিয়তে ইতিমধ্যে বহু ছাত্ৰ-ছাত্ৰীয়ে এই দূৰ্য্যোগৰ সময়ত ও কিতাপ কিনিবৰ কাৰণে ১ হাজাৰকৈ টকা পাবলৈ সক্ষম হ'ব। ইতিমধ্যে আমাৰ সন্মানীয় সদস্য সকলে কৈ গৈছে যে আজি প্ৰায়বোৰ হোষ্টেলতে ফীজ দিয়াৰ ব্যৱস্থা কৰা হৈছে, বিনামূলীয়াকৈ পোচাক দিয়াৰ ব্যৱস্থা কৰা হৈছে। মুঠতে সকলো সুবিধা বিলাক বিনামূলীয়াকৈ পাবলৈ সক্ষম হৈছে। আজি কেইদিনমানৰ আগত এই দূৰ্যোগৰ সময়ত ও প্ৰায় ৯৬৩৫ গৰাকী শিক্ষকক নিযুক্তি প্ৰদান কৰা হৈছে। আমাৰ চৰকাৰখনে শিক্ষাৰ ক্ষেত্ৰত যি সিদ্ধান্ত গ্ৰহণ কৰিছে মই ভাৱো এই পৰ্য্যায়লৈ যদি শিক্ষা বিভাগটো লৈ যোৱা হয় ভাৰতবৰ্ষৰ ভিতৰত অসম ও হয়তো ১০০ শতাংশ শিক্ষিত ৰাজ্য হিচাবে পৰিগণিত হ'ব কাৰণ তাত পৰিকল্পনা লাগিব। এই শিক্ষা ব্যৱস্থাটো বিনামূলীয়া কৰাৰ কাৰণে হয়তো আজি অসমৰ যুৱক-যুৱতী তথা ছাত্ৰ-ছাত্ৰী সকলে শিক্ষা লাভ কৰিবলৈ সক্ষম হৈছে। আজি ভাৰতবৰ্ষৰ ভিতৰতে কেৰেলা ১০০ শতাংশ শিক্ষিত ৰাজ্য হিচাবে পৰিগণিত হৈছে। সন্ত্ৰাসবাদীৰে ভৰপূৰ মিজোৰাম ভাৰতবৰ্ষৰ ভিতৰতে দ্বিতীয় শিক্ষিত ৰাজ্য হিচাবে পৰিগণিত হৈছে। আমাৰ ৰাজ্যখনত ও যিহেতু এই বিনামূলীয়া শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰিছে এটা সময়ত এনেদৰে শিক্ষা ব্যৱস্থাটো লৈ গৈ থাকিলে অসম খন ও ভাৰতবৰ্ষৰ ভিতৰত ১০০ শতাংশ শিক্ষিত ৰাজ্য হিচাবে পৰিগণিত হ'বলৈ সক্ষম হ'ব। আজি আমাৰ চৰকাৰখনে শিক্ষা ব্যৱস্থাটোত গুণগত মানদণ্ডৰ শিক্ষা আহৰণ কৰিবলৈ বিভিন্ন পদ্ধতি অৱলম্বন কৰিছে। আজি গুণোৎসৱৰ জৰিয়তে চৰকাৰী বিদ্যালয় সমূহত ছাত্ৰ-ছাত্ৰীৰ পৰিমাণ বৃদ্ধি হৈছে আৰু শিক্ষাৰ মানদণ্ড উন্নত কৰিবলৈ সক্ষম হৈছে। মই ভাৱো আমাৰ চৰকাৰখনে শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট পৰিমাণৰ আঁচনি ৰূপায়ণ, বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিছে। এটা সময়ত আমাৰ শিক্ষা ব্যৱস্থাটো টোলত আছিল আৰু আজি টোলৰ পৰা আহি শিক্ষা ব্যৱস্থাটো অনলাইন শিক্ষালৈকে গুছি গৈছে। গতিকে আজি আমি কিমান মডাৰ্ণ শিক্ষা প্ৰদান বা লাভ কৰিবলৈ সক্ষম হৈছো। আজি এই বিশ্বত কৰ'ণা মহামাৰীৰ দূৰ্য্যোগৰ সময়ত অসম খনে ও পৰিত্ৰাণ পোৱা নাই যদিও অসম ৰাজ্য সমূহৰ ভিতৰত এনেকুৱা এখন ৰাজ্য হিচাবে পৰিগণিত হৈছে য'ত কৰ'ণাৰ চিকিৎসা বিনামূলীয়াকৈ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আজি মাননীয় হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া সৰ্ব্বকালৰ সৰ্ব্বশ্ৰেষ্ঠ স্বাস্থ্যমন্ত্ৰী

হিচাবে পৰিগণিত হৈছে। এই কথা অসমৰ ইতিহাসত সোণালী আখৰেৰে লিখা থাকিব। তেখেতে দুৰ্য্যোগৰ সময়ত যি কষ্ট কৰিছে তাৰবাবে তেখেতক আমি চেল্যুট জনাইছো। তেওঁ স্বাস্থ্য বিভাগৰ দায়িত্বত নথকা হ'লে হয়তো বহুতো মানুহ মৃত্যু মুখত পৰিলে হেঁতেন। সেইকাৰণে মই মাননীয় বিধায়ক কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াৰ পিছতেই বক্তব্য ৰাখিছো কাৰণ সেইটো মই মানি ল'ব নিবিচাৰো বা অসমৰ ৰাইজে ও মানি ল'ব নিবিচাৰে। বহিঃ ৰাজ্যত আমাৰ যি অসমৰ লোক সকল আছিলে তেওঁলোকক আনি কোৱাৰেণ্টাইন চেণ্টাৰত সুবিধা প্ৰদান কৰাৰ্লৈকে তেওঁ যিমান কষ্ট কৰিছে এইয়া শলাগ ল'ব লগীয়া। মোৰ আগত সন্মানীয় বিধায়ক সকলে বক্তব্য ৰাখি গৈছে যে আমি চৰকাৰখনৰ গুণ নাগালে কৃপনালী কৰা হ'ব। আমাৰ চৰকাৰখনে শিক্ষা ব্যৱস্থাটোক বহু ওপৰলৈ নিবলৈ সিদ্ধান্ত গ্ৰহণ কৰাৰ কাৰণে ধন্যবাদ জ্ঞাপন কৰিছো। মোৰ সমষ্টি মঙ্গলদৈত দুখন কৈ কনিষ্ঠ মহাবিদ্যালয় প্ৰাদেশিকীকৰণৰ তালিকাত অৰ্ন্তভুক্ত হৈছে আৰু দুই-এখন হাইস্কুল থাকি গ'ল (দৰংজ্যোতি হাইস্কুল, কাঠপুৰি শংকৰদেৱ হাইস্কুল) সেইখিনি ও অৰ্ন্তভুক্ত কৰিব লাগে। মই এই বক্তব্যৰ জৰিয়তে উপাধ্যক্ষ মহোদয় এটা কথা ক'ব বিচাৰিছো যে আমাৰ যিবোৰ প্ৰাইভেট বিদ্যালয় ইতিমধ্যে আৰম্ভ হৈ আছে সেই প্ৰাইভেট বিদ্যালয় বিলাকৰ শিক্ষা প্ৰদানৰ ক্ষেত্ৰত নীতি নিৰ্ধাৰণৰ বাবে গুৰুত্ব প্ৰদান কৰিব লাগে। ইয়াৰ আগতে মই বিধান সভাত এবাৰ কৈছিলো যে আমাৰ চৰকাৰী বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰী সকলে যাতে অনাগত দিনত চৰকাৰী সুবিধা পাবলৈ প্ৰাধান্য লাভ কৰে। মই এইকাৰণেই কৈছো কাৰণ মই বিধায়ক হোৱাৰ প্ৰথম বছৰতে সমষ্টিৰ সকলো বিলাক প্ৰাথমিক স্কুলৰ শিক্ষক সকলক আমন্ত্ৰণ জনাই এখন সভাৰ আয়োজন কৰিছিলো। তাত তেওঁলোকে বিভিন্ন ধৰণৰ সমস্যা বিলাক দাঙি ধৰিছিল কিন্তু পৰৱৰ্ত্তী সময়ত এই সমস্যা সমূহ সমাধান কৰি আমাৰ চৰকাৰে লৈ গৈছে আৰু সকলো উপকৃত হৈছে। সামগ্ৰিক ভাৱে আজি দৰঙৰ শিক্ষাৰ হাৰ বৃদ্ধি হ'বলৈ সক্ষম হৈছে। ইতিমধ্যে বিভিন্ন দেশৰ বিশ্ববিদ্যালয় সমূহত আমি চাওঁ তাত শিক্ষা নিধি ব্যৱস্থা গ্ৰহণ কৰা হৈছে। সেইকাৰণে মই ভাৱো যে আমাৰ শিক্ষা ব্যৱস্থাটোক উন্নত কৰিবৰ কাৰণে আৰু ১০০ শতাংশ শিক্ষিত ৰাজ্য হিচাবে পৰিগণিত কৰিবৰ কাৰণে শিক্ষা বিভাগত নিশ্চয় আৰু ধন অনুমোদন দিয়াৰ প্ৰয়োজন আছে। মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক এটা অনুৰোধ কৰিম যাতে আমাৰ মঙ্গলদৈ মহাবিদ্যালয়খন অনাগত দিনত যাতে ইউনিভাৰ্চিটি নহ'লেও পি জি কলেজ হিচাবে ব্যৱস্থা গ্ৰহণ কৰে তাৰবাবে মঙ্গলদৈ সমষ্টিৰ ৰাইজ হৈ মই আবেদন আৰু অনুৰোধ জনাই আৰু শিক্ষামন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো আৰু বিৰোধীয়ে যি কৰ্তন প্ৰস্তাৱ আনিছে তাৰ সম্পূৰ্ণৰূপে বিৰোধীতা কৰি মই মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া শ্ৰী সত্যব্ৰত কলিতা।

**শ্ৰী সত্যব্ৰত কলিতা (কমলপুৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বিৰোধীয়ে যি কৰ্তন প্ৰস্তাৱ আনিছে তাৰ মই সম্পূৰ্ণ বিৰোধীতা কৰি ক'ব বিচাৰিছো যে শিক্ষা বিভাগত বৰ্তমান চলি থকা যি ব্যৱস্থা আৰু যি ধৰণে শিক্ষা বিভাগে কাম কৰি আছে ইয়াতকৈ দুগুণ ধন দিলেও হয়তো শিক্ষা বিভাগৰ কাৰণে কম হৈ যাব। ইতিমধ্যে বিভিন্নজনে কৈ গৈছে গতিকে মই আৰু বিশেষ ক'ব বিচৰা নাই। আটাইবিলাকৰে মূল বিষয়টো হৈছে শিক্ষা বিভাগত যিবিলাক কাম চলি আছে, যিবোৰ সমস্যাৰ আমি মুখামুখি হৈছো এইবোৰৰ ভিতৰত বিধায়ক সকল সন্মূখীন হোৱা প্ৰধান সমস্যাটো হৈছে প্ৰাইমেৰীৰ পৰা মহাবিদ্যালয় পৰ্য্যায়লৈকে থকা ভেঞ্চাৰ শিক্ষানুস্থান সমূহ। ইতিমধ্যে চৰকাৰে বিভিন্ন পৰ্য্যায়ত এই ভেঞ্চাৰ স্কুল সমূহ প্ৰাদেশিকীকৰণৰ ব্যৱস্থা সমূহ বহু চমুৱাই আনিছে। আজি শিক্ষামন্ত্ৰী ডাঙৰীয়াই সদনত উল্লেখ কৰিছে যে যিসকলে ০১-০১-২০০৬ চনৰ আওঁতাত পৰে সেইখিনিৰ সমস্যা চেপ্তেম্বৰ-

অক্টোবৰ মাহৰ ভিতৰত সমাধান কৰিবলৈ চেষ্টা কৰিম। মই ভাৱো এইখিনি চেষ্টা অলপ প্ৰয়াস কৰিলেই যি সমূহ অ-প্ৰাদেশিকৃত ভেঞ্চাৰ স্কুল আছে তাৰে সমস্যা সমূহ সমাধানৰ কাৰণে সক্ষম হ'ব পাৰিম। এই সুযোগতে মই অসম চৰকাৰৰ শিক্ষামন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছো যে মোৰ সমষ্টিত ১ খন মহাবিদ্যালয়, ৪ খন কনিষ্ঠ মহাবিদ্যালয় ইতিমধ্যে প্ৰাদেশিকীকৰণৰ আওঁতাত আহিছে। কিন্তু তাত ও এটা সমস্যা আছে যে আমাৰ মধ্য কামপীঠ মহাবিদ্যালয়খন প্ৰাদেশিকীকৰণ কৰা হ'ল অৰ্থাৎ শিক্ষক সকলৰ চাকৰিখিনি হ'ল কিন্তু তাত যিখিনি গ্ৰেড থ্ৰি আৰু গ্ৰেড ফ'ৰ কৰ্মচাৰী আছিলে সেইখিনি কিন্তু এই আওঁতাৰ ভিতৰত অৰ্ন্তভুক্ত হোৱা নাই কাৰণ এইসকল কৰ্মচাৰীয়েও একেলগে এই শিক্ষানুস্থান খনত কাম কৰিছে। এখন মহাবিদ্যালয়ত যদি তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী নাথাকে অকল শিক্ষক সকলৰ দ্বাৰা এখন মহাবিদ্যালয় চলোৱাটো সম্ভৱ নহয়। গতিকে এই বিষয়েও নিশ্চয় আমাৰ চৰকাৰে চিন্তা কৰিব লাগিব। আনহাতে যি সমূহ কনিষ্ঠ মহাবিদ্যালয় লোৱা হৈছে তাত বিভিন্ন বিষয়ত বহুতো শিক্ষক আছে কিন্তু তাত ৪ জন বা ৫ জন শিক্ষক লোৱাৰ ফলত বহুতো শিক্ষক ৰৈ গ'ল য'ত এনৰ'লমেণ্ট ও আছে। গতিকে এই বিষয় সমূহৰ ও পুনৰ বিবেচনাৰ প্ৰয়োজন আছে। মোৰ সমষ্টিত তিনিখন হাইয়াৰ চেকেণ্ডাৰী আছে এই তিনিখনৰ ভিতৰত মই নিজে পঢ়ি অহা দগাঁও হাইস্কুল এতিয়া দগাওঁ হাইয়াৰ চেকেণ্ডাৰী স্কুল হ'ল, কছাৰী মহল উচ্চতৰ মাধ্যমিক বিদ্যালয় লগতে বৃন্দাবন উচ্চতৰ মাধ্যমিক বিদ্যালয়.....

(HON'BLE SPEAKER ON THE CHAIR)

..... তিনিওখনে সম্পূৰ্ণ ভাৱে যি প্ৰাদেশিকীকৰণৰ বিল আহিছিলে সেই বিল মতে সকলোখিনি টাৰ্মচ্ এণ্ড কনডিশ্যন ফুলফিল কৰাৰ পিছতো যি সমূহ উচ্চতৰ মাধ্যমিক বিদ্যালয় বাদ পৰি গৈছে এইখিনি পুনৰ বিবেচনা কৰিবৰ কাৰণে মই চৰকাৰৰ ওচৰত অনুৰোধ ৰাখিছো যিহেতু একে কনডিশ্যনৰ বহুতো শিক্ষানুস্থান প্ৰাদেশিকীকৰণ হৈছে। দোৰকহৰাত  আমাৰ এখন ছোৱালীৰ শিক্ষানুস্থান আছে যিখন প্ৰবীন শিক্ষাবিদ চন্দ্ৰকমল কাকতিৰ নামত উসৰ্গিত। সেইখনো সকলোখিনি টাৰ্মচ্ এণ্ড কনডিশ্যন ফুলফিল কৰাৰ পিছতো কিবা কাৰণত ৰৈ গৈছে। ইতিমধ্যে মই শিক্ষা বিভাগক লিখিত ভাৱে জনাইছো তথাপি আজি বিধান সভাৰ মজিয়াত মই কথাটো এই কাৰণেই উল্লেখ কৰিছো যাতে এই শিক্ষানুস্থানখিনিও তাৰ আওঁতাৰ মাজলৈ অহাটো মই বিচাৰিছো। মই অকল ৰঙিয়া সমষ্টিৰ কথাই নহয় সমগ্ৰ অসমৰ কথাই কৈছো যে ০১-০১-২০০৬ ৰ ভিতৰত যি সমূহে এই সকলোখিনি টাৰ্মচ্ এণ্ড কনডিশ্যন ফুলফিল কৰিছে এই শিক্ষানুস্থানখিনিক পুনৰ বিবেচনা কৰা উচিত। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ ইনিচিয়েটিভত ইয়াত সাংস্কৃতিক ক্ষেত্ৰত এটা সুন্দৰ আলোচনা হৈছিলে তেতিয়া আমি বিধান সভাৰ মজিয়াত এটা কথা উত্থাপন কৰিছিলো যে আমাৰ যিবোৰ সংগীত মহাবিদ্যালয, যি সমূহে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত সত্ৰীয়া ৰ শিক্ষা গ্ৰহণ কৰিছে সেই সকল ছাত্ৰ-ছাত্ৰীয়ে পাচ কৰি ডিগ্ৰী লোৱাৰ পিছত কলৈ যাব। সেয়ে আমি দাবী উত্থাপন কৰিছিলো প্ৰত্যেক সমষ্টিতে অন্ততঃ এখনকৈ হ'লেও যাতে সংগীত বিদ্যালয় স্থাপন কৰা হয় এইটো মই আপোনাৰ জৰিয়তে অনুৰোধ কৰিলো। ....................

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ সময় সম্পূৰ্ণ হৈছে গতিকে মন্ত্ৰীয়ে উত্তৰ দিয়াৰ সময়ত আপুনি দুই-এটা কথা সুধি ল'ব। এতিয়া শ্ৰী জাকিৰ হুছেইন শিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, কংগ্ৰেছ বিধায়িনী দলে শিক্ষা বিষয়ৰ ওপৰত যি কৰ্তন প্ৰস্তাৱ আনিছে সেই কৰ্তন প্ৰস্তাৱৰ প্ৰতি মই পূৰ্ণ সমৰ্থন জনাই দুআষাৰ কথা ক'বলৈ আগবাঢ়িছো আৰু কথাখিনি কোৱাৰ সুযোগ দিয়াৰ বাবে আপোনাকো ধন্যবাদ

জ্ঞাপন কৰিছো। ইতিমধ্যে এই কৰ্তন প্ৰস্তাৱক সমৰ্থন আৰু বিৰোধীতা কৰি শাসক পক্ষ আৰু বিৰোধী পক্ষৰ সন্মানীয় বিধায়ক সকলে বিভিন্ন কথা ইয়াত উল্লেখ কৰিছে আৰু কৰ্তন প্ৰস্তাৱৰ ওপৰত মন্ত্ৰী ডাঙৰীয়াৰ উত্তৰৰ ওপৰত লক্ষ্য ৰাখি আপুনিও সময়ৰ প্ৰতি লক্ষ্য ৰাখিবলৈ আমাক যি আহ্বান জনাইছে তাৰ প্ৰতি নিশ্চিত ভাৱে সন্মান জনাম মন্ত্ৰীৰ পৰা আমি উত্তৰ বিচাৰিম। সেই কাৰণে যিখিনি কথা ইয়াতে আলোকপাত হৈছে বা যিখিনি কথা ইয়াত বক্তব্যৰ মাজেৰে প্ৰকাশ হৈছে সেই কথাখিনিৰ মাজলৈ নাযাওঁ। মাননীয় অধ্যক্ষ মহোদয়, শিক্ষাৰ অধিকাৰ আইনৰ অধীনত ইতিমধ্যে অসমত শিক্ষা ব্যৱস্থা চলি আছে। এই চৰকাৰখন অহাৰ পিছত অধ্যক্ষ ডাঙৰীয়া এটা খুব ভাল পদক্ষেপ লৈছিল। এই পদক্ষেপত আমি বিৰোধী দলৰ বিধায়ক হিচাপে সমৰ্থনো জনাইছিলো, সঁহাৰিও জনাইছিলো আৰু সহযোগিতাও জনাইছিলো। সেইটো আছিল গুণোৎসৱ । অলপ আগতে শাসকীয় দলৰ এজন সন্মানীয় বিধায়কে এই গুণোৎসৱৰ কথা কৈ পবিত্ৰ সদনৰ প্ৰসংশা ল'বলৈ বিচাৰি আছিল। আমিও গুণোসৱক সমৰ্থন জনাইছিলো । মুখ্যমন্ত্ৰী মহোদয়ৰ লগতে সন্মানীয় বিধায়কসকলেও বিদ্যালয়লৈ গৈছিল গতিকে আমি সকলোৱে জানো যে এইটো এটা খুব ভাল পদক্ষেপ । আৰু আমি সকলোৱে অসুবিধাসমূহ দুৰ হ'ব বুলি আশাও কৰিছিলো। অসমৰ ৰাইজে ভাবিছিল যে স্বাধীনতাৰ পিছত অসমৰ শিক্ষা জগতত আমূল পৰিবৰ্ত্তন আহিব । আমি ভাবো শিক্ষাৰ আন্ত গাঁথনিৰ পৰা আৰম্ভ কৰি পৰীক্ষা ব্যৱস্থা, ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষা প্ৰদানৰ যি আসোঁৱাহ বা শিক্ষক- শিক্ষয়ত্ৰীৰ যি অভাৱ -অভিযোগ আছে এই গোটেইখিনি সংশোধন হৈ আমাৰ শিক্ষা ব্যৱস্থাটো ভাল হ'ব লাগে আৰু তেতিয়াহে আমাৰ অসমৰ ছাত্ৰ ছাত্ৰীসকলে ৰাষ্ট্ৰীয় আৰু আন্ত ৰাষ্ট্ৰীয় পৰ্য্যায়ত উজ্বলি উঠিব। গুণোৎসৱ অনুষ্ঠিত হৈ যোৱাৰ পিছত আমাৰ শিক্ষা ব্যৱস্থাৰ কেৰোনসমূহ স্পষ্ট হৈ গ'ল। গুণোৎসৱ পতাৰ ফলত আমাৰ ছাত্ৰ-ছাত্ৰীৰ শিক্ষা লাভৰ ক্ষেত্ৰত বেমাৰ, শিক্ষক- শিক্ষয়ত্ৰীৰ শিক্ষা প্ৰদানত বেমাৰ আন্ত গাঠনিৰ বেমাৰ, পৰীক্ষা ব্যৱস্থাৰ বেমাৰ, শিক্ষাৰ প্ৰগতিৰ বেমাৰ, পাঠ্য পুথিৰ বেমাৰ, এই সকলো বেমাৰ উলিয়ালে কিন্তু মাননীয় শিক্ষা মন্ত্ৰী আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই বেমাৰৰ কাৰণে কি দৰৱ দিব লাগে সেইটোহে নুলিয়ালে। সেই কাৰণে আজিও সেই বেমাৰবোৰ বেমাৰ হৈয়ে থাকিল। আজিও শিক্ষা ব্যৱস্থা আগৰ পৰ্য্যায়তে চলি আছে। এই চৰকাৰখনে যদি সচাঁকৈয়ে মনেৰে আশা কৰে বা সপোন দেখে, কেৱল কথাহে কয় কাম নকৰে তেনেহ'লে অসমখন ভাৰতৰ ১০ খন শিক্ষাৰ ক্ষেত্ৰত উন্নত ৰাজ্যৰ তালিকাৰ ভিতৰত জানো সোমাব ? শিক্ষা ব্যৱস্থাৰ এই ঘুনে ধৰা কাৰণসমূহ যদি বাচি উলিয়াই সেইবোৰ যদি সংশোধন নকৰে তেন্তে শিক্ষা ব্যৱস্থা উন্নত নহয়। ছাৰ যোৱা ১৮ আগষ্টত শিক্ষা মন্ত্ৰী ডাঙৰীয়াই বি জে পিৰ ভিজন ডকুমেন্টৰ ওপৰত যিখিনি কথা কৈছিল যে ভেঞ্চাৰ স্কুলবোৰ চৰকাৰীকৰণ কৰিব আৰু এতিয়া ৪ বছৰ ৬ মাহ পাৰ হৈ যোৱাৰ পিচত কিছু শিক্ষানুষ্ঠানৰ প্ৰাদেশিকীকৰণৰ কথা ঘোষণা কৰিলে। ঘোষণা কৰা বাবে আমি ধন্যবাদ দিছো । এতিয়া এল পি আৰু এম ই স্কুলসমূহ কেতিয়া চৰকাৰীকৰণ কৰিব অতি সোনকালে এইখিনি ঘোষণা কৰিব লাগে। কিছু শিক্ষানুষ্ঠান যেনে হাই স্কুল, হায়াৰ চেকেণ্ডৰী কলেজ পৰ্য্যন্ত যিখিনি চৰকাৰীকৰণ কৰিলে তাত যিখিনি নন টিচিং ষ্টাফ আছে চৰকাৰে এতিয়াও তেওলোকৰ কামখিনি কৰা নাই। শিক্ষানুষ্ঠান সমুহৰ টিচাৰ আৰু নন টিচিং ষ্টাফ একেলগে একেখন তালিকাত সুমুৱালে আমি সুখি হ'লোহেতেন। কিছুমান বিদ্যালয়ৰ ইলেক্টিভ চাবজেক্টৰ ওপৰত কৈছিল যে যদি ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ১৫ জন থাকে তেনেহ'লে সেইজন শিক্ষকৰ পদটো কনফাৰ্ম হ'ব কিন্তু হোৱা নাই। গতিকে মানবতাৰ খাতিৰত যাতে ৰাজ্য চৰকাৰে এইখিনি বিবেচনা কৰে। তেওলোকৰ পদবোৰ চৰকাৰীকৰণ কৰিব লাগে। কিছুমান হায়াৰ চেকেণ্ডৰী স্কুলৰ

মাটিৰ কাগজ- পত্ৰৰ ক্ষেত্ৰত চৰকাৰে এৰা ধৰা কৰিছে। কিন্তু কিছুমানত কৰা নাই। হায়াৰ চেকেণ্ডৰী লেভেলত চৰকাৰীকৰণ নহলে তেওলোকৰ ছাত্ৰ-ছাত্ৰীসকলে পঞ্জীয়ন কৰিব নোৱাৰে। গতিকে এই সকলোবিলাকৰ ক্ষেত্ৰত যাতে চৰকাৰখনে ব্যৱস্থা গ্ৰহণ কৰে।

মাননীয় অধ্যক্ষ ঃ এতিয়া নুৰুল হুদা।

**শ্ৰীনুৰুল হুদা (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কৰ্তন প্ৰস্তাৱৰ ওপৰত ক'বলৈ ওলাইছো । যিখিনি কনিষ্ঠ মহাবিদ্যালয় আছে সেইখিনি প্ৰাদেশিকীকৰণ কৰি তাত শিক্ষক নিযুক্তি দিছে। তাত দেখা গৈছে যে বহুতো শিক্ষক বাদ পৰি আছে। মোৰ সমষ্টিতে National Junior College ত ২৫ বছৰে গুৱাহাটী ইউনিভাৰ্চিটিৰ পৰা এম এচ চি ডিগ্ৰি লৈ বিনা বেতনে আজিও কাম কৰি আছে কিন্তু প্ৰাদেশিকীকৰণৰ সময়ত তেওঁক বাদ দিয়া হৈছে। শিক্ষক গৰাকী হ'ল ৰহিমা খাতুন । নিজে Junior College স্থাপন কৰাৰ পিচত যোগ্যতা থকাৰ পিছতো প্ৰাৰ্থীগৰাকীক বঞ্চিত কৰা হয়। এনেকৈ যদি হয় তেনেহ'লে কেনেকৈ শিক্ষা ব্যৱস্থাটো উন্নত হ'ব । শিক্ষাৰ মাধ্যমেৰে মানৱ সম্পদ গঢ়া হয়। মানৱ সম্পদ গঢ়াৰ বেলিকা যদি শিক্ষকৰ কথা ভবা নহয় তেতিয়া হ'লে শিক্ষা ব্যৱস্থা আগবাঢ়ি নাযাব ছাৰ। মই আপোনাৰ জৰিয়তে অনুৰোধ কৰিব বিচাৰিছো যে আমাৰ যিসকল শিক্ষক বাদ পৰি গৈছে, আনকি ভাৰতৰ টপ- টেনত থকা যিখিনি কলেজ আছে সেইখিনিও বাদ পৰি গৈছে। মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে যিখিনি যোগ্যতাপূৰ্ণ শিক্ষক বাদ পৰি গৈছে সেইসকলক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে। তেওঁলোক পুনে ইউনিৰ্ভাচিটি বা গুৱাহাটী ইউনিৰ্ভাচিটিৰ যোৰে হওঁক সেইখিনি বিচাৰ নকৰি নিযুক্তি দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, মন্ত্ৰী ডাঙৰীয়াৰ উত্তৰ।

**ড°হিমন্ত বিশ্ব শৰ্মা, শিক্ষা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদনত আমি দাখিল কৰা Supplimentary Demand ৰ ওপৰত বিৰোধী পক্ষই কৰ্তন প্ৰস্তাৱ আনিছিলে। এই কৰ্তন প্ৰস্তাৱ বিতৰ্কত সন্মানীয় সদস্য ৰূপজ্যোতি কুৰ্মী, আমিনুল ইছলাম, প্ৰদীপ হাজৰিকা, দেবানন্দ হাজৰিকা, কমলাক্ষ দে পুৰকায়স্থ, গুৰুজ্যোতি দাস, সত্যব্ৰত কলিতা, জাকিৰ হুচেইন সিকদাৰ, নৰুল হুদা আৰু ৰফিকুল ইছলাম ডাঙৰীয়াই অংশ গ্ৰহণ কৰিলে আৰু তেওঁলোকৰ বক্তব্যসমূহ আমাৰ ৰাজ্যিক মন্ত্ৰী শ্ৰীভবেশ কলিতা ডাঙৰীয়া আৰু মই যি ধৰনে লিপিবদ্ধ কৰিছিলো তাৰ ওপৰত মই মোৰ বক্তব্যখিনি দাঙি ধৰিব খুজিছো। প্ৰথম কথা শিক্ষা বিভাগৰ কৰ্তন প্ৰস্তাৱৰ লগত অৰুণোদয় বা ক'ভিডৰ কি সম্পৰ্ক আছে মই নাজানো কিন্তু দুয়োটা বিষয়ৰ ওপৰত মই কিছু কথা জনাব খুজিছো । বিৰোধী পক্ষৰ পৰাই কোৱা হৈছে যে অৰুণোদয়ৰ পৰিৱৰ্তে ক'ভিড কৰিব লাগে আকৌ বিৰোধী পক্ষৰ দলপতি শ্ৰীদেবব্ৰত শইকীয়া ডাঙৰীয়াই কয় যে, অৰুণোদয় খন ইমান ভাল আঁচনি , কোনোবা ৰাহুল গান্ধীৰ ব্যয়ৰ আঁচনিৰ ওপৰত কৰা বুলি নাজিৰা সমষ্টিত ঘৰে ঘৰে প্ৰচাৰ পত্ৰিকা বিতৰণ কৰা হৈছে। গতিকে আপোনালোকে জানিব যে অৰুণোদয় ভাল নে বেয়া আঁচনি। যদি বেয়া আঁচনি কৰিব নালাগে। মই ভাবো যে বিৰোধী পক্ষৰ সদস্যসকলে নিজৰ নিজৰ সমষ্টিত সেইবোৰ নকৰি সেই পুঁজিখিনি আমাক ক'ভিডত খৰছ কৰিবলৈ দিলেই হ'ল আমাৰ কোনো আপত্তি নাই। এই কথাটো আজিয়েই কৈ থলো। বিৰোধী পক্ষক এই প্ৰস্তাৱটো মই দিম, মানে - নামানে তেওলোকৰ কথা। এফালে লিফ্‌টলেট বিতৰণ কৰিম যে অৰুণোদয়খন কিমান ভাল আঁচনি আৰু আনফালে সদনত ক'ম যে অৰুণোদয়তকৈ ক'ভিড কৰাই ভাল। এনে ধৰনে কথাবিলাক শিক্ষাৰ লগত জড়িত কৰিব নালাগে। যোৱাকালি আমি ক'ভিডৰ ওপৰত আলোচনা কৰা নাছিলো। মই অধ্যক্ষ মহোদয়ক অনুৰোধ কৰিম যে সদনত কভিডৰ ওপৰত কথা পতা ভাল। সদনত নতুনকৈ কোৱা হৈছে যে

কে'ভিড বিনামূলীয়া কৰিব লাগে। চিকিৎসা বিনামূলীয়া কৰা কাৰণে মনত ধাৰণা হ'ল যে চৰকাৰে কিয় বিনামূলীয়া কৰি আছে। ক'ভিডৰ কোনটো সেৰা বিনামূলীয়া নহয় ? হাস্পাতালত বাল্টিটোৰ পৰা মগটোলৈ সকলো বিনামূলীয়া। আনকি প্লাজমালৈকে বিনামূলীয়া। কমলাক্ষ দে পুৰকায়স্থৰ ব্যক্তিগত অনুভৱ যে আমি প্লাজমা নিজৰ পুঁজিৰে ডিব্ৰুগড়, শিলচৰলৈ পঠোৱা হৈছে। আমি কোনটো কাম বিনামূলীয়া কৰা নাই ? আকৌ কৈছে- কভিড বিনামূলীয়া কৰা নাই। কথাটো এনেকুৰা হৈছে- "ৰামায়ণ- মহাভাৰত শেষ হৈ গ'ল এতিয়া আকৌ কৈছে যে টেলিকাষ্ট কৰিব লাগে।" ক'ভিডৰ সম্পূৰ্ণ চিকিৎসা অসম চৰকাৰে বিনামূলীয়াকৈ কৰি আছে আৰু কৰি থাকিব। ৪ টা পইন্টত আমি ৰাইজক কৈছো যে অকণমান সহেযাগিতা কৰক। Paying Cabin ত থাকিলে কেবিনৰ ভাড়াটো দিব। নহ'লে Hospital Mangement Committee ৰ অসুবিধা হয়। Injection - Plasma ৰ টকা নালাগে। সেইটোতো কোনো ভূল নহয় । এইটো এতিয়া কৰা নিয়ম নহয়, আগৰ পৰাই আছে। কেবিনত থাকিলে পে কৰিব লাগিব । দ্বিতীয়তে নাৰ্চিং হোমৰ পৰা যদি প্লাজমা ল'ব লাগে তেতিয়া হ'লে kit টোৰ দামটো আপোনালোকে দিব লাগিব। তৃতীয়তে, ২৪ ঘন্টাত যদি ৰিপোৰ্টি লাগে তেন্তে আপোনালোকে ৩ দিনৰ ৰিপোৰ্ট আগতে ল'ব যিহেতু তেতিয়াহ'লে কিবা এটা ফিজ দিব লাগিব। গতিকে যোৱাকালি যিটো বিনামূলীয়া নহয় বুলি কৈছিলে মই ভাবো এইটো তথ্যৰ ওপৰত প্ৰতিষ্ঠিত নহয়। গোটেই ভাৰতবৰ্ষৰ ভিতৰতেই ক'ভিডৰ ক্ষেত্ৰত আমি মডেল হিচাপে প্ৰতিষ্ঠিত কৰিব পাৰিছো। টেষ্টিঙত আমি তামিল নাডু- মহাৰাষ্ট্ৰ সকলোকে পিছ পেলাইছো। We are second now, Mortality rate we are lowest. ডেৰ লাখ পেচেন্ট লৈ দিল্লীত তিনি হাজাৰ মানুহৰ মৃত্যু হৈছে। কিন্তু আমাৰ অসমত ১ লাখ পেচেন্ট লৈ ৩০০ এতিয়াও হোৱা নাই। হস্পিটেলত দিনে নিশাই ডাক্টৰ-নাৰ্চ- পেৰা মেডিকেল কৰ্মচাৰীসকলে সেৱা আগবঢ়াই আছে। এচাম ব্যক্তিয়ে এই ক'ভিড কেয়াৰক ৰাজনীতিলৈ নিবলৈ চেষ্টা কৰিছে। কংগ্ৰেছ দলৰ এজন ডাঙৰ নেতা গোলাম নবি আজাদ ডাঙৰীয়াই মোক ফোন কৰি কৈছে যে এম এচ চৌধুৰী স্বাস্থ্যটো চাব। কিন্তু তেখেত ঢুকাল। বিৰোধী বিধায়কে কৈছে যে এইটো জয় বাংলা। এনে ধৰনৰ কথাৰে আমি আমাৰ নিজৰ গৰিমা হ্ৰাস কৰিছো। গতিকে এইবিলাক হ'ব নালাগে। অসমৰ Health Infrastructure ইমান ভাল আমি আগতে গম পোৱা নাছিলো। সংকট কালত অসমে প্ৰমান কৰিলে যে আমি অদ্বিতীয়। শিক্ষাৰ ক্ষেত্ৰতো যোৱা ১০ বছৰে অসমে নিৰন্তৰ ভাবে কাম কৰি গৈছে। শিক্ষা বিভাগত আজি পৰ্য্যন্ত ডেৰ লাখ নিযুক্তি হৈছে। প্ৰত্যোকটো নিযুক্তি মেধাৰ ওপৰত হৈছে। আজি হাইকোৰ্টত কোনো কেছ নাই। যোৱা ২০১১ চনতে সিদ্ধান্ত ল'লে যে টেটৰ জড়িয়তে নিযুক্তি হওঁক । বিধায়কসকলেও কেতিয়াও ইয়াত আপত্তি কৰা নাই। আমি শিক্ষা বিভাগৰ পৰা ৰাজনীতি দুৰ কৰি দিলো। কাৰণ শিক্ষক সকলে ৰাজনীতি কৰে বুলি ধাৰণা হৈছিল। এতিয়া যদি কয় শিক্ষা বিভাগৰ পৰিৰৰ্ত্তন হোৱা নাই তেন্তে এই কথাটো যুক্তিৰ আধাৰত গ্ৰহণযোগ্য নহয়। আমি যদি ত্ৰিপুৰাৰৰ লগত তুলনা কৰিবলৈ যাও কেনেকৈ হ'ব। আজি মহাৰাষ্ট্ৰ আৰু কৰ্ণাটকৰ লগত তুলনা কৰিব পাৰে। অসমত আজি মেডিকেল কলেজ হৈছে । ইঞ্জিনিয়াৰিং কলেজ হৈছে, ইউনিভাৰ্চিটি হৈছে। ধুবুৰীৰ , গোৱালপাৰা, নগাওঁ , ডিফুৰ দৰে ঠাইত মেডিকেল কলেজ হৈছে । ভাৰতৰ কোনখন ৰাজ্যত বিনামূলীয়াকৈ এডমিশ্যন পায়? আজি কভিড-১৯ ৰ সময়ত ৰাজ্য চৰকাৰে মন্দাৰস্থাৰ মাজতো আমি ৫ লাখ ৫০হাজাৰ ষ্টুডেন্টক বিনামূলীয়া এডমিশ্যন দিছো। অসম বিধান সভাৰ সন্মানীয় বিৰোধী দলৰ সদস্যসকলে যদি সদনত অহাৰ আগতে অকনমান গবেষণা কৰি আহিলে মই ভাল পাম। আজি বিনামূলীয়া পাঠ্যপুথি গৈ Higher Secondary Level

পাইছেগৈ। এতিয়া ডিগ্ৰিতো কিতাপ কিনিবৰ বাবে ১০০০ টকা দিয়া হয়। অসমৰ শিক্ষা ক্ষেত্ৰত বিনামূলীয়া এডমিশ্যনৰ পৰা আনন্দৰাম বটা দিয়ালৈকে আজি অসমে শিক্ষাৰ ক্ষেত্ৰত দ্বিগ্‌বিজয় যাত্ৰা আৰম্ভ কৰিছে। গতিকে এটা যিটো যুক্তিৰ কৃতিত্ব আমাৰ নহয় সামগ্ৰীক ভাৱে, আজি বিনামূলীয়া নামভৰ্তীৰ পৰা, আনন্দৰাম বৰুৱা বঁটাৰ পৰা, আজি যি ধৰণে অসমৰ শিক্ষা ক্ষেত্ৰখনে দিগ্বিজয় যাত্ৰা আৰম্ভ কৰিছে ইয়াৰ কিবা তুলনা হয় নেকি! এতিয়া আপোনালোকে ক'ব পাৰে যে প্ৰাইভেট স্কুল বিলাকত ছাত্ৰ-ছাত্ৰী গৈছে, আজি অসমে যদি তুলনা কৰে আজি অসমৰ চৰকাৰী স্কুলত যিমান ছাত্ৰ-ছাত্ৰী আমি ধৰি ৰাখিছো ভাৰতৰ কোনো ৰাজ্যই ইমান ছাত্ৰ-ছাত্ৰী ধৰি ৰাখিব পৰা নাই। আজি চৰকাৰী স্কুল এল পি, এম ই ৰ পৰা কলেজৰ পৰা বিশ্ববিদ্যালয়লৈকে অসমৰ শিক্ষা খণ্ডত এতিয়াও ৮০ শতাংশ ডমিনিয়েন্ট চৰকাৰী ছেক্টৰত আছে। আজি চৰকাৰী ছেক্টৰত ছাত্ৰ-ছাত্ৰীয়ে ছীট পোৱা নাই। দুমদুমাৰ পৰা কৈছে ছীট নাই, অমুকৰ পৰা কৈছে ছীট নাই এনেকুৱা প্ৰশ্ন হোৱা নাই যে চৰকাৰী কলেজত ছীট খালী আছে। আজি কোনখন হাই স্কুলত চিত খালী আছে? কৰবাত যদি খালীও আছিল আমি এমেলগেমেশ্বন কৰি তাত ঠিক কৰি পেলাইছো। আজি এল পি, এম ই সকলোতে ছাত্ৰ-ছাত্ৰীৰ অভাৱ নাই। ৪০ লাখ ছাত্ৰ-ছাত্ৰী আছে অসমত। আজিও চৰকাৰী চেক্টৰত ৪০ লাখ ছাত্ৰ-ছাত্ৰীয়ে পঢ়ে। আৰু লাহে লাহে চৰকাৰী স্কুলৰ পৰা ১০০ শতাংশ ৰিজাল্ট কৰাৰ আৰম্ভ কৰিছে। এইবাৰ চৰকাৰী স্কুল মাত্ৰ বেয়া ৰিজাল্ট কৰা স্কুলৰ সংখ্যা হ'ল ১৭ খন। মাজে মাজে যদি আমি ট্ৰেনছফাৰ পোষ্টিং এইবোৰ নকৰি আমি যদি শৃংখলাটো আৰু বজাই ৰাখো তেতিয়াহ'লে আপোনালোকে দেখিব ৩-৪ বছৰৰ পিছত পৰিবৰ্তন হ'ব। লৰা-ছোৱালীয়ে পযিশ্বন পোৱা নাছিল পযিশ্বন পোৱা আৰম্ভ কৰিছে। আজি মই কওঁ যে যোৱা ৯-১০ বছৰত অসমৰ ৰাজহুৱা শিক্ষা ব্যৱস্থা টেটৰ নিযুক্তিৰ পিছত যি নামি গৈছিল তাক আজি আমি ধৰি ৰাখিছো উত্তৰণ কৰিব সক্ষম হৈছো। আজি এই বছৰ আমি ৯ খন ছোৱালী মহাবিদ্যালয়, ৬ খন চৰকাৰী কলেজ মুঠ ১৫ খন চৰকাৰী কলেজ অহা নৱেম্বৰৰ ভিতৰত আৰম্ভ কৰিম। চাহ বাগিছাৰ শ্ৰমিক সকলে হাইস্কুল দেখা নাছিল আজি স্বাধীনতাৰ ৭০ বছৰৰ পিছত তেওঁলোকে ২ অক্টোবৰ তাৰিখে একেলগে একেদিনাই ১৫০ খন হাইস্কুলৰ নিৰ্মাণৰ কাম আৰম্ভ হ'ব আৰু ১ এ প্ৰিলৰ পৰা সেই নতুন হাইস্কুল, নতুন শিক্ষা বৰ্যত শ্ৰেণী আৰম্ভ হ'ব। আজি এইবিলাক এই উত্তৰণৰ দিশটো কেইজনমান ভেঞ্চাৰ চিকিৎসকৰ পুণেত ডিগ্ৰী নে নাগপুৰত ডিগ্ৰী এই কথাটো লৈ গোটেই কথাটো যদি আমি এনেকুৱা ধৰণে কওঁ যে গোটেই শিক্ষা ব্যৱস্থাই আজি ৰূপ লোৱা নাই, এইটোটো সত্য কথা নহয়। আজি আমাৰ টেটত নিযুক্তি এটা হৈ গ'ল, হয় আজি ২৫ জন, ৩০ জন ছাত্ৰ-ছাত্ৰীয়ে টেটত পাইছে, তাক কভাৰআপ কৰাৰ কাৰণে চেপ্তেম্বৰত আকৌ আমি নিযুক্তি কৰিম। যেতিয়াই নিযুক্তিৰ প্ৰক্ৰিয়াটো চলি থাকে তেতিয়া স্কুল কলেজত শিক্ষক থাকিব। নিযুক্তিৰ প্ৰক্ৰিয়াটো ৰখি গলে আমাৰ স্বব্ধ হৈ যায়। দুই এটা ডেকা লৰা-ছোৱালীয়ে নুবুজি হাইকোৰ্টত কেছ কৰি কৰি বিলম্ব কৰি থাকে। আমি মুখ্য ন্যায়াধীশ ডাঙৰীয়াৰ ওচৰত এফিডেইফিড দিছো যে আপুনিটো এনেকুৱা কতো এফিডেইফিড পোৱা নাই যে এম এল এ টকা খাই দুৰ্নীতি কৰিব খুজিছে, মন্ত্ৰীয়ে টকা খায় দুৰ্নীতি কৰিব খুজিছে, গতিকে আপোনালোকে শিক্ষক নিযুক্তিটো স্বচ্ছতাৰ ওপৰত যিহেতু কোনেও প্ৰশ্ন সোধা নাই আপোনালোকে নিযুক্তি বন্ধ নকৰিব। বাকী চি টেটে পোৱা নাই, এচ টেটে পোৱা নাই সকলোৱে পাই যাব। আজি কৈছে যে মাদ্ৰাছা টেটৰ ছাত্ৰ-ছাত্ৰীয়ে পাব লাগে, চৰকাৰেটো মাদ্ৰাছা বিলাক বন্ধ কৰিব গৈ আছে। গতিকে মাদ্ৰাছা এতিয়া কেনেকৈ প্ৰাদেশীকৰণ হ'ব! চৰকাৰে সিদ্ধান্ত লৈছে যে সংস্কৃত টোলেই হওঁক মাদ্ৰাছাই হওঁক অহা নবেম্বৰৰ ভিতৰত আমি বন্ধ কৰিব গৈ আছো আৰু সেই স্কুল বিলাক হয়

নিজৰ হাইস্কুলৰ লগত সংলগ্ন হ'ব নহ'লে সেই শিক্ষক সকলক ওচৰৰ হাইস্কুলত দিম। গতিকে মাদ্ৰাছা আৰু অসমত প্ৰাদেশীকৰণ নহয়, এই কথাটো আৰু মোক ভুল ভাৱিব নালাগে মোক বেয়া ভাবিব নালাগে যে মাদ্ৰাছা শিক্ষা চৰকাৰী পৰ্য্যায়ত বন্ধ হৈ গৈছে। এতিয়া আৰৱীক শিক্ষক নিযুক্তি সম্ভৱ নহয়, সেই কথাটো জোৰ কৰি লাভ নাই। বিজ্ঞান, গণিত ত যিমান লাগে লাগক, মাদ্ৰাছা প্ৰাইভেদ চেক্টৰত মাদ্ৰাছা বোৰ চলি আছে চলি থাকিব তাত আমাৰ কোনো হস্তক্ষেপ কৰিব লগীয়া নাই। কিন্তু চৰকাৰে ধৰ্মনিৰপেক্ষ শিক্ষা দিব। চৰকাৰে চেকইউলাৰ শিক্ষা দিব। এইবিলাক সিদ্ধান্তৰ বিষয়ে আমি আগতে কৈ গৈছো। গতিকে এম টেটৰ বিষয়ে, মাদ্ৰাছা, আৰৱীক এই কথাবিলাক মই ভাৱো যে প্ৰাসংগিকতা আমি শেষ কৰিছো আৰু আধুনিকতাৰ ফালে মডাৰ্ণ শিক্ষাৰ ফালে আগুৱাই যাব খুজিছো, তাত আপোনালোকে আমাক সহযোগিতা কৰক। কাৰণ মই হিন্দু, হিন্দু ধৰ্মৰ শিক্ষা ল'ব লাগে, মই ইছলাম, ইছলামৰ শিক্ষা ল'ব লাগে তাৰ কাৰণে ব্যক্তিগত পৰ্য্যায়ত প্ৰচেষ্টা হ'ব, সামাজিক পৰ্য্যায়ত প্ৰচেষ্টা হ'ব। কিন্তু চৰকাৰী পৰ্য্যায়ৰ শিক্ষা বা চৰকাৰী পৰ্য্যায়ৰ প্ৰচেষ্টা তাত থাকিব নোৱাৰে। গতিকে এইবিলাক কথাত লক্ষ্মণ ৰেখা আমি আঁকি লৈছো, যে আমি ইমান দূৰলৈ কৰিম, ইমানলৈকে আমি নকৰো। আজি আমাৰ বিৰোধী পক্ষৰ সন্মানীয় বিধায়ক সকলে কৈছে যে প্ৰাদেশীকৰণত কৰোবাত ভুল থাকি গৈছে। যে কোনোৱা শিক্ষকে পোৱা নাই, পাব লাগে। যদি পুণে বিশ্ববিদ্যালয়ৰ পৰা যোগ্যতাৰ ভিত্তিত নিযুক্তি লৈছে, পুণে বিশ্ববিদ্যালয়ৰ পৰা পাছ কৰা বহু লৰা-ছোৱালী আজি মেজিছট্ৰেইড হৈ আছে, ডি এচ পি হৈ আছে, তাত আমাৰ আপত্তি কৰিব লগীয়া নাই। কিন্তু যি ধৰণে পাঠ্য ক্ৰম কৰিব লাগিছিল বা যি ধৰণে ডক্তৰেট ডিগ্ৰী ল'ব লাগিছিল সেইটো লৈছে নে নাই! আজি এনেকুৱা মানুহেও ডক্তৰেট ডিগ্ৰী লৈছে যি জনে পুণেত যোৱা ৰেলৰ টিকেট এটাও দেখুৱাব নোৱাৰে। গুৱাহাটীত বহি বহিয়ে পুণে বিশ্ববিদ্যালয়ৰ ডক্তৰেট ডিগ্ৰী লৈছে। এতিয়া যদি কোনোবাই কয় সকলো বাদ দিয়ক কৰি দিয়ক, তেনেহলে পুৰণা দিনলৈ উভতি গুছি যোৱা হওঁক। গতিকে বিধান সভাত যদি বিধায়কে এনেকৈ বক্তব্য ৰাখে যে ডিগ্ৰী চিগ্ৰী একো নাচাব সবকে দি দিয়ক।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)ঃ** ভেৰিফিকেইশ্বন কৰি পাৰি।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** ভেৰিফিকেইশ্বন কৰি পাব পাৰিব। কিন্তু ভেৰিফিকেইশ্বন নকৰাকৈটো পাব নোৱাৰে। গতিকে আপোনালোকে এইটো ক্ষেত্ৰত সহযোগিতা কৰক। যোগ্য জনক যোগ্য পদ দিয়ক। আমাৰ কৰিব লগীয়া একো নাই, ২০ দিনৰ আমি সময়সীমা দিছো আৰু ১০ দিন বঢ়াই দিছো, ১ তাৰিখে লিষ্ট ওলাইছে, ৩০ দিনৰ ভিতৰত অৱজেকশ্বন দিয়ক যে আমি এইখিনি পাব লাগিছিল, আমি পোৱা নাই। প্ৰতিজনৰে আমি শুনিম আৰু যোগ্য জনক আমি দিম। কথা নাই। কিন্তু এনেকৈ যদি কোৱা হয় যে নহয় সকলোকে দি দিয়ক! চাব নালাগে। এইটোটো আপোনালোকৰ চৰকাৰ আহিলেও কৰিব নোৱাৰে আমাৰ চৰকাৰ আহিলেও কৰিব নোৱাৰে। কোনে কৰিব পাৰিব, এইটোটো কৰিব নোৱাৰে। গতিকে আমি নিয়মৰ মাজত যিমানদূৰ কৰিব পাৰে আমি কৰিম আৰু প্ৰাদেশীকৰণৰ কাম কোন শিক্ষা মন্ত্ৰীয়ে কৰিছে আজিলৈকে! মই কেতিয়াবা মই শব্দটো ব্যৱহাৰ কৰি কষ্ট পাও, কিন্তু এজন ভেঞ্চাৰ স্কুলৰ শিক্ষক উলিয়াই দিয়ক যোন প্ৰাদেশীকৰণ হৈছে আৰু যি সময়ত হিমন্ত বিশ্ব শৰ্মা শিক্ষা মন্ত্ৰী নাছিল। মই শিক্ষা মন্ত্ৰী থকা সময়তেটো প্ৰাদেশীকৰণ হৈছিল আৰু কেতিয়া হৈছিল ? আগত এসময়ত বাদ দিয়ক শৰৎ সিংহ ডাঙৰীয়া আছিল, কিন্তু সত্য কথাটো সত্য কোৱাত কি আপত্তি আছে। ৰিপুণ বৰা ডাঙৰীয়া শিক্ষা মন্ত্ৰী আছিল এখন স্কুল প্ৰাদেশীকৰণ কৰিছিল নে তেওঁৰ দিনত, প্ৰদ্যুৎ বৰদলৈ শিক্ষা মন্ত্ৰী আছিল মই চহী কৰি থৈ যোৱা ফাইল কেইটাক

বাদ দি আৰু নতুন কিবা ইনিশ্বিয়েটিভ হৈছিল নে। যিটো ইতিহাসত এনেকৈ সত্য বুলি লিখা আছে সেইটো আৰু মোক বেয়া পাই ভাল পাই অসত্য কেনেকৈ হ'ব। ভেঞ্চাৰ স্কুলৰ শিক্ষক সকলেওটো জানে। সেইকাৰণে মোক বেয়া পাইও কয় মই যদি শিক্ষা বিভাগ এৰিব খোজো আকৌ তেওঁলোকে গালিপাৰা মানুহকেইজনে কয় আপুনি নেৰিব, নেৰিব, আপুনি নহ'লেটো এইখিনিও নাথাকিব। গতিকে যিটো বাস্তৱ সেইটো বাস্তৱে। সিদিনাখন মই মিটিঙত কৈছো যে মই টো আমি হ'ব লাগে। কাৰণ মই টোক খুব বেয়া পাওঁ। যেতিয়া মানুহে কয় মই কৰিছো, মই কৰিছো, বেয়া কথা, সেই কাৰণে মই আমি বিচাৰো যে আৰু ১০ জনে কৰক। এই প্ৰক্ৰিয়াবোৰ বন্ধ হৈ যাব নালাগে, এই প্ৰক্ৰিয়াবোৰ চলি থাকক যাতে মই শব্দৰ পৰিবৰ্তে আমি হ'ব পাৰো। কিন্তু দুৰ্ভাগ্যবসত যে আমি হওঁতে যিটো ছিছটেমিটিক চাপোৰ্ট লাগে সেই ছিছটেমিটিক চাপোৰ্টটো যদি আমি কৰিব পাৰো আমিও হ'ব পাৰো। মানুহ মৰণশীল সদায়টো মানুহ এই পদবীত নাথাকে। গতিকে মই টো আমি হোৱাটো মই বিচাৰো। কিন্তু দুৰ্ভাগ্যবসত যিটো সত্য, সত্য, সেইটোটো অসত্য কৰি লাভ নাই। গতিকে এই ভেঞ্চাৰ স্কুলৰ শিক্ষক সকলৰ ক্ষেত্ৰত আমাৰ চৰকাৰৰ উদাৰ মনোভাৱ আছে। আজি কোন শিক্ষা মন্ত্ৰীয়ে কৈছে যে আমি নিড্‌বেছলৈকেও যাম, তাৰমানে কাৰোবাক সহায় কৰিবৰ কাৰণেটো এই শব্দটো আনিছো। আজি ইমানদিনে আমি ধৰি ৰাখিলো ২০০৬ ত যাম। এইবাৰ বড়োচুক্তিৰ আলম লৈ মই প্ৰথমবাৰ শব্দ এটা ব্যৱহাৰ কৰিছো যে আমি নিড্‌বেছলৈ যাম। আজি যদি চৰত এখন হাইস্কুল নাই আমি কিয় নাপাতিম হাইস্কুল? আজি যদি পাহাৰীয়া অঞ্চলত হাইস্কুল নাই আমি কিয় হাইস্কুল নাপাতিম। গতিকে আজি আমি কৈছো যে ৫ কি. মিটাৰৰ ভিতৰত যদি হাইস্কুল নাই আমি প্ৰাদেশীকৰণৰ নিয়মনীতিক বাদ দি হলেও নিড্‌বেছত আমি তাত যাব লাগিব। গতিকে আজি বিধান সভাত এই শব্দটো মই প্ৰথমবাৰ আনিছো, কিন্তু কোনো এজন বিধায়কেওটো নকলে যে শিক্ষামন্ত্ৰীয়ে ভাল কথা কৈছে, নিড্‌বেছৰ শব্দটো কৈছে। তাৰমানে আপোনালোকে নিজেই ৰিয়েক্ট কৰিব পৰা নাই, মই যিটো কথা কৈছো। মই কিমান ডাঙৰ ইংগিত এটা প্ৰশ্ন উত্তৰৰ কালত দিলো। যে প্ৰাদেশীকৰণ এতিয়া আমি চন আৰু তাৰিখক বাদ দি লাহে লাহে নিড্‌বেছলৈ যাব লাগিব নহ'লে একেখন ঠাইতে প্ৰাদেশীকৰণ হৈ থাকে ছাত্ৰ-ছাত্ৰী নাথাকে। এতিয়া যদি আপোনালোকে কয় যে ১৫ জন ছাত্ৰৰ নামত এজন ফেকাল্টি দিয়ক। ১.৫০ লাখ টকা লাগে এজন শিক্ষকৰ দৰমহা দিওতে। যদি ১৫ জন ছাত্ৰ-ছাত্ৰীৰ মাজত ১.৫০ লাখ টকাকৈ প্ৰত্যেক মাহত বছৰত ৩০ লাখ টকা দুখীয়া দেশ এখনে খৰচ কৰিব পাৰে নেকি এজন শিক্ষকৰ কাৰণে। We are trusting, মহত্মা গান্ধীয়ে কি কৈছিল যে We are trusting we are not malik. কালি যদি এজন মানুহে আৰ টি আই কৰে যে আপোনালোকে ৩০ লাখ টকা ১৫ জন ছাত্ৰ-ছাত্ৰীৰ মাজত গড়ে ২ লাখ টকা কিয় খৰচ কৰিছে? খেতিয়কে খাব পোৱা নাই, দৰিদ্ৰতাৰ সীমাৰেখাৰ তলৰ মানুহে চাউল পোৱা নাই, আপোনালোকে গড়ে এজন ছাত্ৰৰ নামত ২ লাখ টকা খৰচ কৰাতকৈ তেওঁক কেমব্ৰিজ, অক্সফোৰ্ড বিশ্ববিদ্যালয়ত পঢ়িব পঠাই নিদিলে কিয়? তেতিয়া আপুনি কি উত্তৰ দিব? ২ লাখ টকাত টো আমি কেমব্ৰিজ, অক্সফোৰ্ড বিশ্ববিদ্যালয়ত পঢ়িব পঠাই দিব পাৰো। আপুনি কৈছে শিক্ষক জনলৈ বেয়া লাগে, তেওঁ যদি তেওঁ শিক্ষক ১৫ জন ছাত্ৰ-ছাত্ৰী তেওঁ ৰাণী মৌৰে যদি মৌক আকৰ্ষণ কৰিব পৰা নাই তেওঁটো ৰাণী মৌ হৈ থাকিব নোৱাৰে। গতিকে মই যদি ১৫ জন ছাত্ৰ-ছাত্ৰী ল'ব পৰা নাই বেলেগ এখন কলেজৰ লগত দুখন কলেজ একলগ কৰি দিয়ক ৩০ জন হ'ব। তেতিয়া তাত দিয়ক বা তেওঁক ডি চি অফিছত কেৰাণী পোষ্ট এটা খালী আছে তাতে preference নম্বৰ দি তাত সোমোৱাই দিয়ক। কিন্তু মানৱীয় শব্দটো ব্যৱহাৰ কৰি আমি এনেকুৱা এটা ব্যৱস্থা কৰিব নোৱাৰো য'ত চৰকাৰী ধনৰ

অপচয় হয়। গতিকে এসময়ত তালিকাখন লৈ আহিব যে সব কৰিলে এইখিনি মানুহ বাদ পৰি গ'ল এওলোকক কিবা এটা কৰা যাওঁক। তাৰ কাৰণে ইচ্চু দেট, অমূক দেট মানে যুক্তিটো এনেকুৱা হ'ব নালাগে যে আপোনালোকে ভুল কৰক। যুক্তিটো এনেকুৱা হ'ব লাগে যে মানুহকেইজনে কষ্ট পাইছে, দুখ পাইছে ইমানদিন কৰিলে এওলোকৰ সংস্থাপনৰ কিবা এটা ব্যৱস্থা কৰি দিয়ক। চিধা কথা কৈ দিলে চিধা উত্তৰ পাব। সেই কাৰণে কিছুমান বস্তুত প্ৰিনছিপাল কোনো চৰকাৰে এৰি দিব নোৱাৰে। আপোনালোকৰ চৰকাৰেও এৰি দিব পৰা নাছিল আমাৰ চৰকাৰেও এৰি দিব পৰা নাই। কোনোবা এজন মানুহে হাইকোৰ্ট কৰি দিব যে ১৫ জন ছাত্ৰৰ কাৰণে এওঁলোকে ৩০ লাখ দৰমহা দিয়ে এইটো কোন যুক্তিত গ্ৰহণযোগ্য আৰু ভৱিষ্যতে চিত নাবাঢ়ে। প্ৰাদেশীকৰণ কৰিলে আমাৰ দাতাই ছাত্ৰৰ সংখ্যা নাবাঢ়ে প্ৰাদেশীকৰণ কৰাৰ দিনৰ পৰাই ১৫ জনটো ৩ জনলৈকে নামি যায়। তাৰমানে ৩০ লাখ টকা আমি খৰচ কৰিম ৩ জন ছাত্ৰৰ বিপৰীতে। এইটোটো যুক্তিৰ আধাৰত নহয়।

**মাননীয় অধ্যক্ষ ঃ** নবঢ়াৰ কাৰণটো কি বাৰু?

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** তাৰমানে এই ছাত্ৰ-ছাত্ৰীখিনি বেলেগ বেলেগ স্কুলৰ পৰা আনি সেই সময়ত প্ৰাদেশীকৰণৰ সময়ত দেখুৱাই, এইবোৰ বাস্তৱ। এই মানুহ বিলাকে যে এই কামটো কৰে তেওঁলোকক মই দোষ নিদিও, তেওঁলোকে নিজৰ জীৱিকাৰ কাৰণে কৰে, পেটৰ তাৰণাত কৰে, আমি আলোচনা কৰিম যে আপোনালোকক বেলেগ ধৰণে আমি কি কৰিব পাৰো চাওঁ। কিন্তু এই কথা বিলাক সব তেনেকুৱা নহয় বুলি কয় কিন্তু মই চালে চবেই তেনেকুৱা হয়। মানে কোন কোন নহয় তাৰ তালিকা খন দিয়ক। আমাৰ ছেবাৰ চেয়াৰমেনক স্কুটিনি কৰিব দিলো যে চাৰ আপুনি ২০১৫ চনলৈকে কাটঅফ দিছিল, ২০১৫ লৈকে ৬০ জন ছাত্ৰ-ছাত্ৰী। এতিয়া ২০১৬-১৭-১৮-১৯ চনত ছাত্ৰ-ছাত্ৰী নাই। তাৰমানে আইনত ২০১৫ লিখা আছে কাৰণে ২০১৫ চনলৈকে ছাত্ৰ-ছাত্ৰী আছে এতিয়া পিছৰ খিনিত নাই। মই কলো আইনৰ ব্যখ্যাটো তেনেকৈ হ'ব নোৱাৰে। তেনেকৈও ৬০ খন স্কুল আমি বন্ধ কৰি ৰাখিছো। কিন্তু বহুত ক্ষেত্ৰত এই মানুহ সকলে জীৱিকাৰ তাড়ণাত কৰে তেওঁলোক আমাৰ শত্ৰু নহয়, তাৰ কাৰণে আমি ৰাস্তা উলিয়াব লাগিব। দুখন কলেজ একেলগ কৰি দিম, তিনিখন স্কুল একেলগ কৰি দিম আৰু তেনেকুৱা ধৰণৰ পৰামৰ্শ আপোনালোকে দি য়ক আমি বহন কৰিম। কিন্তু ৰাতিটোক দিন বুলি প্ৰমাণ কৰিব কৈ থাকিলে সেইটোতো মানিব পৰা নাযায়। সেই কাৰণে মই আপোনালোকৰ লগত আছো, শিক্ষক সকলৰ লগত আছো নিড়্বেছৰ কথাটো উল্লেখ কৰিছো, ৰিজাল্টৰ কথা কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই কৈছে মই মানি লৈছো যদি কোনোবা ভেঞ্চাৰ কলেজত যদি চৰকাৰী কলেজতকৈ ৰিজাল্ট ভাল সেইখন কলেজক কিয় আমি আদৰণি নজনাম। আজি ধেমাজীত নব কুমাৰ দলে ডাঙৰীয়াই জানে ধেমাজী জিলাত ৩ খনকৈ ভেঞ্চাৰ কলেজ আছে চৰকাৰী কলেজতকৈ তেওঁলোকৰ ৰিজাল্ট ভাল। আজি তেওঁলোকক ৰক্ষণাবেক্ষণ দিয়াটো চৰকাৰৰ দায়িত্ব। ইচ্যু ডেট যি আছে থাকিব নিজৰ ঠাইত। কিন্তু তাৰ কাৰণে এইবাৰ অসম চৰকাৰে সিদ্ধান্ত লৈছে যে কমিটি এখন আমি যোৱা কালি কৰি দিছো যে কেনেকৈ আমি নিড়্বেছলৈকে যাব পাৰো। কাৰণ নিড়্বেছ বুলি কোৱাৰ লগে লগে চাহ বাগিছা, চৰ চাপৰি, পাহাৰ এইবোৰটো আহি যাব। গতিকে এইটো ক্ষেত্ৰত মোৰ মন মুকলি আছে খালি এটাই কথা যে পৰিৱেশ লাগে at the end of the day পঢ়া-শুনাৰ প্ৰতি যাতে নজৰ ৰাখে এইটো আমি চাব লাগিব। আপোনালোকে যাৰ কাৰণে কব আহে তেওঁলোকক সকলো কৈ শেষত ক'ব যে তহতৰ কথা আমি ক'ম তহতে কিন্তু স্কুলখনত পঢ়াবি ভালকৈ। সেই শব্দটো যদি আমি কোৱা আৰম্ভ কৰো আমাৰ ভাল হৈ যাব আৰু ভোটৰ কাৰণে টেনশ্বন নল'ব। ভোটটো ৰাইজে দিয়ে, কোনে কাক ভোট

দিয়ে বেলটত কোনে দেখিছে? ক'ত প্ৰাদেশীকৰণ কৰি মানুহ হাৰি গৈছে, ভুমিধৰ বৰ্মন চাৰে যিবাৰ বেছি প্ৰাদেশীকৰণ কৰিলে সেইবাবে হাৰি গৈছে। গতিকে এইবিলাক কথা বুৰঞ্জীয়ে জানে, ইতিহাসে কয়। ইলেকশ্বনটো সেইসময়ৰ ৰাজনৈতিক পৰিৱেশৰ ওপৰত হয়। পিছত স্বীকাৰ কৰে যে ভুল কৰিলো বুলি। গতিকে এইটো চলি থাকক। আমি ৰাজনীতিৰ লগত সকলো লিংক কৰিব নালাগে। মানৱসেৱা হয় মানুহ কেইজনে কষ্ট কৰিছে আমি কেনেকৈ কি কৰিব পাৰো। এতিয়া স্পেছিফিক উত্তৰটো হ'ল যে যাৰ ভুল কৰা যেন আপোনালোকৰ অনুভৱ হৈছে তেওঁলোকক complains and objections দিব দিয়ক সম্পূৰ্ণ মানবীয় দৃষ্টিভঙ্গীৰে আমি এইবিলাক চাম আৰু অক্টোবৰ, নৰেস্বৰত হাইস্কুল এম ই, এল পিও আহি যাব, এম ই ৰ ইচ্যু ডেটৰ এটা সমস্যা আছে মই ব্যক্তিগত ভাৱে জানো, হায়াৰচেকেণ্ডাৰী স্কুল বিলাকৰ এইবাৰ কষ্ট হৈছে নিজৰ নামত ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষা দিয়া নাছিল বেলেগৰ নামত দিয়াৰ কাৰণে কেনেকৈ সমাধান কৰিব পাৰো আমি চেষ্টা কৰিম আৰু মইটো সকলোৰে ভাল হোৱাটো বিচাৰো। ইয়াত মানুহৰ লগত কি কাজিয়াপেচাল কৰি থাকিব, কিন্তু এটা কথা বিচাৰিম যে যেনেকৈ আজি চৰকাৰী খণ্ডৰ ডাক্তৰ বিলাকৰ নাম কলে আমাৰ বুকু আজিৰ দিনত গৌৰৱেৰে উফণ্ডি উঠে মই এটা উদাহৰণ দিছো যে যোৱাকালি মই ৰাতি ১.৩০ বজাত জি এম চি এইচ হস্পিটালত গৈছিলো আপোনালোকে বিশ্বাস কৰিব প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াক চিকিৎসা কৰাৰ কাৰণে ২২ জন ডাক্তৰ বাহিৰত থিয় হৈ আছে। কোনেও কাকো মতা নাই, তাৰ পৰিৱেশটোৱে তেনেকুৱা। আৰু এইটো যে তেখেতৰ কাৰণে হৈছে তেনেকুৱা নহয়। যিকোনো ৰোগী হলেই তাত গৈ ডাক্তৰ বিলাক গৈ থাকিব। এনেকুৱা এটা আজি চৰকাৰী খণ্ডৰ ডাক্তৰ-নাৰ্চ, লেব-টেক এইবিলাকৰ নাম কলে বুকু গৌৰৱেৰে উফণ্ডি উঠে যিটো কাম কৰিছে। শিক্ষক সকলেও একেটা কাম কৰক সমাজ তেওঁলোকৰ লগত থাকিব। হিমন্ত বিশ্ব শৰ্মা, সৰ্বানন্দ সোণোৱাল, ৰাজেদ আলী চৌধুৰী আমিটো মানুহ, কিন্তু আমি তেওঁলোকৰ লগত থকাটো ডাঙৰ কথা নহয়, সমাজ তেওঁলোকৰ লগত থাকিব। আজিটো মই একপ্ৰকাৰ কৈৰে দিছো যে ধেমাজীৰ কলেজ কেইখন হ'ব লাগে, ফৰ্মূলা যিয়ে নহওঁক। কাৰণ দেখি ভাল লাগে যে ইমান ধুনীয়া কলেজ চলাই আছে। গতিকে আমি মানুহ চন আৰু তাৰিখক আমি কিয় ৰখিম, ভাল কাম কৰিলে আমি তেওঁলোকৰ লগত থিয় হৈ থাকিম। কেৱল ৰাস্তাটো ওলাব লাগিব। গতিকে মই ভাৱো যে ভেঞ্চাৰৰ ক্ষেত্ৰত আমি এটা সামগ্ৰিকভাৱে এটা দৃষ্টিভঙ্গী লম যাতে শিক্ষা ব্যৱস্থাও ভাল হয়, মানুহ সকলেও ভাল হয়। মই বিশেষ আগুৱাব নোখোজো মই কেৱল কেইটামান কথা নতুন শিক্ষা নীতিৰ ওপৰত কৈ মই সামৰিব খুজিছো। এইবাৰ আনন্দৰাম বৰুৱা বঁটা আমি কম্পিউটাৰ দিব খোজা নাই, কাৰণ কিনোতে বহু সময় লাগে গতিকে এই মাহত আমি ২০ হাজাৰ টকা তেওঁলোকৰ একাউন্টত আমি ট্ৰেনছফাৰ কৰি দিম। দেউতাক-মাকে যিটোৱে ভাল কম্পিউটাৰ লাগে গৈ কিনিব। ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই কি ক'লে আনন্দৰাম বৰুৱা বঁটা মই বুজি পোৱা নাই, কিন্তু আমি বঁটাটো আৰম্ভ কৰিছো আৰু এইটো চলি থাকিব ইয়াত কোনো অসুবিধা নাই। স্কুতিৰ কথা কৈছে কোনোৱাই কৈছে মেট্ৰিক পাছ কৰা লৰা-ছোৱালীক স্কুটি দিব লাগে। আইনমতে বিধান সভাত এই কথাটো আমি এই কাৰণে ক'ব নোৱাৰো কাৰণ ১৬ বছৰৰ লৰা-ছোৱালীৰ লাইচেন্স নাথাকে। লাইচেন্স নোপোৱা মানুহক কেনেকৈ স্কুটি দিব? যেনেকৈ এম এল এ সকলে হেলমেট নিপিন্ধাকৈ স্কুটাৰ চলালে মানুহে ফটো মাৰে আইন ভঙ্গ কৰা বুলি ইলেক্শ্বন ৰেলিত, তেনেকুৱা মেট্ৰিকৰ লৰা-ছোৱালীয়ে লাইচেন্স নাপায়। লাইচেন্স পালে আমি স্কুটি দিয়াত কি আপত্তি আছে। সেইটোতো কোনো কথা নাই।

**শ্ৰীৰূপজ্যোতি কুৰ্মী (মৰিয়নী) ঃ** নিৰ্বচনী প্ৰতিশ্ৰুতি আছিল।

**ড° হিমন্ত বিশ্ব শৰ্মা (শিক্ষামন্ত্ৰী) ঃ** আছিল, মাননীয় ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই নিৰ্বাচনী প্ৰচাৰ কৰিছিলে যে দৰিদ্ৰতা ভাৰতৰ পৰা দূৰ কৰিম। আজিৰ দিনতটো আপুনি বি পি এল ৰ আঁচনি লৈ থাকে। গতিকে আমি স্কুটি দিম বুলি কৈ স্কুটি দিয়াটোৰে ডাঙৰ কথা নে স্কুটিটো নমাই দিলো। মই যিহৰ কাৰণে আছো সেইটোৰহে উত্তৰ দিম। এতিয়া ঘটনাটো হ'ল স্কুটি দেখাৰ পিছত আৰু মানুহে আপোনালোকৰ কথাটো নামানিব যে অষ্টম, নৱম, দশম শ্ৰেণীৰ লৰা-ছোৱালীক কিয় স্কুটি দিয়া নাই আৰু হায়াৰ চেকেণ্ডাৰীৰ ল'ৰা-ছোৱালীক দিছে। আমি ইলেক্শ্যনৰ সময়ত কৈছিলো যে আমি চাইকেলৰ সলনি স্কুটি দিম। আমি বুজিলো, বুজি আমি কলো যে নহয় তুমি ভালকৈ ৰিজাল্ট কৰা আমি হায়াৰ চেকেণ্ডাৰী, ডিগ্ৰী আৰু পি জি ত দিম। বছৰকেইটাটো একেই থাকিলে। তিনি বছৰ তিনি বছৰে দিলো। টকাটো একেই গ'ল, টকাতটো গণ্ডোগোল কৰা নাই। আমি নিৰ্বাচনৰ সময়ত কৈছিলো যে চাইকেলৰ বদলি স্কুটি দিম। আমি বুজিলো যে নহয় তুমি ভালকৈ ৰিজাল্ট কৰা, আমি Higher Secondary, Degree & PG ত দিম। বছৰ কেইটা একে থাকিলে, তিনি বছৰ, তিনি বছৰে দিলো, টকাতো একে গ'ল। গতিকে আমি এইটো অনুৰোধ কৰিম যে যিবিলাকত ক্লাচ **৮** আৰু **৯** ছোৱালীক প্ৰতিশ্ৰুতি দিছিলো, এতিয়া সেইবিলাক ছোৱালীয়ে Higher Secondary পালে। তেওঁলোকক স্কুটি দি আছো বাকীতো দিয়া নাই। ঘটনাতো হ'ল একেখিনি মানুহে দি আছো, খালী আমি কৈছো যে আপোনালোক **২০১৭** চনত দিয়া নাই, ছোৱালীতো Higher Secondary pass কৰিলে এতিয়া আমি দিছো। এইটোত যদি মহাভাৰত কিবা অশুদ্ধ হ'ল যে সৰু লৰা-ছোৱালীক ক্লাচ **৮**, **৯** ৰ ঠাইত প্ৰতিশ্ৰুতি দি **২২** হাজাৰ লৰা-ছোৱালীক first division পোৱাই দিলো। গতিকে নিশ্চিত থকাক নোপোৱা বিলাকে পাবই।

মাননীয় অধ্যক্ষ মহোদয়, মই National Education Policy ৰ ওপৰত তিনিটা কথা কব খুজিছো। মই অত্যন্ত আনন্দিত আজি AIUDF দলৰ ফালৰ পৰাও National Education Policy ত আদৰণি জনোৱা হৈছে। সেই Policy খন যদি আমি অসমত ৰূপায়ন কৰিব পাৰো তেতিয়া আমাৰ অসমত কিছুমান ডাঙৰ কাম হৈ যাব। এই Policy খনৰ মতে আজি যি নাৰ্চাৰী আছে, Upper K.G., Lower K.G. class 1 & 2, এইখিনি বদলি class 5 হ'ল, তাৰমানে 1,2,3,4,5। আজি ইমানদিনে আমাৰ মনত প্ৰশ্ন আছিলে যে দুখীয়া লৰা-ছোৱালীয়ে creche ত যাব নোৱাৰে, অঙ্গনবাড়ীত শিক্ষা নাপায়। গতিকে ইংৰাজী স্কুলত লৰা বিলাক আগবাঢ়ি যায়, দুখীয়া লৰা-ছোৱালীবিলাকে আৰম্ভনীতে তিনি বছৰ পিছুৱাই থাকে। আজি আপোনালোকে চিন্তা কৰাক যে যদি নাৰ্চাৰী, Upper K.G., Lower K.G. class 1 & 2, এইখিনি মিলি class 5 লৈকে হ'ব। তাৰমানে প্ৰাথমিক বিদ্যালয়ৰ ঠাইত এটা প্ৰাক্ প্ৰাথমিক scheme এটা introduce হব। তাৰমানে অসমত কিমান ডেকা লৰা-ছোৱালীয়ে নিযুক্তি পাব আপোনালোকে চিন্তা কৰক। **২৪** হাজাৰ revenue গাঁৱত আৰু যদি তাত তিনিটাকৈ চুবুৰি আছে বুলি ধৰি লওঁ, **৭৫** হাজাৰ নতুন এল পি স্কুল মানে pre-primary school খোলাৰ concept আজি National Education Policy ত আহিল। তাৰমানে দুইজনকৈও যদি তাতে শিক্ষক পোৱা গ'ল । আমাৰ মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই কৈছে যে সকলো ভাষাই ভাষা। এতিয়া আমাৰ মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই সিদ্ধান্ত লৈছে যে class 5 লৈকে কোনোও ইংৰাজী মাধ্যমত নপঢ়িব। সকলো লৰা-ছোৱালীয়ে নিজৰ নিজৰ ভাষাত পঢ়িব। তাৰমানে প্ৰথম বাৰৰ বাবে যি ভাষা বিলাক মৰি গৈছিলে বড়ো, ৰাভা, মিচিং আদি, এতিয়া কি হ'ব অসমীয়া ল'ৰা-ছোৱালীয়ে অসমীয়া ভাষাত পঢ়িব, বেঙ্গলী ল'ৰা- ছোৱালীয়ে বেঙ্গলীত পঢ়িব, বড়ো ভাষাৰ লৰা-ছোৱালীয়ে বড়োত

পঢ়িব, ৰাভাই ৰাভাত পঢ়িব, গাৰোৱে গাৰোত পঢ়িব, আনকি হাজং জনগোষ্ঠীৰ ল'ৰা-ছোৱালীয়েও হাজঙত পঢ়িব। মই ভাৱো যে যিটো মেকমচে শিক্ষাতো ইংৰাজী কৰণ কৰিছে, তাৰ পৰিৱৰ্তন আগবাঢ়ি গৈ আজি ভাৰতবৰ্ষৰ এই শিক্ষা নীতিৰ জৰিয়তে এটা ডাঙৰ সিদ্ধান্ত লোৱা হ'ল যে ল'ৰা-ছোৱালীৰ শিক্ষাৰ initiation তো it will be on the mother language যে নিজৰ মাতৃ ভাষত আৰম্ভ হ'ব। গতিকে মই ভাৱো এইটো এটা জাতীয় জীৱনলৈকে ডাঙৰ বৰঙনী হ'ব। আমি ইতিমধ্যে task force এখন নিৰ্মাণ কৰিছো, ডিচেম্বৰ মাহৰ ভিতৰত তাৰ recommendation আনিব খুজিছো যাতে অহা বছৰ যিয়ে যি দায়িত্বত নাহক কিয় tasks of National Education Policy খন implementation কৰাৰ কামত লাগি যায়। অসমৰ বহুত মানুহৰ যি কষ্ট আছিল যে মোৰ ভাষাতো হেৰাই গ'ল, কলা-কৃষ্টি, সংস্কৃতি হেৰুৱাই থৈ গ'ল, আজি তাক পুনৰ উদ্ধাৰৰ ক্ষেত্ৰত National Education Policy য়ে এটা বিশাল ভুমিকা গ্ৰহণ কৰিব।

তাৰ পিছত Class 6,7 & 8 এই তিনিটা এটা class হব আজিৰ এম ই স্কুল বিলাকত। Class 9,10, 11 & 12 এতিয়া higher secondary আৰু high School বিলাক একে লগ হৈ যাব। গতিকে আমাৰ অসমৰ প্ৰত্যেক high school বিলাক higher secondary লৈকে পৰিবৰ্তন হব। এটা কিমান ডাঙৰ চিন্তাধাৰা আপোনালোকে চিন্তা কৰক। আজিলৈকে thrust আছিলে যে ক্লাচ ৮ লৈকে 100% enrolment G.E.থাকিব লাগে। কিন্তু আজি ৰাষ্ট্ৰীয় শিক্ষা নীতিত কৈছে যে upto college 100% enrolment থাকিব লাগে। তাৰ মানে এতিয়া আমাৰ 17% , ১০০ টা লৰাই যদি মেট্ৰিক পাচ কৰে ১৭ টাই কলেজত যায়। ভাৰত চৰকাৰে কৈছে ১০০ টা লৰাই কলেজত যাব লাগে। যদি ১০০ টা লৰাই কলেজত যায়, প্ৰত্যেকখন ব্লকত এখন আমি কলেজ নাপাম জানো ? আপোনালোকে চিন্তা কৰক, প্ৰত্যেকটো development block ত আমাৰ এখন এখন নতুন কলেজ হব। য'ত আজি এটা সমষ্টিত কলেজ নাই। মই curriculum লৈকে যোৱাই নাই। কিন্তু curriculum লৈকে নোযোৱাকৈ আৰু নতুন শিক্ষা নীতিয়ে কি কৰিছে যে বিজ্ঞান আৰু অংকতো ইংৰাজীত হব। অৰ্থাৎ আমাৰ যিটো কথা আছিলে যে অসমীয়া মাধ্যমত পঢ়িলে আমি পিছ পৰি যাম। কিহত পিছ পৰি যাম ? বিজ্ঞান আৰু অংকতে পিছ পৰি যাওঁ। বাকী বিষয়ত geography or history পঢ়িবৰ কাৰণে আমাৰ ইংৰাজী মাধ্যম নালাগে। so now educational institute will be hybrid যে তিনিটা বিষয় আপুনি অসমীয়াত পঢ়িব আৰু দুটা বিষয় ইংৰাজীত মাধ্যমত পঢ়িব। এই hybrid হৈ যোৱাৰ লগে লগে ইংৰাজী মাধ্যমৰ আৰু অসমীয়া মাধ্যমৰ পাৰ্থক্য নোহোৱা হ'ব। মই আজিৰ দিনটোত আপোনালোকক কব খুজো যে পাচঁ বছৰ পিছত দেখিব যে আমাৰ অসমৰ চৰকাৰী স্কুলত ১০০ শতাংশ মানুহে পঢ়ুৱাব। আজি চৰকাৰী স্কুলত নপঢ়াৰ কথাতো একদম সাধাৰণ। দুখীয়া মানুহৰ মুৰত সোমাই গ'ল যে ইংৰাজী মাধ্যমত নপঢ়িলে মোৰ লৰা-ছোৱালী ডাঙৰ নহ'ব। মই বাৰে বাৰে বিধান সভাত কৈ আছো যে মোক স্কুল বিলাক ইংৰাজী মাধ্যম কৰিব দিয়ক, একে দিনাই enrolment ২০ লাখ বাঢ়ি যাব। কিন্তু মানুহে ভাষা নোহোৱা হ'ব ইত্যাদি কৈ তেনেকৈ থাকি গ'ল। কিন্তু আজি মাননীয় মোডী ডাঙৰীয়াই যিটো hybrid শিক্ষাৰ কথা কৈছে যে science & maths will be in english medium, rest will be as per acedemic thinks under any language গতিকে এটা বৃহৎ পৰিবৰ্তনৰ দুৱাৰ দলিত থিয় হৈ আছো। মই নিজকে ব্যক্তিগতভাৱে সৌভাগ্যবান বুলি ভাৱো যে যেতিয়া right to education হৈছিলে সেই সময়তো মই শিক্ষামন্ত্ৰী হৈ আছিলো। আজিও National Education Policy দুৱাৰ দলিত মই শিক্ষামন্ত্ৰী হৈ থকা সৌভাগ্য পাইছো। মই

আমাৰ বিষয়াসকলক কৈছো যে ৫ তাৰিখে আমি শিক্ষক দিৱসৰ দিনাই তিনিটা বজাত প্ৰথম National Education Policy Task Force ৰ meeting কৰিম, আমি শিক্ষক দিৱসৰ লগত সংগতি ৰাখি। ডিচেম্বৰ মাহত যেতিয়া পিছৰ অধিবেশনত আহিম তেতিয়া মোৰ চেষ্টা হ'ব যে আপোনালোকৰ আগত ৰূপৰেখা ডাঙি ধৰা যে পাচঁ বছৰ আমাৰ পৰিকল্পনা কি হ'ব। ৭৫ হাজাৰ educational institution আৰু এইবোৰ চাকৰি দিয়া institution নহয়, নিজৰ ভাষা সংস্কৃতি জীয়াই ৰখাৰ institution. 100% enrolment in college medium ৰ কাজিয়া নাই। science & maths আপুনি ইংৰাজী মাধ্যমত পঢ়ক বা আপুনি নিজৰ নিজৰ মাধ্যমত পঢ়ক, কোনো বেঙ্গলী, অসমীয়া আদিৰ সংঘাট নাই। গাঁওখন যদি বেঙ্গলী মাধ্যমো বেঙ্গলী লব, গাওঁখন যদি অসমীয়া মাধ্যম অসমীয়া লব, গাঁওখন যদি বড়ো মাধ্যমো বড়ো লব, গাঁওখন যদি ৰাভা মাধ্যমো ৰাভা লব। আমাৰ মাজত থকা জাতিৰ সংঘাটবোৰ আঁতৰি যাব। গতিকে মই ভাৱো ৰাষ্ট্ৰ পৰিপ্ৰেক্ষিতত এইখন এখন ডাঙৰ নীতি হয়ে অসমৰ দৰে য'ত বাৰে ৰহনীয়া ভাষা জাতি, বাৰে ৰহনীয়া সংস্কৃতি আছে, তাৰ কাৰণে এই ৰাষ্ট্ৰীয় শিক্ষানীতিখনে গুৰুত্বপূৰ্ণ ভুমিকা গ্ৰহণ কৰিব।

মাননীয় অধ্যক্ষ মহোদয়, মই ভাৱো যে যেতিয়া আমি জানুৱাৰী বা ফ্ৰেব্ৰুৱাৰী মাহত এই সদনলৈ আহিম, ইলেক্টচনৰ বতাহ থাকিব। তাৰ মাজতো আমি যদি আধাদিন শিক্ষা নীতিৰ প্ৰাৰম্ভিক স্বৰূপটোৰ ওপৰত আলোচনা কৰো, নতুন চৰকাৰ অহাৰ প্ৰথম দিনাৰ পৰাই শিক্ষা নীতি ৰূপায়নৰ কামত লাগি যাওঁ, তেতিয়া ২০২৫ চনৰ ভিতৰত অসম শিক্ষাৰ ক্ষেত্ৰত আগবাঢ়ি যাব। আজি যেনেকৈ স্বাস্থ্যৰ ক্ষেত্ৰত কভিড পেনডেমিকৰ সময়ত কিমান ওপৰত আমি থিয় হৈ আছো তাৰ আপোনালোকে তুলনা কৰিব নোৱাৰে। যিসকলে মোক সমালোচনা কৰিছে, তেওঁলোকে যদি কেতিয়াবা পশ্চিম বঙ্গত যায়, কৰ্ণাটকত বা দিল্লীলৈ যায় বা কৰবাত যায় তাত থিয় হৈ তেওঁলোকে চিন্তা কৰিব যে অসমৰ কি অসাধৰণ contribution আছে COVID Pendemic ৰ ক্ষেত্ৰত, চাৰে চাৰি লাখ মানুহক হস্পিতালত ৰাখিছো, যিটো এটা বছৰত সম্ভৱ নহয়। যি ডক্টৰে নাৰ্চিং হোমত নগলে চিকিৎসা নকৰে, সেই ডক্টৰে আজি PPE Kit পিন্ধি গৰমত কষ্ট কৰিও তেনেকৈ মানুহৰ লগত থিয় হৈ আছে। আজি সেই ধৰনে শিক্ষাৰ ক্ষেত্ৰতো আমি গৌৰৱ উজ্বল দিশ ভুমিকা পালন কৰিবলৈ সক্ষম হম। মই এই কথাখিনি এইকাৰণে কৈছো যে আজিলৈকে কোনো বিধান সভাই ৰাষ্ট্ৰীয় শিক্ষা নীতি আলোচনা কৰা নাই। যেনেকৈ GST ৰ ক্ষেত্ৰত A for apple হৈছিলো, মাননীয় সদস্য কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই কোৱাৰ দৰে শিক্ষাৰ ক্ষেত্ৰতো A for Assam হব পাৰে। তাৰ কাৰণে আমি শিক্ষা নীতিখন প্ৰথম পৰ্য্যায়ত আৰম্ভ কৰিম। মই সদনক বিশ্বাস দিয়াব খুজিছো যে আমি সকলো মিলি যেনেকৈ TET ৰ নিযুক্তি, শিক্ষক নিযুক্তি, দুৰ্নীতি দুৰীকৰণ আদিৰ ক্ষেত্ৰত গোটে সদনে যদি সিদ্ধান্ত লয় যে যি কৰিব কৰক, TET ৰ সিদ্ধান্তত আমি মাত নিদিও, আমি কলেজ Governing Body বিলাকত President আছিলো। আমি যদি কলো হৈ যে president হৈয়ে থাকিম, আমাক কোনে এৰুৱাব পাৰিলেহেতেন? কিন্তু আমি সিদ্ধান্ত লৈছে যে নহও College Governing Body ৰ President। এইটো অকল মোৰ নহয়, বিধায়ক সকলৰ প্ৰচেষ্টাৰ কাৰণে আজি অসমৰ শিক্ষা জগতখন এটা গঠনমুলক দিশত আগবাঢ়িছে। মই ভাৱো যে অহা পাচঁ বছৰত আমি তেনেকুৱা আৰু এটা নতুন কৃতি স্থাপন কৰিব পাৰিম। মই বিশেষ নকওঁ, ডিচেম্বৰ মাহত আপোনালোকৰ লগত এই কথাখিনি আকৌ আলোচনা কৰিম, সদনৰ লগত আৰু আমি নিৰ্দিষ্ট গতিত আগবাঢ়িম। কৰ্তন প্ৰস্তাৱ দিয়াৰ মুল উদ্দেশ্য আছিল venture বাকীতো একো নাই মই বুজি পাওঁ। গতিকে সেই ক্ষেত্ৰত আমাৰ মনোভাৱ উদাৰ হৈয়ে থাকিব। যিমানখিনি কৰিব পাৰো আমি কৰিম

আৰু যিমানখিনি কৰিব নোৱাৰো need base ৰ আধাৰত কি আগবাঢ়িব পাৰো তাৰ কাৰণে চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষঃ** Thank you.

**শ্ৰীশ্বেৰমান আলি, বাঘবৰঃ** মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে শিক্ষাৰ ভেদভাৱ কৰিব খোজা নাই, মোৰ কোনো আপত্তি নাই, infact, I am also in agreement with the decision of the Government that religious education shall not be backed by the State Government. But sir, learning of Sanskrit or Arabic should not always be considered synonimous with religious education. In Government institution mostly Government Madrassa য়ে হওঁক বা যিটো সংস্কৃত শিক্ষা দিয়া হয় that also relates to learning of the language as literature. sir, গতিকে ধৰ্মীয় শিক্ষা বাদ দি সংস্কৃতে হওঁক বা আৰবিকে হওঁক as a language, as literature শিক্ষাৰ কাৰণে যি ব্যৱস্থা, সেইখিনি বন্ধ কৰিলে বোধ হয় ক্ষতি হ'ব। আমাৰ ভাৰতবৰ্ষত হিন্দু সভ্যতা আতাইতকৈ পুৰনি সভ্যতা আৰু ইয়াৰ লগত জড়িত হৈ আছে সংস্কৃত আৰু 54 middle-east countries ত আৰবিকৰ জ্ঞান থাকিলে তেওঁলোকে নিয়োগৰ সুবিধা পায়। গতিকে Arabic & Sanskrit as a literature should be continued and backed by Government of Assam.

**মাননীয় অধ্যক্ষ ঃ** Thank you.

**ড° হিমন্ত বিশ্ব শৰ্মা, শিক্ষামন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ কথাটোৰ ভুল অৰ্থ হব নালাগে। সংস্কৃত হাইস্কুলত এটা বিষয় আৰু আমি সংস্কৃত বিশ্ববিদ্যালয়ো কৰিছো। সংস্কৃত ভাৰতৰ সকলো ভাষাৰ মাতৃ। গতিকে সংস্কৃতো দেৱ ভাষা। সংস্কৃত আমি শক্তিশালী কৰিবলৈ আগবাঢ়িছো। খালী টোলৰ যিটো শিক্ষা, সেইতো সংস্কৃত শিক্ষাৰ বাবে শুদ্ধ নহয় বুলি ভাস্কৰ বৰ্মা সংস্কৃত বিশ্ববিদ্যালয় উপাচাৰ্য তেওঁলোকে ধৰি সকলোৱে আমাক জনাইছে। তেওঁলোকে কৈছে যে বৰ্তমান যিটো তোলৰ শিক্ষা মানুহে মাত্ৰ মেট্ৰীক চাৰ্টিফিকেটখন লবলৈ হে পঢ়ে। সংস্কৃত জানিবৰ কাৰণে নপঢ়ে। গতিকে অসম চৰকাৰে যেতিয়া সংস্কৃত টোলৰ বিলুপ্তি কৰণ কৰিব তাত আমি alternative mechanism আনি আছো যে কেনেকৈ মানুহে সংস্কৃত জানিব পাৰে, পঢ়িব পাৰে, বুজিব পাৰে। আমি টোলতোৰ কথাহে কৈছো সংস্কৃতৰ কথা কোৱা নাই, স্কুল কলেজত চলি থাকিব আৰু গোটেই সংস্কৃত টোল বিলাক ভাস্কৰ বৰ্মা সংস্কৃত বিশ্ববিদ্যালয়ৰ অধীনলৈ যাব as an ancient studies এই গোটেই টোল বিলাকৰ চৰিত্ৰৰে আত্ম প্ৰকাশ কৰিব, Government notification য়ো ওলাব। সংস্কৃত টোল আৰু মাদ্ৰাছা দুয়োটাৰ মাজত তুলনা নাথাকে। কাৰণ সংস্কৃত আমাৰ সকলো ভাষাৰ মাতৃ ভাষা, এইটো এটা বেলেগ কথা আৰু মাদ্ৰাছা আৰু আৰবীক এটা বেলেগ কথা। আৰবীক যদি আপুনি skill education কৰিব খুজিছে সেইটোত আমাৰ আপত্তি নাই। কিন্তু আৰবিকৰ জৰিতে পবিত্ৰ কোৰাণ শ্বৰিফৰ শিক্ষা কলেজত হব নোৱাৰে। আৰবীক যদি কোনোৱাই ডুবাইত চাকৰি পাবৰ কাৰণে পঢ়ে।

**মাননীয় অধ্যক্ষ ঃ** I think we should not go for discussion just like this.

**Dr. Himanta Bishwa Sarma,Finance,Education&PWD Minister:** শ্বেৰমান আলী ডাঙৰীয়া আপোনাৰ মনতো মই বুজি পাও, মোকো আপুনি বুজি পায়, গতিকে ইয়াত কোনো confusion নাই। Confusion হৈছে আৰবীত যদি কোনোবাই ডুবাইত চাকৰি

পাবৰ কাৰণে পঢ়ে, কোনোবাই চৌদি আৰবিয়াত পঢ়িবৰ কাৰণে পঢ়ে আমাৰ আপত্তি নাই। কিন্তু Âã Ê±¤1 Õ±Âã¦ßÁsubject is link to the কোৰাণশ্বৰিফ ।

**শ্ৰী শ্বেৰমান আলী** : Not always......হুলস্থুল....

**Hon'ble Speaker :** I think such discussion will not help us......হুলস্থুল....

**Dr. Himonta Bishwa Sarma,Finance,Education&PWD Minister :** অধ্যক্ষ মহোদয় গোটেই আজিৰ আলোচনাটোৰ সাংবাদিক সকলে কালি এইটোহে লিখিব । আমি যিমান ভাল কথা কলেও আপোনালোকৰ ভেঞ্চাৰটো নিলিখিব, এইটোদিয়ে গোটেইটো হাইজেক কৰি লৈ যাব। মোৰ কথাটো হ'ল যে আপুনি যিটো কথা কৈছে Arobic as a skill education, arobic as a language education, I have noted your sugession ..

**Hon'ble Speaker :** Ok. আপোনালোকে Rule টো কিয় পাহৰি গৈছে।.....হুলস্থুল..... I am the Speaker, I will have to go according to Rules. No more discussion. I have taken your five minutes time, already 10 minutes have passed . .....হুলস্থুল.....This is too much.মই এতিয়া সকলো পৰিপূৰক মঞ্জুৰী গিলেটীনত দিলো। এই মাত্ৰ পৰিপূৰক দাবি মঞ্জুৰী সমূহ হ'ল ৭১, ১, ৩, ৫, ৬, ৭, ৮, ৯ ,১১ ,১২, ১৪, ১৫, ১৬, ১৭, ১৮, ১৯, ২০, ২১, ২২, ২৫, ২৬, ২৭, ২৯, ৩০, ৩১, ৩৪, ৩৫, ৩৬, ৩৭, ৩৮, ৩৯ ,৪১, ৪২, ৪৩, ৪৪, ৪৬, ৪৭, ৪৮, ৪৯, ৫০, ৫১, ৫২, ৫৩, ৫৪, ৫৫, ৫৬, ৫৭, ৫৮, ৫৯, ৬০, ৬১, ৬২, ৬৩, ৬৪, ৬৫, ৬৬, ৬৭, ৬৯, ৭০, ৭৩, ৭৪, ৭৫, ৭৬, ৭৭, ৭৮ সদনত অনুমোদনৰ বাবে আগবঢ়ালো। যি সকল মাননীয় সদস্য- সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে - তেখেত সকলে কওঁক "হয়"। যি সকল মাননীয় সদস্য- সদস্যা প্ৰস্তাৱটোৰ বিপক্ষে আছে- তেখেত সকলে কওঁক "নহয় " । মই ভাবো " হয়."ৰ সপক্ষে, " হয়."ৰ সপক্ষে, "হয়"ৰ সপক্ষে। গতিকে পৰিপূৰক দাবী মঞ্জুৰী ১ ৰ পৰা ৭৮ ৰ লৈকে গৃহীত কৰা হ'ল বুলি মই ঘোষণা কৰিছো। এতিয়া অসম বিনিয়োজন ৩ নং বিধেয়ক। (সদনত বিতৰণ কৰা হয়)। এতিয়া মই অসম বিনিয়োজন নং- ৩ বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ কৰিবৰ কাৰণে বিত্ত মন্ত্ৰীক অনুৰোধ কৰিলো।

**Dr. Himanta Bishwa Sarma,Finance,Education&PWD Minister :** মাননীয় অধ্যক্ষ মহোদয়, " অসম বিনিয়োজন (নং- ৩) বিধেয়ক, ২০২০" খন সদনত উত্থাপন কৰিবলৈ মই অনুমতি বিচাৰি ছো।

**Hon'ble Speaker :** এতিয়া, বিধেয়কখন উত্থাপন কৰিবৰ বা বে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে?

(সদনে অনুমতি প্ৰদান কৰে)

ৰাজভৱনৰ পৰা বিনিয়োজন বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে অসমৰ ৰাজ্যপাল মহোদয়ে এটা বাণী পঠিয়াইছে, মই বাণীটো পঢ়ি দিছো। "Under the provision of Article 207 sub-clause (1) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend the introduction of the **Assam Appropriation (N0.III) Bill, 2020** in the Assam Legislative Assembly. মই মন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন সদনত উত্থাপন কৰিবৰ কাৰণে অনুৰোধ কৰিলো।

**Dr. Himanta Bishwa Sarma,Finance,Education&PWD Minister**

**:** মাননীয় অধ্যক্ষ মহোদয়, “ অসম বিনিয়োজন (নং- ৩) বিধেয়ক, ২০২০” খন মই সদনত উত্থাপন কৰিলো।

**Hon'ble Speaker:** এতিয়া বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়িব।

**প্ৰধান সচিব ঃ** বিধেয়ক খনৰ শিৰোনামা - “অসম বিনিয়োজন (নং- ৩) বিধেয়ক, ২০২০”।

**Hon'ble Speaker:** এতিয়া, ৰাজভৱনৰ পৰা ৰাজ্যপাল মহোদয়ে আৰু এটা বাণী পঠিয়াইছে, সেইটো মই পঢ়ি দিছো। “Under the provision of Article 207 sub-clause (3) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend that the **Assam Appropriation (N0.III) Bill, 2020** be taken into consideration by the Assam Legislative Assembly.এতিয়া, বিত্ত মন্ত্ৰীক মই বিধেয়কখন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**Dr. Himanta Bishwa Sarma,Finance,Education&PWD Minister :** মাননীয় অধ্যক্ষ মহোদয়, “ অসম বিনিয়োজন (নং- ৩) বিধেয়ক, ২০২০” খন বিবেচনাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**শ্ৰীআমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইখিনিতে মই কব বিচাৰিছো যে- আজি বাতৰি কাকতত এটা বাতৰি দেখিলো, সম্প্ৰতি ল'কডাউনৰ কাৰণে বা বিভিন্ন কাৰণত অসমত যিটো আৰ্থিক অৱস্থা হৈছে যে ৫০% মানুহ দৰিদ্ৰসীমা ৰেখাৰ তললৈ গুচি যাব বা কেগৰ প্ৰতিবেদনত এনেকুৱা কিছুমান ৰিপোৰ্ট ওলাইছে আৰু প্ৰায় ২৭ লাখ মানুহে কৰ্মসংস্থাপন হেৰুৱাব। এই ক্ষেত্ৰত আমাৰ চৰকাৰে এই পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ কি পৰিকল্পনা কৰিছে ?বা **Appropriation** বাজেটত তাৰ কিবা **provision** ৰখা হৈছে নেকি ? তাৰ লগে লগে আৰু এটা ভয়ংকৰ কথা আহিছে যে ৯টা **major Department PWD, Healthe,etc.** এনেধৰণৰ প্ৰায় ২৭ হাজাৰ কোটি টকাৰ ইউ চি দিয়া নাই, বা কামৰ খৰচ দেখুৱাব পৰা নাই বুলি ৰিপোৰ্টত আহিছে । গতিকে এই সম্পৰ্কত মই বিত্ত মন্ত্ৰীৰ পৰা এটা সদুত্তৰ বিচাৰিছো।

**Hon'ble Speaker :** ঠিক আছে।

**Dr. Himanta Bishwa Sarma,Finance,Education&PWD Minister :** মাননীয় অধ্যক্ষ মহোদয়, কেগৰ প্ৰতিবেদনত যিটো বছৰৰ কথা উল্লেখ কৰিছে সেই বছৰটোৰ ইউ চি আমি এই বছৰৰ মাৰ্চ মাহৰ ভিতৰতহে দিব লাগে। ২০১৬-১৭ ত মাত্ৰ ১২ খন ইউ চি বাকী আছে ২০১৭-১৮ত মাত্ৰ ৮ খন ইউ চি বাকীআছে। ২০১৮-১৯ ৰ যিখিন ইউ চি বাকীআছে, সেই খিনি ২০ চনৰ মাৰ্চৰ আগত দিয়া হ'ব । এ. জি ৰ যিখন প্ৰতিবেদন , এই প্ৰতিবেদনখন যদি ভালকৈ পঢ়ে তাত অসম চৰকাৰৰ বিত্তীয় ব্যৱস্থাপনা আমি গোটেই কেইটা টাৰ্গেট মে'ট কৰিছো। কিমান আমি **Own Tax generate** কৰিছো , আপোনালোকে যদি ভালকৈ পঢ়ে তাত দেখিব যে আগৰ বছৰ বিলাকৰ তুলনাত এইবাৰ এ. জি ৰি'পৰ্টে অসম চৰকাৰৰ বিত্ত বিভাগক ভূঁয়সী প্ৰশংসা কৰিছে যে আমি এফ আৰ বি এমৰ গোটেই বিলাক টাৰ্গেট মিট কৰিবলৈ সক্ষম হৈছো। দুটা কথাত এ.জিৰ আপত্তি, এটা হৈছে ইউ চি - তেঁওলোকক বছৰৰ ইউ চি বছৰত লাগে। এইটো আমাৰ এটা কাৰণে সম্ভৱ নহয় । বহুত পুঁজি আমি মাৰ্চ মাহত ৰিলিজ কৰি দিওঁ। মাৰ্চ মাহত ৰিলিজ কৰি এপ্ৰিলত আমি ইউ চি দিব নোৱাৰো। সেইকাৰণে আমাৰ আৰু এ .জিৰ মাজত এটা বছৰৰ গেপ আছে। কিন্তু আপোনালোকে যদি বিধান সভাত **Short Notice question** এটা আনে তাত মই

আপোনালোকক দেখুৱাই দিব পাৰো যে ২০১৬-১৭, ২০১৭-১৮ ৰ All U.C submitted. It is now below 10. গতিকে এইবাৰো U.C খিনি আমি মাৰ্চৰ আগত দি দিম। যেনেকৈ আন-টাইড ফান্দ ইত্যাদি পূঁজি মাৰ্চত ৰিলিজ হ'লে এপ্ৰিল মাহত U.C সম্ভৱ নহয়। এইটো এটা বাস্তৱিক কথা । গতিকে ইউ চিৰ ক্ষেত্ৰত আমাৰ বহুত কোনো অসুবিধা নাই। We are on track. "SITA"ৰ যিখন প্ৰতিবেদন আছে, সেই প্ৰতিবেদনখন লৈ মই নিজেই সেই প্ৰতিবেদনখন কিমান বাস্তৱ তাৰ লগত মোৰ এটা ধাৰণা - যদিও মই বিভাগটোৰ মন্ত্ৰী It was a academic work. Academic work ত Interfere কৰিব নালাগে কাৰণে আমি তাত Editing কৰা নাই, যেনেকৈ দিছে তেনেকৈ দি দিছো। সেইখন ৰূপায়ণ কৰাৰ সময়ত, চিন্তা কৰাৰ সময়ত মানুহৰ ধাৰণা আছিল যে ল'কডাউন বহুত দিন চলিব। কিন্তু আন'লক প্ৰক্ৰিয়াবোৰ আৰম্ভ হোৱাৰ লগে লগে যিবিলাক আশংকা কৰা হৈছিল , সেই আশংকা বিলাক বাস্তৱত ইমানখিনি প্ৰতিস্ফুত হোৱা নাই। তাৰ কাৰণ হৈছে যে- এপ্ৰিলত আমাৰ জি এচ টি কালেকচন ডেৰ শ কোটি টকা হৈ গৈছে। তেতিয়া আমি দেখিছিলো যে We have lost 90% Revenue. 90% Revenue lost মানে ৯০% মানুহৰ দোকান -পোহাৰ ,ব্যৱসায়-বাণিজ্য সকলোবোৰ নষ্ট হৈ গল। That was a time in March. কিন্তু এপ্ৰিল, মে, জুন, জুলাই এই কেইমাহত আমি জি এচ টি ৯৬০ কোটি টকা পাব লাগে আমাৰ Projection মতে, আমি ৬০০ কোটি টকালৈকে বঢ়াবলৈ সক্ষম হৈছো। তথাপিতো partial ল'কদাউন এতিয়া অসমৰ বিভিন্ন জেগাত আছেই। গতিকে economy টো sink হৈছে by ১৫% আৰু মই ভাবো যে মাৰ্চলৈকে গৈ পোৱাৰ লগে লগে আমি recovery কৰিব পাৰিম। আমাৰ economy will be বহুত বেছি । 1st quarter,2nd quarter ত যিখিনি অলপমান ৰখিছে , সেইখিনিও আমি 3rd & 4th quarter ত make-up কৰিব পাৰিম। আৰু ল'কডউনৰ সময়ত যিখিনি মানুহৰ ক্ষতি হ'ল , এই মানুহখিনিৰ ক্ষতি পূৰণৰ বাবে কিছু পুঁজি আমি Supplimentary Demand ত আনিছো। আমাৰ চৰকাৰে এটা আঁচনিৰ কথা ভাৰি আছে, কেবিনেটত কথা পতা নাই কাৰণে কোৱা নাই । কিন্তু ল'কডাউনৰ সময়ত যিখিনি মানুহে আৰ্থিক দৈন্যতাৰ সন্মুখীন হ'ল , তেওঁলোকক নৱেম্বৰ, ডিচেম্বৰ মাহৰ ভিতৰত সহায় কৰাৰ বাবে এইবাৰ বাজেটত বিত্ত বিভাগৰ এছ. ডিত আমি অলপ পুঁজি ৰাখিছো। কিন্তু এই গোটেই কথাখিনি আজিয়েই ক'ব পৰা হোৱা নাই। আমাৰ মনত definetlyচিন্তা আছে। যি ২১ দিন আমাৰ ল'কদাউন হৈছিল তাত যিখিনি মানুহৰ ক্ষতি হৈছিল, তাক আমি কিবা এটা আংশিক ভাৱে হ'লেও সহায় কৰিব পাৰো নেকি ? কিন্তু চিটাৰ প্ৰতিবেদনত যিধৰণে দেখুৱা হৈছে, সেইটো বাস্তৱত মই তাৰ প্ৰতিফলন দেখা নাই । কাৰণ অসমৰ economy টো mostly Government economy, Government economy টো আমি চলাই আছো কাৰণে বহুত অসুবিধা হোৱা নাই। আজি ৰাতিপুৱা কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই D.A ৰ কথাও কৈছিল, মই ভাৱো সকলো ভাল খবৰেই আপোনালোকে শুনা পাব। আমি ক'ভিদ যেনেকৈ অসমত মেনেজমেন্ট হৈছিল , ক'ভিদ মেনেজমেন্টৰ লগতে বিত্ত ব্যৱস্থাপনাও এনেকৈ মেনেজমেন্ট আমি কৰিছিলো যে অসম ভাৰতবৰ্ষৰ কেইখনমান চৰকাৰৰ ভিতৰত এখন, য'ত আমি দৰমহা কৰ্তন কৰা হোৱা নাই, আনকি আমি যিখন অষ্টেৰিটি মিজাৰও দিছিলো , পৰৱৰ্তী ৭ দিনত সেইখনো আমি প্ৰ্যতাহাৰ কৰাৰ দিশত গৈ আছো। গতিকে, মই ভাৱো অলপ প্ৰাৰম্ভিক অনুমান বছৰটো শেষলৈকেহে স্পষ্ট ইংগিত পোৱা যাব।

**Hon'ble Speaker :** Thank You.

Shri Kamalakshya Dey Purakayastha, Member : অধ্যক্ষ মহোদয়, ইতিমধ্যে

এটা বস্তু দেখা পালো যে গোটেই বিশ্বৰে অৰ্থনীতি বিধস্ত হৈছে। আমাৰ ভাৰতবৰ্ষৰ জি.ডি.পি মাইনাচ ২৩.৯ লৈ নামি আহিছে। আমাৰ অসমৰ অৱস্থা কি হ'ব কেগৰ ৰি'পৰ্টৰ পৰাই কিছুমান গম পাইছো, ভালদৰে পঢ়িলে আৰু গম পোৱা যাব। অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰাই এটা বস্তু জানিব বিচাৰিছো যে ২০১৯-২০ ৰ SUHRID আঁচনিৰ আমাৰ যিটো আন - টাইডৰ ফাণ্ড আছিল, আমি পোৱা নাই। কভিডৰ কাৰণে হয়তো আমি পোৱা নাই। আমাৰ যদি দিব লগা হয়, আমি দিম। প্ৰথম কথা এই টকাখিনি আমি পাম নেকি? দ্বিতীয় কথা MLA ৰ L.A.C ৰ কথা, কোনোবা MLA হয়তো পাইছে, কোনোবাই পোৱা নাই। মই পাইছো। এই ক্ষেত্ৰত আমাৰ কি সিদ্ধান্ত লোৱা হ'ব, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো।

**Hon'ble Speaker :** Thank You.

**Dr. Himanta Bishwa Sarma,Finance,Education&PWD Minister :** অধ্যক্ষ মহোদয়, SUHRID আৰু MLA Fund নোপোৱাৰ লগত ক'ভিদৰ কোনো সম্পৰ্ক নাই। জিলা উপায়ুক্তৰ পৰা proposals বিলাক অহা নাছিল কাৰণেহে পোৱা নাই। চেপ্তেম্বৰ মাহৰ শেষৰ ফালে আমি PND Department ত এটা কেম্প কৰিব খুজিছো। যিমান MLA ৰ SUHRID,Un-tide Fund আৰু MLA Fund ৰ সমস্যা আছে, প্ৰতিজন MLA ক তেওঁলোকে ১০,১০ মিনিট সময় দিব আৰু তেওঁলোকে গোটেই কামখিনি কৰি ল'ব । এইবাৰ আমি এটা বিশেষ নিৰ্দেশ দিছো যে এইবাৰ যিহেতু আমাৰ শেষ বছৰ গতিকে এই বছৰ MLA Fund ত কোনো ইউ চি আমি insist কৰিব নালাগে। সকলো বিধায়কক সম্পূৰ্ণ পুঁজি without insisting any U.C দি দিব লাগে। যাতে আমি অন্তত আমাৰ election ৰ আগতে য'ত যি আমাৰ Commitment আছিল, আমি যাতে কতো ৰ'ব লগা নহয়।.......হুলস্থুল.....

**Hon'ble Speaker :** Please please, this is a very good announcement. I think we should welcome it.

**Dr. Himonta Bishwa Sarma,Finance,Education&PWD Minister :** অধ্যক্ষ মহোদয়, কভিডৰ কষ্টৰ মাজতো ৫০% আমি এৰি দিলো, মানুহে যিটো ভাবা নাছিল। আজি আপোনালোকে চাওঁক এম. পি ফাণ্ডও এৰি দিয়া নাই। ভাৰতৰ কোনো ৰাজ্যত এম. এল. এৰ. ফান্দ এৰি দিয়া নাই। আমি ৫০% এৰি দিলো । চেপ্তেম্বৰ মাহত আমি PND Department ত এটা কেম্প কৰিম যে বৰাকৰ হাইলাকাণ্ডিৰ এম. এল. এৰ আজিৰ দিনতো, কৰিমগঞ্জৰ এম. এল. এৰ আজিৰ দিনতো , সেইধৰণে আগবাঢ়িম। মইও বিচাৰিম যে আমি সকলোৱে একেলগে ৫ বছৰ থাকিলো। ভাল পৰিবেশত বিধান সভাৰ পৰা যাতে যাব পাৰো, সকলো ঘুৰি আহিব পাৰে, সেয়াই আমাৰ ইচ্ছা। গতিকে মই আমাৰ যিবিলাক পাবলৈ থাকি গ'ল ব্যক্তিগত ভাৱে initiative ল'ম আৰু 15th October ৰৰ ভিতৰত সকলো ফাইল আপোনালোকৰ তাত যাব, মই সেইখিনি নিজে ব্যৱস্থা ল'ম।

**Hon'ble Speaker :** I should appreciate. Why you are not claping? Everybody should clap. এতিয়া মই প্ৰস্তাৱটো সদনত ডাঙি ধৰিছো। অসম বিনিয়োজন (নং ৩) বিধেয়ক, ২০২০ খন বিবেচনাৰ বাবে লোৱা হ'ল। যি সকল মাননীয় সদস্য -সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে - তেখেত সকলে কওঁক "হয়", যি সকল মাননীয় সদস্য- সদস্যা প্ৰস্তাৱটোৰ বিপক্ষে আছে - তেখেত তেখেত সকলে কওঁক "নহয় " । মই ভাবো " হয়:'ৰ সপক্ষে, " হয়'ৰ সপক্ষে, " হয়'ৰ সপক্ষে"প্ৰস্তাৱটো গৃহীত হৈছে। এতিয়া মই বিধেয়কখনৰ ২ আৰু ৩ নং দফাৰ লগতে

অনুসূচীখনো সদনত উত্থাপন  কৰিলো। বিধেয়কখনৰ ২ আৰু ৩ নং দফাৰ লগতে অনুসূচীখনো বিধেয়কখনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য -সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে - তেখেত সকলে কওঁক"হয়", যি সকল  বিপক্ষে আছে- তেখেত সকলে কওঁক "নহয় " । মই ভাবো  " হয়'ৰ সপক্ষে, " হয়"ৰ সপক্ষে", " হয়'ৰ সপক্ষে বিধেয়কখনৰ ২ আৰু ৩ নং দফাৰ  লগতে অনুসূচীখনো বিধেয়কখনৰ অংশ হ'ল। এতিয়া মই বিধেয়কখনৰ ১নং  দফা,  সংক্ষিপ্ত  নাম  সদনত উত্থাপন কৰিলো। বিধেয়কখনৰ ১নং  দফা,  সংক্ষিপ্ত  নাম বিধেয়কৰ  অংশ হ'ব। যি সকল  মাননীয় সদস্য-সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে - তেখেত সকলে কওঁক "হয়"। যি সকল মাননীয় সদস্য -সদস্যা প্ৰস্তাৱটোৰ বিপক্ষে আছে- তেখেত সকলে কওঁক "নহয় " । মই ভাবো  " হয়"ৰ সপক্ষে, " হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে  বিধেয়কখনৰ ১নং  দফা,  সংক্ষিপ্ত  নাম বিধেয়কৰ  অংশ হৈছে। এতিয়া মাননীয় বিত্ত মন্ত্ৰীয়ে বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিব।

**Dr. Himanta Bishwa Sarma,Finance,Education&PWD Minister :**  মাননীয় অধ্যক্ষ মহোদয়, অসম বিনিয়োজন (নং ৩) বিধেয়ক, ২০২০পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**Hon'ble Speaker :** এতিয়া মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হৈছে - অসম বিনিয়োজন (নং ৩) বিধেয়ক ২০২০ পাৰিত কৰা হওঁক। যি সকল মাননীয় সদস্য-সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে - তেখেত সকলে কওঁক "হয়"। যি সকল মাননীয় সদস্য -সদস্যা প্ৰস্তাৱটোৰ বিপক্ষে আছে- তেখেত সকলে কওঁক "নহয় "  । মই ভাবো ' হয়'ৰ সপক্ষে, " হয়."ৰ 'সপক্ষে, 'হয়'ৰ সপক্ষে,প্ৰস্তাৱটো পাৰিত হৈছে, বিধেয়কখনো পাৰিত হৈছে ।

**এতিয়া সদন কালিলৈ পুৱা ৯:৩০ বজালৈ স্থগিত ৰখা হৈছে।**